REFERENCE
NOT FOR ISSUE
A. L. A. L[illegible]

# Assam Legislative Assembly Debate

## *OFFICIAL REPORT*

SEVENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE FIFTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## AUTUMN SESSION

## VOL. I

### No. 18

**The 6th March, 1974**

*PRINTED AT BHASKAR PRINTERS, KACHARIBASTI*
*DISPUR, GUWAHATI-5, 1989*

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1974

( BUDGET SESSION, )

Vol. 1 No. 18

The 6th March, 1974

REFERENCE
NOT FOR ISSUE

## CONTENTS

| | | Pages |
|---|---|---|
| 1. | Questions | 1 |
| 2. | Calling Attention Notice | 37 |
| 3. | Matter under Rule 301 | 38 |
| 4. | Ruling by the Speaker | 41 |
| 5. | Announcement by the Speaker | 43 |
| 6. | General Discussion on Budget | 44 |
| 7. | Discussion under Rule 49 | 106 |
| 8. | Adjournment | 113 |

# Proceedings of the Seventh Session of the Assam Legislative Assembly Assembled After the Fifth General Elections Under the Sovereign Democratic Republican Constitution of India

The Assembly met in the Assembly Chamber, Dispur, Guwahati at 10 A.M. on Wednesday the 6th March, 1974 with the hon. Speaker in the Chair, 10 (Ten) Ministers, 3 (Three) Ministers of State, 81 (Eighty one) Members present.

## STARRED QUESTIONS AND ANSWERS

Date : 6th March, 1974

### Re : Outside Industrialists

Shrimati Renuka Devi Barkataki asked :

*212. Will the Minister, Industries be pleased to State—

(a) How many Industrialists from outside Assam have applied for establishment for Industries in Assam during 1971-72 and 1972-73 ?

(b) How many of them have actually come to Assam and started their Industry ?

(c) Whether these Industrialists have got any licence or letter of intent from the Central Government ?

(d) Whether a list of Industrialists mentioned in (a) with particulars of their industry will be furnished ?

Shri Mahammad Idris ( Minister, Industries ) replied :

2 2. (a)—7 in 1971 and 8 in 1972-73.

(b)—None.

(c)—Only one got a letter of inten'.

(d)—A list is placed on the Table of the House.

Smti. Renuka Devi Barkataki—Sir, in the list Govt. has supplied to us no mention has been made of the nature of industries—whether major, or small or big industries.

Shri Mahammad Idris ( Minister, Industries )— When the question of licence is there, it is either medium or major.

Smti. Renuka Devi Barkataki— The Minister has stated that out of these only one applicant has received the latter of intent from the Govt. of India. May I know what happened to the other applicants ?

Shri Mahammad Idris ( Minister )— In the year 1971-72 there were seven applicants, and out of these we recommended three cases. They were N.K. Bade of M/s Tata Oil Company Ltd. for manufacture of synthetic Household detergent ; R. N. Agarwalla of Everest Cycle Mercanile building, Calcutta, for the manufacture of Scooters This is an existing unit in Assam. They get a latter of intent from the Govt of India although our Directorate did not recommed this name. Then there is B. N. Bajoria for manufacture of vegetable oil and Banaspati. Only M/s Everest Cycle got a letter of intent for manufacture of scooters.

Smti. Renuka Devi Barkataki— Sir, the Minister has stated that only one party i. e. R N. Agarwalla has got letter of intent and that too without the recommendation of the Govt. of Assam. Whether they have started manufacture of scooters in place of cycles ?

Shri Mahammad Idris ( Minister )—This party has not taken any effective steps. I gather that they have assigned reasons saying that the conditions prevailing in the State in the year 1972 was not

favourable. They assigned another reason and that is that they were making attempts for collaboration with Mps Bajaj of Poona.

Smti. Renuka Devi Barkataki— Is Govt. aware that under this letter of intent this farm is getting raw materials and they are selling the same in the Calcutta market ?

Shri Mahammad Idris ( Minister )— Sir, it is not possible to get raw materials.

Shri Atul Saikia—Sir, for inducing industrialists to come to our State certain things are necessary They are : suitable plot of land, cheap electricity, approach road, water supply etc. May I know whether the Industries Department has specifically allotted certain zones or areas for development of medium type of industries in the State ?

Shri Mahammad Idris ( Minister )— This is separate question, Sir, I want notice.

Shri Kabir Chandra Rai Pradhani—Whether Government has any intention of welcoming outside industrialists ?

Shri Mahammad Idris ( Minister )— Our endeavour is to encourage local entrepreneurs as much as possible. But these are the few cases where we recommended some outside parties for obvious reasons.

Mr. Speaker— Whether it is the intention of the Government to invite outsiders ?

Shri Mahammad Idris ( Minister )— It is not the intention.

Shri Dulal Chandra Barua— Sir, we have found that in 1971-72 seven parties and in 1972-73 eight parties applied for establishment of industries. The Minister has stated that no industry has so far been started by these concerns. May I know whether Government made any attempt to encourage the local entreprerneurs to come for such industries.

Shri Mahammad Idris ( Minister )— Sir, these industries are medium in nature. We always encourage our local entrepreneurs whowever

shows any interest in such industries. When we have not got any such individual party to establish such industries we asked our Industrial Development Corporation to apply for a few of these items for letter of intent.

Shri Dulal Chandra Barua— Is Minister aware of the fact that for the manufacture of Household synthetic detergent some local entrepreneurs were coming np, if so, why this outside party was recommended ?

Shri Mahammad Idris ( Minister )— In the year 1971-72 there was no local applicant for this item.

শ্ৰীসোনেশ্বৰ বৰা—অধ্যক্ষ মহোদয়, যিবিলাক বাহিৰৰ লোকে অসমত উদ্যোগ পাতিবৰ বাবে আবেদন কৰিছে। তেওঁলোকৰ প্ৰত্যেকৰে অসমত বাহিৰৰ ৰাজ্যত নিজা নিজা উদ্যোগ আছে আৰু অসমত পাতিব খোজা উদ্যোগবোৰো আছে। এতেকে তেওঁলোকৰ প্ৰত্যেকজন উদ্যোগপতিয়ে স্থানীয় লোকৰ বাধাৰ প্ৰাচীৰ হিচাবেহে ইয়াত উদ্যোগ কৰিবলৈ বিচাৰিছে আৰু তেওঁলোকে ইয়াত উদ্যোগ পতাৰ অজুহাতলৈ অসমৰ বাহিৰত উৎপদান হোৱা বস্তুৰ কলনী বা বজাৰ হিচাবেহে অসমত উদ্যোগ প্ৰতিষ্ঠা কৰিবলৈ আহিছে। গতিকেই অসমত উদ্যোগ নহয় আৰু তেওঁলোকে নকৰে। এই কথা সঁচানে ?

শ্ৰীমহম্মদ ইদ্ৰিছ (উদ্যোগ মন্ত্ৰী)—তেখেত সকলৰ উদ্দেশ্যটো কি কোৱা টান কিন্তু আমাৰ চৰকাৰে হুচিয়াৰ হৈহে অনুমোদন কৰিবলগীয়া হয়।

We recommened only three ; they have not got the letter of intent as yet, but we are not sitting idle ...

Shri Dulal Chandra Barua— Sir, my question is that though Government recommended three out of seven, did Govt. take into consideration the real background of the company obtaining in other States and whether Government made any attempt to persuade and get the local entrepreneurs to come in for such kind of industries ; if so, whether it is a fact that for the No. 1 industries for household synthetic and detergent, any local party is coming up and if it is so, then why Govt. are not giving

proper guidance to these local ntrepreneurs to go ahead with such kind of industries ?

Shri Mahammad Idris ( Minister )—Sir, for item No. 1, household synthetic and detergent, I am repeatedly saying that for 1971-72, there were no local entreprencurs and nobody showed any interest, but with the inspiration of hon'ble questioner, if any local entrepreneurs apply for such license and if in fact local entrepreneurs are interested, we will make a joint effort.

শ্ৰীমতী ৰেৱতী দাস—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাবনে যিবিলাক উদ্যোগ অসমত প্ৰতিষ্ঠা কৰিবৰ কাৰণে ৰিক'মেণ্ড কৰা হৈছে সেই ৰিক'মেণ্ডশ্যন কি কি ভিত্তিত কৰা হৈছে আৰু স্থানীয় ল'ৰাক ইয়াৰ কিমান 'পাৰ্চেণ্ট' সুবিধা দিয়া হব ?

শ্ৰীমহম্মদ ইদ্ৰিছ (উদ্যোগ মন্ত্ৰী)—চাৰ, এইটো মেজৰ আৰু মিডিয়াম ইণ্ডাষ্ট্ৰীৰ ভিত্তিত কৰা হয়, আৰু সেই অনুযায়ী অসমত বা স্থানীয় ভাবে পাৰ্টি আছে নে নাই সেইটো চোৱা হয়, আৰু উপযুক্ত অনুসাৰে ৰিক' মেণ্ডশ্যন দিয়া হয়। মই আগতেই কৈছোঁ যে তেওঁলোকে এতিয়াও 'লেটাৰ অৰ ইণ্টেট' পোৱা নাই।

Shrimati Renuka Devi Barkataki – Sir, during the period of Shri Biswadev Sarma when he was Industries Minister, many of the industrialists from outside Assam including Tata, Birla, Himmatsingka and Somani, they created some sort of big pool in order to attract the local entrepreneurs in Assam to set up industries. May I know from the Minister how far that pool has been a success and how far it is helping the young entrepreneurs ?

Shri Mahammad Idris ( Minister )— To my knowledge, that organisation is not functioning.

Shrimati Tarulata Bora—Sir, on receipt of the letter of intent, the parties have managed to obtain raw materials, but have not in fact started industries and in such caees, what steps Govt. have taken ?

শ্ৰীসোনেশ্বৰ বৰা—অসমখনক উদ্যোগীকৰণ মূলক ব্যৱস্থাৰ দ্বাৰা অসমৰ উদ্যোগ পতিক বা অসমৰ যুৱকক এনে ধৰণৰ উদ্যোগীকৰণ কৰাৰ ক্ষেত্ৰত উৎসাহিত কৰা হৈছে নে নাই ?

শ্ৰীমহম্মদ ইদ্ৰিছ ( উদ্যোগ মন্ত্ৰী )—মাননীয় অধ্যক্ষ মহোদয়, মই ইতিমধ্যে কৈছোৱেই যে, মজলীয়াই হওঁক বা বৃহৎ উদ্যোগেই হওঁক ইয়াৰ কাৰণে যথেষ্ঠ পুঁজিৰ আৱশ্যক। সেইকাৰণেই আমাৰ ঔদ্যোগিক উন্নয়ণ নিগমৰ মাধ্যমেদি যিবিলাক লাইচেন্স আদি বিচাৰিছে সেই বিলাকত যদি আমাৰ স্থানীয় লোকসকলে সহযোগীতা কৰিবলৈ বিচাৰে তেতিয়াহলে সেই সকলক সহযোগিতা কৰাই হৈছে এই নিগমৰ মূল উদ্দেশ্য।

শ্ৰীঅতুল চন্দ্ৰ শইকীয়া—মাননীয় অধ্যক্ষ মহোদয়, মই আমাৰ মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা এইটো কথা জানিব পাৰোনে যে, আমাৰ কোনোবা জিলাক উদ্যোগত পিছপৰা বুলি ঘোষণা কৰা হৈছে নেকি আৰু যদি ঘোষণা কৰা হৈছে তেতিয়াহলে, এই যি বিলাক লাইচেন্স আদিৰ কথা কৈছে সেইবিলাক পালে সেই সেই পিছপৰা বুলি ঘোষিত জিলা বিলাকতেই সেইবিলাক উদ্যোগ পতাৰ ব্যৱস্থা কৰিব নেকি ?

শ্ৰীমহম্মদ ইদ্ৰিছ ( উদ্যোগ মন্ত্ৰী )—সেইটো বেলেগ প্ৰশ্ন।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা—এই যি কেইটা উদ্যোগ তেখেতে উল্লেখ কৰিলে সেই উদ্যোগ গঢ়িবলৈ যি বিলাক পাৰ্টি আহিছিল সেই সকলে যিহেতু আৰু আগনাবাঢ়িল তেনে ক্ষেত্ৰত মই জানিব বিচাৰিছোঁ এই যি পাৰ্টি উদ্যোগ কৰিবলৈ আগবাঢ়ি আহিছিল সেই সকলক উদ্যোগ পাতিবলৈ আগবাঢ়ি অহাৰ আগতে চৰকাৰে এই সকলক পাৰ্মিচন দিয়াৰ ক্ষেত্ৰত ভালধৰণে বিৱেচনা কৰিছিল নে ? তাৰ পিচত 'ৰ-মেটেৰিয়েলচ' বিশেষকৈ স্থানীয় কেচামালৰ ওপৰত বেচিচ কৰি এই উদ্যোগবিলাক পতাৰ বিৱেচনা কৰা হৈছে নে? আৰু আগতে যিসকলে আগবাঢ়ি আহি পিচত আগবাঢ়ি নাহিল সেইসকলক কেনচেল কৰি নতুনকৈ স্থানীয় যুৱকক স্থানীয় কেচামালৰ ওপৰত ভিত্তি কৰি উদ্যোগ গঢ়াৰ চেষ্টা কৰিবনে ?

শ্ৰীমহম্মদ ইদ্ৰিছ ( উদ্যোগ মন্ত্ৰী )—এই উদ্যোগ স্থানীয় কেচামালৰ ওপৰত ভিত্তি কৰিব পৰা বিধৰ নহয়, ইয়াৰ কাৰণে কেছামাল বাহিৰৰ পৰাহে আনিব লগা হয়। মই বাৰম্বাৰ কৈছো যে এই উদ্যোগ বিলাকৰ

'লাইচেন্সৰ' ক্ষেত্ৰত 'লেটাৰ অব ইণ্টেট' অবটেইও কৰা হোৱা নাই আৰু এই সংক্ৰান্তত যিমান দূৰ পৰা যায় কোনো স্থানীয় লোকে উদ্যোগ গঢ়াত সহযোগিতা কৰিবলৈ বিচাৰিলে চৰকাৰৰ পৰা সহায় সহযোগ আগবঢ়োৱাত উৎসাহিত কৰা হব।

## Re : Damage of Ring Bunds

Shri Tarun Chutia asked :

*213. Will the Minister, F C & I. be pleased to state—

(a) Whether it is a fact that the ring bunds of the Buri-dehing left bank on both sides of the Khowang bridge of the old A. T. Road were completely damaged by the floods of July, 1973 ?

(b) Whether it is also a fact that the said flood while eroding the said ring bund made a big ditch endangering further erosion by the river ?

(c) The number of families and the area of cultivable land around this eroded ditch

(d) Whether Government consider to reconstruct the ring bund in order to save the inhabitants near the said ring bund and also the main bund from further flood and erosion ?

(e) If so, whether the Government will take up the work immediately and complete it before the next monsoon ?

Shri Bishnu Prasad (Minister of State, Flood Control and Irrigation) replied :

213. (a)—Partly yes. There is only one small bund constructed by the local people from the old A. T Road towards downstream.

(b)—Yes, a big scour pits had been formed at the breach sites.

(c)—About 300 Nos. families and an area of about 3000 acres is affected.

(d) & (e)—The ring bund belongs to the local people and

reconstruction at this stage does not arise. There is however a proposal for construction of a ring bund in the area which is under consideration. No work however can be taken up before the next monsoon.

শ্ৰীতৰুণ চুতীয়া—অধ্যক্ষ মহোদয়, এই ৰিং বান্ধটোৰ ওপৰত যিটো গাত কৰিলে আৰু সেই গাতৰ ওপৰত যিটো মথাউৰি আছে সেই মথাউৰি আকৌ ভাঙি খহি যোৱাৰ সম্ভাৱনা তাত আমাৰ ৰাইজে দেখিছে গতিকে এনে ক্ষেত্ৰত এই মথাউৰিটো এই খৰালিতে ভাল কৰি প্ৰতিৰোধৰ ব্যৱস্থা নকৰিলে আমাৰ বহু সংখ্যক ৰাইজ এই বাৰিষাতে বানপানীত আক্ৰান্ত হোৱাৰ সম্ভাৱনা আছে। সেইকাৰণে মন্ত্ৰীমহোদয়ে এই বিষয়টো বিৱেচনা কৰি চাইছে নে ?

শ্ৰীবিষ্ণু প্ৰসাদ (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো বান্ধ নিৰ্মাণ কৰাৰ কথা কৈছে সেই বান্ধটো ৰাইজে নিৰ্মাণ কৰিছিল, আমাৰ ফালৰ পৰা হোৱা নাছিল কিন্তু মই কৈছোঁৱেই যে ৰাইজৰ ৰক্ষাৰ্থে আমি এটা নতুন ব্যৱস্থা কৰিব বিচাৰিছো আৰু সেইমতে এটা প্ৰস্তাৱো আমাৰ হাতত আছে, বান্ধ নিৰ্মাণৰ কাৰণে যিটো প্ৰস্তাৱ আমাৰ হাতত আছে সেইটো এতিয়া বিবেচনা কৰি থকা হৈছে।

শ্ৰীতৰুণ চুতীয়া—মন্ত্ৰী ডাঙৰীয়াই কোৱা মতে নতুন ৰিং বান্ধটোৰ এটা প্ৰস্তাৱ আছে কিন্তু এই বাৰিষাৰ আগতে সেই ৰিং বান্ধটো নহ'ব অৰ্থাৎ ৰিং বান্ধৰ কাম এই বাৰিষাৰ আগতে লোৱা নহ'ব। তাৰ ফলস্বৰূপে ৰাইজে সন্দেহ কৰে যে ঘাই ৰিং বান্ধটো ভাঙি যাব আৰু এতিয়া ৩০০ জন আক্ৰান্ত হৈছে আৰু অহা বাৰিষাত বানপানী হ'লে ডেৰ হাজাৰ মানুহ আক্ৰান্ত হ'ব, এই ক্ষেত্ৰত কি ব্যৱস্থা লবলৈ চিন্তা কৰিছে ?

শ্ৰীবিষ্ণু প্ৰসাদ (মন্ত্ৰী)—মই কৈছোঁয়েই যে অৰ্থৰ নাটনি হোৱা হেতুকেই এই ধৰণৰ কাম নতুনকৈ লব পৰা হোৱা নাই।

শ্ৰীমতী তৰুলতা বৰা—এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে জনালে যে এই বছৰ তাত বান্ধ হোৱাৰ কোনো সম্ভাৱনা নাই, এনে অৱস্থাত ইমানখিনি মানুহ আক্ৰান্ত হৈছে আৰু তাৰ লগতে আৰু ডেৰ হাজাৰ মানুহ আক্ৰান্ত

হ'ব বুলি প্ৰশ্নকৰ্তাই কৈছে গতিকে এই ক্ষেত্ৰত চৰকাৰৰ কোনো দায়িত্ব নাই নেকি ?

শ্ৰীবিষ্ণু প্ৰসাদ ( মন্ত্ৰী )—চৰকাৰৰ দায়িত্ব থাকিলেও অৰ্থ সংকটৰ কাৰণে কোনো ব্যৱস্থা হাতত লব পৰা নাই।

Shri Ramesh Mohan Kouli— Sir, in view of the fact that left side of the Burideching river is having constant erosion and flood this year and even last year also and there was huge damages to the people residing inside the bund and on the right side of the river. May I know from the hon'ble Minister incharge of Flood Control whether Government has decided or whether Government is considering construction of a ring bund in the right side, that is on the south banks of the river or on both sides of the Khowang bridge ?

Shri Bishnu Prasad ( Minister of State )— At the moment, we have no proposal to construct ring bund on the right side, but Govt. have proposals to construct such bund on the left side from Khowanghat to Halditai

Shri Ramesh Mohan Kouli— Whether Government realised the gravity of the situation that has been created due to constant damages to the area on both sides of the river and to the embankment ?

Shri Bishnu Prasad ( Minister of State )— Yes, Sir, but because of paucity of funds, work could not be accelerated.

Shri Ataur Rahman— Sir, in view of the paucity of funds will Govt. consider winding up the F. C. I. Department leaving the whole matter to the people ?

Shri Bishnu Prasad— That is a matter of opinion.

Shri Dulal Chandra Barua— Sir, the Minister said that for want of funds, the bund cannot be undertaken. But is it a fact that the Department is going to surrender about Rs. 2 crores as they could not spend the amount ? I want to know whether the Department is going to surrender any amount ?

Shri Bishnu Prasad— No. Sir.

শ্ৰীমতী ৰেণুকা দেবী বৰকটকী :— মন্ত্ৰী মহোদয়ে কৈছে যে বান্ধটো ৰাইজে বান্ধিছে, গতিকে এই বান্ধটো এতিয়া কৰাৰ প্ৰশ্ন নুঠে আৰু চৰকাৰে ভৱিষ্যতে চিন্তা কৰিব। এতিয়া পইচা নাই কাৰণে কৰিব পৰা নাই। মই বাৰে বাৰে কৈছো ৰিং বান্ধটো ৰাইজে দিয়াৰ কাৰণে চৰকাৰৰ দায়িত্ব নাই নেকি ? এই ৩০০ পৰিয়ালক ৰক্ষা কৰিবৰ কাৰণে এই ব্ৰিচটো বান্ধি দিয়াৰ কাৰণে চৰকাৰৰ কোনো দায়িত্ব নাইনেকি ?

শ্ৰীবিষ্ণু প্ৰসাদ—ৰাইজে যি বিলাক বান্ধ নিৰ্ম্মান কৰিছে সেই বিলাক লোৱাৰ কাৰণে প্ৰয়োজনীয় পুজিৰ অভাৱ বুলি মই আগতেই কৈছো। ৰাইজে নিৰ্ম্মাণ কৰা বান্ধ বিলাক চৰকাৰে ললেই সেই বিলাক একোটা নতুন কাম হৈ পৰে। আৰু যি কোনো নতুন কাম হাতত লবলৈ হলে বৰ্ডৰ এপ্ৰেভেল নোহোৱাকৈ চৰকাৰে লব নোৱাৰে।

শ্ৰীচুলাল চন্দ্ৰ বৰুৱা—মন্ত্ৰী মহোদয়ে জানেনে যে ৰাইজৰ তৰফৰ পৰা এই বান্ধটো চৰকাৰে লৈ মেৰামতি কৰিব লাগে বুলি। আজি বহুত দিনৰে পৰা চৰকাৰৰ ওচৰত আবেদন নিবেদন কৰিছে। গতিকে চৰকাৰে বিষয়টো বিবেচনা কৰি ইমান দিনে কিয় বৰ্ডৰ পৰা এপ্ৰেভেল নললে ? এই বান্ধটো ভঙাৰ ফলত ৰাইজৰ কোনো লোক হতাহত হলে সেই দায়িত্ব চৰকাৰে লবনে ?

শ্ৰীবিষ্ণু প্ৰসাদ—আমি পুজিৰ অভাবতে ইয়াৰ কাম হাতত লব পৰা নাই।

শ্ৰীচুলাল বৰুৱা—ৰাইজে এই সম্পৰ্কত বহু দিনৰ পৰা আপত্তি দৰ্শাই আহিছে। গতিকে এই প্ৰপজেলটো কিয় বৰ্ড অব কনচালটেণ্টৰ আগত দাঙি ধৰি আলোচনা কৰি এই পজেক্টটো কৰা সম্পৰ্কত সিদ্ধান্ত গ্ৰহণ কৰিছিল নে নাই ? যদি কৰা নাই তেন্তে বানত বিধ্বস্ত হোৱা মানুহ খিনিৰ দায়িত্ব চৰকাৰে লব নে নাই ?

শ্ৰীবিষ্ণু প্ৰসাদ—ৰাইজৰ ফালৰ পৰা প্ৰস্তাব আহিছে আৰু খোৱাংৰ পৰা ছালধিবাৰীলৈ ১০ কিঃ মিঃ ৰাস্তাৰ ৰিং বান্ধটো কৰিব বিচাৰিছো।

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী—এতিয়া দেখা গৈছে বঙা ফিটাৰ মেৰ পাকত পৰি পলম হৈছে। যিহেতু বৰ্ড অব কনচালটেণ্টলৈ যোৱা নাই, বি, এফ, চিলৈ যোৱা নাই, এই বান্ধটো কৰিব পৰা নাই। ৰাইজৰ ফালৰ পৰা ডিমাণ্ড আহিছে আৰু চৰকাৰে অনুভৱ কৰিছে যে বান্ধটো কৰিব

লাগে। চৰকাৰে ৰাইজক বহুত প্ৰতিশ্ৰুতি দি আহিছে। এই প্ৰতিশ্ৰুতি ৰক্ষা কৰিবৰ কাৰণে ২০-২৫ হাজাৰ টকা খৰছ কৰি কিয় নিজে কৰিব পৰা নাই? বৰ্ড অব কনচালটেণ্টৰ ওপৰত কিয় আশা কৰি থাকিব লগা হৈছে?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—অধ্যক্ষ মহোদয়, ইফালে ক'লেও লেঠা সিফালেও ক'লে লেঠা। এই কামটো ৰাইজে কৰিছে, বিভাগে নললে বৰ্ড অব কনচালটেণ্ট কৰিব নোৱাৰে। এই বান্ধটো বৰ্ড অব কনচালটেণ্ট কৰিব লাগিলে স্পেচিফিক হৈছে নে নাই আদি নানা কথা চাব লাগিব। যদি ৰাইজৰ কথা মতে লোৱা হয় তেন্তে কব যে নভবা নিচিন্তাকৈ কিয় লোৱা হ'ল? গতিকে বৰ্ড অব কনচালটেণ্টৰ পৰামৰ্শ লোৱাটো অপৰিহাৰ্য্য। এই প্ৰপজেলটো গ্ৰহণ কৰিবলৈ হলে নানা কথা আহিব, বৰ্ড অব কনচালটেণ্টৰ টেকনিকেলৰ লগত পৰামৰ্শ কৰিবলৈ বাধ্য। সেই হিচাবে কাম কৰা হৈছে, অৱশ্যে ৰঙা ফিটাৰ মেৰ পাক থাকিব। সেই কাৰণে ৰাইজ বান্ধ বান্ধিলেও বৰ্ড অব কনচাল্টেণ্টৰ পৰামৰ্শ লব লাগিব।

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড—বৰ্ড অব কনচালটেণ্টক কেতিয়া দিয়া হৈছিল আৰু ৰিজেক্ট কৰিছে নেকি?

শ্ৰীবিষ্ণু প্ৰসাদ—এইটো ৰাইজে বন্ধা বান্ধ, গতিকে বৰ্ড অব কনচালটেণ্টক দিয়াৰ প্ৰশ্ন নুঠে।

শ্ৰীদুলাল বৰুৱা—মন্ত্ৰী মহোদয়ে যিটো উত্তৰ দিলে সেই মতে মুখ্যমন্ত্ৰীৰ কথাটো তল পেলালে। এইটো ৰাইজে বাৰম্বাৰ কৰি অহা দাবী, গতিকে এই বিষয়টো কিয় বৰ্ড অব কনচালটেণ্টক দিয়া হোৱা নাই?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—আমি ৰাইজৰ সকলো দাবী, বৰ্ড অব কনচালটেণ্টক দিলো। বাজেটৰ গোটেই টকা তাতেই ধৰিব লাগিব। এই ধৰণে আমি বহু ৰাইজৰ দাবী আমি দিব পৰা নাই, তাৰ ভিতৰত এইটোও।

শ্ৰীদুলাল বৰুৱা—কিছুমান বিষয়ত চৰকাৰে প্ৰায়ৰিটি দিয়ে। গতিকে এই বিষয়টোত কিয় প্ৰায়ৰিটি দিয়া হোৱা নাই?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—সময় মতে দিয়া হ'ব।

### বিঃ দেৰগাওঁ পুলিচ ট্ৰেইনিং কলেজ

শ্ৰীনগেন বৰুৱাই সুধিছে—

*২১৪। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) দেৰগাওঁ পুলিচ ট্রেইনিং কলেজৰ প্রাঙ্গণত গড়কাপ্তানী বিভাগৰ কিমান ঘৰ-বাৰী আছে ?

(খ) এই ঘৰ বাৰীবোৰৰ তত্বাৱধান গোলাঘাট সংমণ্ডলৰ পৰা অন্য সংমণ্ডলৰ অধীনলৈ নিয়াৰ কাৰণ কি ?

(গ) দেৰগাওঁ, বোকাখাট আদি অঞ্চলৰ গড়কাপ্তানী বিভাগৰ ঘৰ-বাৰীবোৰৰ আৰু উক্ত কলেজ প্রাঙ্গণৰ ঘৰ-বাৰীবোৰৰ তত্বাৱধানৰ বাবে দেৰগাওঁত এটা নতুন উপসংমণ্ডল স্থাপনৰ প্রয়োজনীয়তাৰ দাবীৰ সন্দৰ্ভত চৰকাৰে কি সিদ্ধান্ত লৈছে ?

ডাঃ লুটফুৰ ৰহমান (গড়কাপ্তানী বিভাগৰ মন্ত্রী)যে উত্তৰ দিছে :

২১৪। (ক) সৰ্বমুঠ ২৭৩ টা (দুশ তেষত্তৰ) ঘৰ গড়কাপ্তানী বিভাগৰ তত্বাৱধানত আছে।

(খ) পূৰ্বৰ যুক্ত ব্যৱস্থা সলনি কৰি ঘৰ-বাৰী আৰু আলি-পদূলিৰ বাবে সুকীয়া সংমণ্ডল গঠণ কৰাৰ ফলত এই পৰিবৰ্ত্তন হৈছে।

(গ)—চৰকাৰে এনে এটা উপসংমণ্ডল স্থাপনৰ আৱশ্যকতা বৰ্তমান বোধ নকৰে।

শ্রীনগেন বৰুৱা—এই কাম বিলাক যোৰহাট সংমণ্ডলত জাপি দিয়াৰ কাৰণে ঠিকাদাৰ সকলৰ ঘৰ-দুৱাৰ আদি সজাত অসুবিধা হয়। গতিকে এই অসুবিধা দূৰ কৰিবৰ কাৰণে গোলাঘাট সংমণ্ডলত জাপি দিয়াৰ ব্যৱস্থা কৰিবনে ?

ডঃ লুটফুৰ ৰহমান—দেৰগাঁওৰ পৰা গোলাঘাট আৰু যোৰহাট সমান দূৰত অৱস্থিত। গতিকে কষ্ট হৈছে বুলি মই নাভাবো।

শ্রীনগেন বৰুৱা—চিভিল ডিভিজনত ৰখাত কি অসুবিধা আছে ?

ডঃ লুটফুৰ ৰহমান—সকলো ডিভিজন চিভিল ডিভিজনত ৰাখিব নোৱাৰো। তাৰোপৰি ডিভিজনৰ কোনো বাউণ্ডৰী নাই।

### ৰিঃ সুমথিৰা টেঙাৰ খেতি

শ্রীমতী তৰুলতা বৰাই সুধিছে :

*২১৫। মাননীয় কৃষি বিভাগৰ মন্ত্রী মহোদয় অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত সুমথিৰা টেঙাৰ খেতিৰ সম্প্ৰসাৰণৰ বাবে চৰকাৰৰ ওচৰত পঞ্চম পৰিকল্পনাত কি কি আঁচনি ধৰা হৈছে জনাবনে ?

(খ) বৰ্তমান অসমত কিমান একৰ মাটিত সুমথিৰাৰ খেতি আছে ?

(গ) অসমৰ কোন কোন জিলাত আটাইতকৈ বেছি সুমথিৰা উৎপন্ন হয় জনাবনে ?

শ্ৰীউপেন্দ্ৰ দাস (কৃষি বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

২১৫। (ক)—পঞ্চম পৰিকল্পনাৰ কালছোৱাৰ ভিতৰত সুমথিৰা টেঙাৰ খেতিৰ সম্প্ৰসাৰণৰ বাবে তলত দিয়া আঁচনি কেইখন ধৰা হৈছে।

(১) মঙ্গলদৈ আৰু তিনিচুকীয়া মহকুমাত একোখন কৈ ডাঙৰ নৰ্চাৰী আৰু "প্ৰজনী" বাগিছা।

(২) অন্যান্য ফল-মূলৰ ওপৰি সুমথিৰা টেঙাৰ সংযুক্ত উদ্যান আঁচনি।

(৩) ডুমডুমা, হাপজান, ডিমৰীয়া আৰু অন্যান্য অঞ্চলত বৰ্তমান থকা সুমথিৰা টেঙা খেতি পুনৰ সচ্ছল অৱস্থালৈ অনা।

(খ)—আনুমানিক ৪,০০০ একৰ।

(গ)—ডিব্ৰুগড়, দৰং, কামৰূপ, শিৱসাগৰ আৰু উত্তৰ কাছাৰ জিলা।

শ্ৰীমতী তৰুলতা বৰা—অধ্যক্ষ মহোদয়, এইখিনিতে মই মন্ত্ৰী মহোদয়ক এটা কথা সুধিব বিচাৰো যে কমলা বাৰি বিলাকত যিটো বেমাৰ লাগিছে সেই বেমাৰ নিৰাময় কৰিবৰ কাৰণে চৰকাৰে কিবা ব্যৱস্থা কৰিছে নে ?

শ্ৰীউপেন্দ্ৰ দাস ( মন্ত্ৰী, কৃষি বিভাগ )—অধ্যক্ষ মহোদয়, এই বেমাৰ আজি বহুদিনৰ পৰা চলি আছে, ভাৰতৰ বাহিৰৰ পৰাও বিশেষজ্ঞ আনিও পৰীক্ষা-নিৰীক্ষা কৰোৱা হৈছে। কিন্তু তাৰ কোনো সিদ্ধান্ত আমাক এতিয়ালৈকে দিব পৰা নাই। সেইকাৰণে বেমাৰো নিৰাময় হোৱা নাই। আনহাতে আমাৰ তৰফৰ পৰা এইটো ঠিক কৰা হৈছে যে যদি বাগিছা-বোৰ চাফ-চিকুনকৈ ৰখা হয় আৰু ঔষধ চতিওৱা হয় তেন্তে বেমাৰ কিছু পৰিমাণে কমি আহিব।

শ্ৰীতুলাল চন্দ্ৰ খাউণ্ড—অধ্যক্ষ মহোদয়, তিনিচুকীয়া হাপজান, ডুমডুমা ইত্যাদি অঞ্চলৰ যিবিলাক কমলা বাৰী সেইবিলাক সাধাৰণতে জনজাতীয় লোকৰ বাৰী। সেই বাৰীবিলাকত তেওঁলোকে ভালকৈ পৰিচালনা কৰা কামত খৰচ-

পাতি কৰিব নোৱাৰে, ফলত তিনচুকীয়া, ডিব্ৰুগড় অঞ্চলৰ ডাঙৰ ডাঙৰ মহাজনৰ ওচৰত বন্ধক দিব লগা হৈছে। সেইবিলাকত চৰকাৰে কিছু পৰিমাণ ওৱৰ্কিং কেপিটেলৰ সাহাৰ্য্য দি সেই বাৰীবিলাক যাতে মহাজনৰ হাতলৈ নাযায় তাৰ কিবা এটা ব্যৱস্থা কৰিবনে কি?

শ্ৰীউপেন্দ্ৰ দাস ( কৃষি বিভাগৰ মন্ত্ৰী )—অধ্যক্ষ মহোদয়, যিবিলাকৰ কমলা বাৰী থাকে সেই বিলাকৰে মাটি থাকে, বাৰী থাকে আৰু সম্পত্তি থাকে। তেওঁলোকে বেংকৰ পৰা ধাৰ লৈ সেই বাৰী বিলাকৰ উন্নতি সাধন কৰিব পাৰে। সদস্য গৰাকীয়ে উল্লেখ কৰাৰ দৰে তেনে কোনো আঁচনি চৰকাৰৰ নাই।

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে ভাৰতবৰ্ষৰ বাহিৰৰ পৰা বিশেষজ্ঞ অনাৰ কথা কৈছে। মন্ত্ৰী মহোদয়ে এইটো কথা জানেনে কি যে অষ্ট্ৰেলিয়াত তেনে বহুত ভাল বিশেষজ্ঞ আছে—তাৰ পৰা অনাৰ ব্যৱস্থা চৰকাৰে কৰিবনে কি?

( উত্তৰ নাই )

শ্ৰীকবীৰ চন্দ্ৰ ৰয় প্ৰধানী—অধ্যক্ষ মহোদয়, অসমৰ ভিতৰত কোনখন জিলাৰ কমলা টেঙা ভাল, মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীউপেন্দ্ৰ দাস ( কৃষি মন্ত্ৰী )—সেই কথা মোতকৈ মাননীয় সদস্য গৰাকীয়ে বেছি জানে। কামৰূপ জিলাৰ সোণাপুৰত ভাল কমলা হয়।

শ্ৰীমতী তৰুলতা বৰা—অধ্যক্ষ মহোদয়, আৰু এটা প্ৰশ্ন মই সুধিব খুজিছো—বৈজ্ঞানিক পদ্ধতিৰে কমলা খেতি কৰিবৰ কাৰণে আমাৰ কিছুমান থলুৱা ল'ৰাক ট্ৰেনিং দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিবনে?

শ্ৰীউপেন্দ্ৰ দাস ( কৃষি মন্ত্ৰী )—কিছুমান ল'ৰাক ট্ৰেনিং দিয়াৰ ব্যৱস্থা কৰা হৈছে।

শ্ৰীমতী তৰুলতা বৰা—অধ্যক্ষ মহোদয়, মই এটা স্পষ্টীকৰণ বিচাৰিছো। মন্ত্ৰী মহোদয়ে যি প্ৰশিক্ষণৰ কথা ক'লে মই জনাত সেইটো ফল-মূল কেনেকৈ সংৰক্ষণ কৰি ৰাখিব লাগে তাৰহে প্ৰশিক্ষণ, কমলা খেতি কেনেকৈ কৰিব লাগে সেই বিষয়ৰ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিবনে?

শ্ৰীউপেন্দ্ৰ দাস ( কৃষি মন্ত্ৰী )—অসম কৃষি বিশ্ববিদ্যালয়ত এই বিষয়ৰ প্ৰশিক্ষণো দি থকা হৈছে।

শ্ৰীতুলাল চন্দ্ৰ খাউণ্ড—অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে যাৰ কমলা বাৰী আছে তেওঁলোকে বেংকৰ পৰা ঋণ লোৱাৰ কথা ক'লে, কিন্তু মন্ত্ৰী মহোদয়ে এইটো কথা জানেনে কি যে যাৰ যাৰ কমলা বাৰী আছে তেওঁলোকৰ পিৰিয়দিকেল পট্টা নাই, যাৰ ফলত বেংকৰ পৰা ঋণ লব নোৱাৰে আৰু মহাজন বিলাকে কেবল নিমখ আৰু কেৰাচিন তেল দি দি তিনচুকীয়া আদি অঞ্চলৰ কমলা বাৰীবোৰ লৈ আছে?

শ্ৰীউপেন্দ্ৰ দাস (কৃষি মন্ত্ৰী)—সেই খবৰ মোৰ হাতত নাই।

শ্ৰীআটাউৰ ৰহমান—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এই সম্পৰ্কত যিবিলাক আঁচনি লোৱাৰ কথা ক'লে সেই আঁচনি বিলাক পঞ্চম পৰিকল্পনাৰ অন্তৰ্ভুক্ত নে বেলেগ আঁচনি?

শ্ৰীউপেন্দ্ৰ দাস (কৃষি মন্ত্ৰী)—বেলেগ আঁচনি নহয়।

শ্ৰীমতী ৰেৱতি দাস—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ক এটা কথা সুধিব খুজিছো—অসমত উৎপন্ন হোৱা কমলা টেঙাবোৰ অসমৰ বাহিৰলৈ যায় নে? যদি যায় তেন্তে তাৰপৰা লাভবান হোৱাৰ কাৰণে চৰকাৰে কি কি ব্যৱস্থা লৈছে?

শ্ৰীউপেন্দ্ৰ দাস (কৃষি মন্ত্ৰী)—যি খেতিয়কে কমলা খেতি কৰে সেই খেতিয়কেই তাৰ লাভ পায়।

শ্ৰীহুলাল চন্দ্ৰ বৰুৱা—অধ্যক্ষ মহোদয়, এইটো এটা গুৰুত্বপূৰ্ণ কথা। ভাল প্ৰচেচ-মতে যদি কমলা খেতি কৰা হয় তেন্তে ইয়াৰ উৎপাদন বৃদ্ধি পাব আৰু ইয়াৰ দ্বাৰা একোটা উদ্যোগো গঢ়ি তুলিব পৰা হ'ব। এই অৱস্থাৰ পৰিপ্ৰেক্ষিতত চৰকাৰৰ ফালৰ পৰা কিছু আঁচনি গ্ৰহণ কৰি কমলা টেঙাৰ কাৰণে একোখন ফাৰ্ম খোলাৰ ব্যৱস্থা কৰিব লাগে। এই ব্যৱস্থা চৰকাৰে কৰিবনে কি? আন এটা প্ৰশ্ন হৈছে এই যে মন্ত্ৰী মহোদয়ে যি প্ৰশিক্ষণৰ কথা ক'লে সেই প্ৰশিক্ষণ কমলা খেতি কৰিবৰ কাৰণে হয়নে নহয়? যদি নহয় তেন্তে কৃষি বিশ্ববিদ্যালয়ৰ যোগেদি এই বিষয়ৰ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিবনে?

শ্ৰীউপেন্দ্ৰ দাস—অধ্যক্ষ মহোদয়, পঞ্চম পঞ্চবাৰ্ষিক পৰিকল্পনাত এককোটি টকা ধাৰ্য্য কৰা হৈছে, তাৰে বিভিন্ন আঁচনি গ্ৰহণ কৰা হৈছে। এক কোটি

টকা ফল-গুলৰ কাৰণে ধৰা হৈছে। এই আঁচনি বিলাক কাৰ্য্যকৰী কৰিবৰ কাৰণে যিমান পৰা যায় সিমান চেষ্টা কৰিব লাগিব।

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড—অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ক এটা কথা সুধিব খুজিছো প্ৰথম বছৰ কোন কোন কেইটা আঁচনি গ্ৰহণ কৰা হ'ব ?

শ্ৰীউপেন্দ্ৰ দাস ( কৃষি মন্ত্ৰী )—যি কেইটা আঁচনি লোৱা হ'ব সেই কেইটাই গ্ৰহণ কৰা হ'ব ?

শ্ৰীমতী তৰুলতা বৰা—অধ্যক্ষ মহোদয়, এগ্ৰিকালচাৰ ইউনিভাৰচিটিৰ পৰা প্ৰশিক্ষণ লৈ পাছ কৰা কিমান লোকে খেতি কৰিছে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীউপেন্দ্ৰ দাস ( কৃষি মন্ত্ৰী )—সেই খবৰ মোৰ হাতত নাই।

**Re : Representation of S. T and S. C in Regional Boards**

Shri Romesh Mohan Kouli asked :

*216. Will the Minister, Education be pleased to state—

(a) Whether there is a provision for inclusion of membe s belonging to Scheduled Tribes and Scheduled Castes in the Regional Boards for Elementary Education ?

(b) If so, the names of the Regional Boards unrepresented by the Scheduled Tribes and Scheduled Castes people ?

Shri Hiteswar Saikia ( Minister of State, Education ) replied :

216. (a)— o.

(b)—Does not arise.

Shri Ramesh Mohan Kauli—Sir, in reply to the question (a) & (b) the Minister has said 'No'. May I know whether there is any Constitutional provision for representation of Scheduled Caste and Scheduled Tribe members to represent in the Board, and on what basis the reply is in the negative ?

Shri Hiteswar Saikia—There is no provision in the Act.

Shri Ramesh Mohan Kauli—Whether there is any Constitutional provision ?

Shri Hiteswar Saikia—So far as the Act is concerned under which the Board is formed there is no such provision.

শ্ৰীজগদীশ দাস—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে প্ৰথম প্ৰশ্নোত্তৰত 'ন' বুলি কৈছে ঃ কিন্তু এইবাৰ যিবিলাকত চাকৰি আদি দিয়া হ'ব সেইবিলাকত শতকৰা ৬০ ভাগ অ, বি, চি আৰু অনুসূচীত জাতি আৰু জনজাতিৰ লোকক দিয়া হ'বনে নহয় সেইটো ইন্টাৰেষ্ট দি কোনে চাব ?

Shri Hiteswar Saikia (Minister)—Sir, I think a Separate Notice will be required your that.

শ্ৰীদেবেন বৰা—অধ্যক্ষ মহোদয়, এতিয়া ৰেজিয়নেল বোৰ্ডৰ কাৰ্য্যকাল শেষ হৈছে নেকি ? যদি হৈছে সেইবিলাক পুনৰ গঠন কৰাৰ কিবা ব্যৱস্থা চৰকাৰে কৰিছেনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া—এইটোৰ বেলেগ প্ৰশ্ন লাগিব।

Shri Giasuddin Ahmed—Sir, the Minister has stated that there is no provision for inclusion of members belonging to Scheduled Tribes and Scheduled Castes in the Regional Boards for Elementary Education. But there is a provision that Govt. can nominate as many as 4 ( four ) members. So, Sir, while nominating m mbers, whether Govt will consider the matter for inclusion of members belonging to Scheduled Castes and Scheduled Tribes in the Regional Boards for Elementary Education ?

Shri Hiteswar Saikia ( Minister of State )— Sir, I will read out the relevant provision of the Act. and then I will come to the other point. It reads liks this "persons not exceeding four to be nominated by the State Govt. to represent such interests as deemed necessary by the State Govt". So, Sir, while nominating members, we will look into it.

শ্ৰীহাচিবুদ্দিন আহমেদ—অধ্যক্ষ মহোদয়, ৰিপ্ৰেজেনটেচন দিয়াৰ পাছত সেই সমষ্টিৰ অনুসূচীত জাতিৰ লোকক এই বৰ্ডত সদস্য দিয়াত কিবা বাধা আছে নেকি ? যদি নাই তেন্তে কিয় দিয়া নাই ?

শ্ৰীহিতেশ্বৰ শইকীয়া—সেইটো নিজৰ কথা। সদস্য, মন্ত্ৰী বা এম, এল, এ,-য়ে বোৰ্ডলৈ নিজৰ প্ৰতিনিধি পঠাব পাৰে।

শ্ৰীলীলাকান্ত দাস—অসমৰ অনুসূচীত জাতিৰ এছোচিয়েচন আৰু অসমৰ জন-

জাতিৰ এছোচিয়েচন তেওঁলোকৰ পৰা তেওঁলোকে প্ৰতিনিধিত্ব পাবৰ কাৰণে অসম চৰকাৰৰ ওচৰত আবেদন জনাইছিল নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া—তেনেকুৱা কোনো আবেদন পোৱা নাই।

Shri Dulal Chandra Barua-- Sir, the Hon'ble Minister of State has replied that there is no provision for inclusion of members belonging to Scheduled Tribes and Scheduled Castes in the Regional Boards for Elementary Education. But may I know from the Minister of State whether Govt. is aware of the fact that at the time of constituting such kinds of Boards there was a policy decision of the Govt. for inclusion of members belonging to Scheduled Tribes and Scheduled Castes in the Regional Boards for Elementary Education? If so, then how the Minister could reply that there is no provision?

Shri Hiteswar Saikia (Minister of State)— Sir, I have said so from the provision of the Act.

Shri Dulal Chandra Barua— Sir, my point is that whether Govt. is aware of the fact that there is a policy decision for inclusion of members belonging to Scheduled castes and Scheduled Tribes in the Boards?

Shri Hiteswar Saikia (Ministe)—Sir, the question is very specific—whether there is any provision-and my reply is 'no'.

Mr. Speaker—His question is whether there is any policy decision?

Shri Sarat Chandra Sinha (Chief Minister)—Sir, so far as the policy is concerned Mr. Barua is correct. But Sir, there is a handicap and the Boards to be constituted according to the provision of the provision of the Act. In the Act. there is no such provision. Therefore, Sir, the answer to this question is 'no'.

শ্ৰীজগদীশ দাস—অধ্যক্ষ মহোদয়, বোৰ্ডত অনুসূচীত জাতি আৰু জনজাতিৰ সদস্য নথকাৰ কাৰণে বহুতো ক্ষেত্ৰত চাকৰি আদি দিয়াত খেলি-মেলিৰ সৃষ্টি হৈছে আৰু তেওঁলোকক সকলোতে বঞ্চিত কৰিছে—সেই কথা লক্ষ্য ৰাখি চৰকাৰে এই বোৰ্ডত তেওঁলোকৰ সদস্য লোৱাৰ কাৰণে সিদ্ধান্ত লবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া—সেইটো বিবেচনা কৰা হ'ব।

Shri Ramesh Mohan Kouli—Sir, there is a constitutional provision to safeguard the interests of the minority community. At the same-time, there is a policy decision for inclusion of members belonging to Scheduled Castes and Scheduled Tribes in the Regional Board for Elementary Education. Sir, in view of this, may I know whether Govt. will consider the proposal for inclusion of members belonging to Scheduled Castes and Scheduled Tribes in the Regional Boards for Elementary Education?

শ্ৰীহিতেশ্বৰ শইকীয়া—মই কৈছোৱেই, বিবেচনা কৰি চোৱা হ'ব বুলি?

## বিঃ শকুন্তলা কুমাৰী

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকীয়ে সুধিছে :

*২১৭। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) যোৰহাট চিভিল হস্পিতালত চিকিৎসাধীন হৈ মৃত্যু হোৱা শকুন্তলা কুমাৰী নামৰ দহ বছৰীয়া ছোৱালী এজনীৰ মৃতদেহ পিতৃ-মাতৃক দিয়া সময়ত চকু দুটা নোহোৱা হোৱা কথাটো সঁচানে ?

(খ) যদি সঁচা হয়, মৃত ছোৱালীজনীৰ চকু দুটা কোনে নিলে ?

শ্ৰীছত্ৰসিং টেৰণ ( স্বাস্থ্য বিভাগৰ মন্ত্ৰী )-য়ে উত্তৰ দিছে :

২১৭। (ক) আৰু (খ)—শকুন্তলা কুমাৰী নামৰ ছোৱালীজনীৰ যোৱা ২৯।১২।৭৩ তাৰিখে যোৰহাট চিভিল হস্পিতালত মৃত্যু হয়। মৃত দেহাটো ছোৱালী জনীৰ বাপেকে ৩১।১২।৭৩ তাৰিখে হস্পিতালৰ মৰ্গৰ পৰা লৈ যায়। ছোৱালীজনীৰ মৃত দেহটো হস্পিতালৰ পৰা নিয়া সময়ত বাপেকে চকু দুটা নথকা বুলি কোনো অভিযোগ তোলা নাছিল।

ছোৱালীজনীৰ বাপেকে মৃত দেহটো তেওঁৰ জিম্মাত এদিন ৰাখি ১।১।৭৪ তাৰিখে পুতি থয়। ইয়াৰ ৮ দিন পিচত অৰ্থাৎ ৯।১।৭৪ তাৰিখে তেওঁ দেৰগাওঁ পুলিচ থানাত এটা অভিযোগ দিয়ে। সেই অভিযোগৰ মৰ্মে জিলাৰ উপায়ুক্তৰ নিৰ্দ্দেশত ১০।১।৭৪ তাৰিখে মৰাশটো মাটিৰ

তলৰ পৰা খান্দি উলিওৱা হয় আৰু মিলিটাৰী হস্পিতালৰ ডাক্তৰৰ হতুৱাই মৰণোত্তৰ পৰীক্ষা কৰোৱা হয়।

মিলিটাৰী হস্পিতালৰ ডাক্তৰৰ মতে চকু দুটা মৃত্যুৰ পাছত বিছিন্ন হয় আৰু কোনো পাৰ্গত ব্যক্তিয়ে অস্ত্ৰোপ্ৰচাৰ কৰি বাহিৰ কৰা নাই।

এই ঘটনা সম্পৰ্কে জিলাৰ অতিৰিক্ত উপায়ুক্তই এটা তদন্ত কৰিছে। তেওঁৰ প্ৰতিবেদন এতিয়াও চৰকাৰৰ হাতত পৰা নাই।

### বিঃ শকুন্তলা কুমাৰী

শ্ৰীতুলসী দাসে সুধিছে:

*২১৮। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ১৯৭৩ চনৰ ডিচেম্বৰ মাহত যোৰহাট চিভিল হস্পিতালত ৰোগ চিকিৎসা কৰিবৰ বাবে দেৰগাওঁৰ শ্ৰীশকুন্তলা কুমাৰী নামৰ কম বয়সীয়া এজনী ছোৱালী ভৰ্ত্তি কৰাৰ কথা সঁচানে?

(খ) যদি সঁচা হয়, তেন্তে চিকিৎসালয়ত কিমান দিন চিকিৎসা কৰাৰ পাছত ছোৱালীজনীক মাক-দেউতাকক গটাই দিছিল?

(গ) এই কথা সঁচানে যে ছোৱালীজনীক মাক-বাপেকক গটাই দিওতে চকু দুটা নাছিল আৰু মুখখন চিলোৱা আছিল?

(ঘ) যদি সঁচা হয়, কিয় চকু দুটা নাছিল আৰু মুখখন চিলোৱা আছিল?

শ্ৰীছত্ৰসিং টেৰণ (স্বাস্থ্য বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে:

২১৮। (ক)—হয়।

(খ)—কনজেষ্টিভ্ কাৰ্ডিয়াক ফেইলাৰৰ বাবে ১৭।১২।৭৩ তাৰিখে ছোৱালীজনীক যোৰহাট চিভিল হস্পিতালত ভৰ্ত্তি কৰা হয়। সম্ভৱপৰ সকলো পৰীক্ষা আৰু চিকিৎসা কৰা স্বত্বেও ২৯।১২।৭৩ তাৰিখে ছোৱালীজনীৰ মৃত্যু হয় আৰু ৩১।১২।৭৩ তাৰিখে মৃত ছোৱালীজনীৰ বাপেকে মৰাশটো হস্পিতালৰ পৰা লৈ যায়।

(গ) আৰু (ঘ) মৃত দেহাটো নিয়াৰ সময়ত বাপেকে চকু দুটা নথকা আদি কোনো অভিযোগ তোলা নাছিল। ৩১।১২।৭৪ তাৰিখে মৃত দেহাটো নি বাপেকে তেওঁৰ জিম্মাত এদিন ৰাখি ১।১।৭৪ তাৰিখে পুতি থয়। ৯।১।৭৪ তাৰিখেহে তেওঁ দেৰগাওঁ পুলিচ থানাত এটা অভিযোগ দিয়ে। সেই

অভিযোগ অনুসৰি জিলাৰ উপায়ুক্তৰ নিৰ্দ্দেশত মৰাশটো গাতৰ পৰা উলিয়াই মিলিটাৰী হস্পিতালত মৰোণোত্তৰ পৰীক্ষা কৰা হয়। মিলিটাৰী হস্পিতালৰ ডাক্তৰৰ মতে মৃত ছোৱালীজনীৰ চকু দুটা মৃত্যুৰ পাছত বিছিন্ন আৰু কোনো পাৰ্গত ব্যক্তিয়ে অস্ত্ৰোপ্ৰচাৰ কৰি বাহিৰ কৰা নাই। মুখখন চিলোৱাৰ কথা একো জনা হোৱা নাই। এই বিষয়ে জিলাৰ অতিৰিক্ত উপায়ুক্তই এটা তদন্ত কৰিছে। তেওঁৰ প্ৰতিবেদন চৰকাৰৰ হাতত এতিয়াও পৰা নাই।

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী—অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ক সুধিব বিচাৰিছো যে ২৯-১০-৭৩ চনৰ পৰা আজিলৈকে এই দুমাহ আঢ়ৈ মাহ হ'ল—ইমানখিনি সময়ৰ ভিতৰতো কিয় জিলাৰ উপায়ুক্তই ৰিপৰ্ট দাখিল কৰিব পৰা নাই? আৰু এইটো কথা মন্ত্ৰী মহোদয়ে চাইছেনে যে মৰ্গৰ অৱস্থাটো কেনে? যি ঠাইত মৰাশ জমা কৰি ৰাখিছে তাত দুৱাৰ-খিৰিকী ভঙা আৰু সদায়েই খোলা থাকে—যাৰ ফলত কাউৰী, শগুন সোমাই যোৰহাট হাস্পাতালত মৃতকৰ অঙ্গ-পতঙ্গ কাঢ়ি নিয়া কথাটো সঁচানে?

শ্ৰীছত্ৰসিং টেৰণ—মৰ্গৰ অৱস্থাৰ বিষয়ে খবৰ কৰিছিলো, তাত কাউৰী-শগুন সোমাব নোৱাৰে বুলি আমালৈ খবৰ আহিছে। তাৰ পিছত তাত সেই ছোৱালীজনীৰ কোনো অঙ্গ-পতঙ্গ হানি হোৱা বুলিও আমি কোনো ৰিপৰ্ট পোৱা নাই।

শ্ৰীতুলসী দাস—অধ্যক্ষ মহোদয়, ছোৱালীজনীৰ বাপেকে পুলিচ থানাত কি বুলি অভিযোগ দিছিল?

শ্ৰীছত্ৰসিং টেৰণ—আমি কোনো প্ৰতিলিপি পোৱা নাই, কিন্তু থানাত যিটো এজেহাৰ দিছে সেইটো হ'ল চকু দুটা নাই আৰু মুখখন চিলোৱা বুলি আমাক জনাইছে—এইখিনিৰ বাহিৰে আৰু একো নাই।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা—ছোৱালীজনীৰ মৰাশটো নিওৱাৰ ফৰ্চ হস্পিতালত পৰীক্ষা কৰি চোৱাত ভালেখিনি খুট ওলাইছে আৰু এইটো মিলিটেৰী হাস্পতালত পৰীক্ষা কৰাৰ অন্তৰালত এটা বিৰাট অভিসন্ধি আছে—সেইকাৰণে এতিয়া যিটোক অনুসন্ধান কৰিবলৈ দিয়া হৈছে সেই অনুসন্ধানৰ ৰিপৰ্টটো আনি অতি সোনকালে আমাৰ সদনত দাখিল কৰিবনে?

শ্ৰীছত্ৰসিং টেৰণ—এয়াৰ ফৰ্চৰ পৰা যিটো ৰিপৰ্ট আহিছে সেই মতে মুখখন চিলোৱা নাছিল। পোষ্ট-মৰ্টেমত যিটো পাইছে—সেইমতেই ৰিপৰ্ট দিছে। দ্বিতীয় কথা হ'ল তেখেতে যিটো অতিৰিক্ত উপায়ুক্তৰ প্ৰতিবেদনৰ কথা কৈছে সেইখন চৰকাৰৰ হাতত পৰিলে আমি সদস্য সকলৰ জ্ঞাতাৰ্থে সদনত দাখিল কৰিবলৈ চাম।

শ্ৰীজগদীশ দাস—মন্ত্ৰী মহোদয়ে কৈছে যে ছোৱালীজনীৰ মৰাশটো বাপেকে লৈ যোৱাৰ পিছত চকুহুটা নাই বুলি কোৱা নাই। মই জানিবলৈ বিচাৰিছো যে ছোৱালীজনীৰ চকু দুটা হস্পিটালৰ পৰা নাইকীয়া হ'লনে নাই অন্য ঠাইৰ পৰা নাইকীয়া হ'ল।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড—মই জানিব বিচাৰিছো যে যোৱা অক্টোবৰ মাহত বৰ-পূজাৰী নামৰ যিজন ২২ বছৰীয়া ডেকা ল'ৰা বিল্ডিঙৰ ওপৰৰ পৰা পৰি মৰাৰ পিছত তেওঁৰো চকু দুটা নাইকীয়া হ'ল সেই কথা মন্ত্ৰী মহোদয়ে জানেনে?

শ্ৰীছত্ৰসিং টেৰণ—মই এইটো কথা নাজানো।

শ্ৰীনগেন বৰুৱা—ছোৱালীজনীৰ মৃত্যু হ'ল ২৯ তাৰিখে। আৰু ৩১ তাৰিখে বাপেকে আহি ছোৱালীজনীৰ মৰাশটো লৈ গ'ল। ডেৰগাঁৱৰ পৰা হস্পিটাললৈ মাত্ৰ ১৬ মাইল দূৰ। এই ১৬ মাইল বাট দূৰ ঠাইত খবৰ দিবলৈ কিয় দুই দিন লাগিব? ছোৱালীজনীৰ মৃত্যুৰ খবৰটো হস্পিটাল কৰ্তৃপক্ষৰ পৰা দিছিল নেকি?

শ্ৰীছত্ৰসিং টেৰণ—এইটো মোৰ ৰিপৰ্টত আছে যে ২৯ তাৰিখেই অভিভাৱকক খবৰ দিয়া হয় আৰু ৩১ তাৰিখে বাপেকে আহি লৈ যায়।

### বিঃ মেলেৰীয়া ৰোগত মৃত্যু

শ্ৰীমতী প্ৰণীতা তালুকদাৰে সুধিছে:

*২১৯। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বৰপেটা মহকুমাৰ অন্তৰ্গত গোৱাৰ্দ্ধনা মৌজাৰ উত্তৰ আৰু পূব অঞ্চলত আজি তিনিমাহ ধৰি মেলেৰীয়া জ্বৰত কিমান জনৰ মৃত্যু হ'ল চৰকাৰে জানেনে?

(খ) যদি জানে তেন্তে প্ৰতিৰোধৰ বাবে চৰকাৰে কি ব্যৱস্থা কৰিছে জনাবনে ?

শ্ৰীছত্ৰসিং টেৰণ (স্বাস্থ্য বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

২১৯। (ক)—প্ৰাপ্ত সংবাদমতে বৰপেটা মহকুমাৰ অন্তৰ্গত গোৱাৰ্দ্ধনা মৌজাৰ উত্তৰ আৰু পূব অঞ্চলত আজি তিনি মাহৰ ভিতৰত এজনো লোকৰ মেলেৰীয়া ৰোগত মৃত্যু হোৱা নাই।

(খ)—যিহেতু এই অঞ্চলটো শৃংখলাবদ্ধকৰণ পৰ্য্যায়ত (Consolidation Phase) পৰে, সেই বাবে এই পৰ্য্যায়ত লব লগীয়া যাবতীয় ব্যৱস্থা আছে।

শ্ৰীমতী প্ৰণীতা তালুকদাৰ—অধ্যক্ষ মহোদয়, স্বাস্থ্য মন্ত্ৰী মহোদয়ে প্ৰশ্নৰ উত্তৰত কৈছে যে বৰপেটা মহকুমাৰ অন্তৰ্গত গোৱৰ্দ্ধনা মৌজাৰ উত্তৰ আৰু পূব অঞ্চলত আজি তিনি মাহৰ ভিতৰত মেলেৰিয়া ৰোগত আক্ৰান্ত হৈ এজনো মানুহ মৰা নাই। কিন্তু মই জনা মতে এই তিনি মাহৰ ভিতৰত মেলেৰিয়া ৰোগত আক্ৰান্ত হৈ প্ৰায় ৫০ জন মানুহৰ মৃত্যু হৈছে। গতিকে মন্ত্ৰী মহোদয়ে এইটো সোনকালে অনুসন্ধান কৰি তাৰ বিহিত ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীছত্ৰসিং টেৰণ—মই যেনে ভাবেই ৰিপৰ্ট পাইছো তেনে ভাবেই উত্তৰ দিছো। মই পোৱা ৰিপৰ্ট মতে সেই অঞ্চলত যোৱা তিনি মাহৰ ভিতৰত মেলেৰিয়া ৰোগত আক্ৰান্ত হৈ কোনো লোকৰ মৃত্যু হোৱা নাই। অৱশ্যে অন্যান্য ৰোগত মৃত্যু হ'ব পাৰে। মাননীয়া সদস্যাই যেতিয়া মৃত্যু হোৱা বুলি কৈছে মই এই বিষয়টো অনুসন্ধান কৰি চাম।

শ্ৰীআটাউৰ ৰহমান—এইটো কথা সঁচানেকি যে বৰপেটা মহকুমাৰ সদৰ স্থানৰ পৰা মেলেৰীয়া ইউনিটৰ যিটো কাৰ্য্যালয় আছিল সেই কাৰ্য্যালয়টো উঠাই লৈ অহাৰ কাৰণেই মেলেৰিয়া বিৰোধী অভিযান মন্থৰ গতিত চলিছে ?

শ্ৰীছত্ৰসিং টেৰণ—এই ইউনিটটো উঠাই লৈ অহাৰ কাৰণেই মেলেৰিয়া বিৰোধী অভিযান মন্থৰ গতিত চলিছে নেকি সেই কথা মই কব নোৱাৰো।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা—মন্ত্ৰী মহোদয়ৰ পৰা মই এইটো কথা জানিবলৈ বিচাৰিছো যে প্ৰশ্নটোৰ উত্তৰ দিওঁতে এইটো কথা অনুসন্ধান কৰি উত্তৰ দিছেনে নাই ?

মন্ত্ৰী মহোদয়ে দিয়া উত্তৰৰ পৰা দেখা গৈছে যে অনুসন্ধান কৰি উত্তৰ দিবলৈ অহা নাই।

শ্ৰীছত্ৰসিং টেৰণ—স্বাভাৱিকতে কোনো এটা প্ৰশ্ন পালে সেইটো অনুসন্ধান কৰি সেই অনুসন্ধানৰ ভিত্তিতেই উত্তৰ দিয়া হয়।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা—যদি অনুসন্ধান কৰিয়েই উত্তৰ দিবলৈ আহিছে তেনেহ'লে এই ইউনিটটো তাৰপৰা উঠাই অনাৰ সম্পৰ্কত বিতং খবৰ দিব পৰা নাই কিয়?

মিঃ স্পীকাৰ—উঠাই অনা বুলি কৈছে। উঠাই অনাৰ কাৰণে মেলেৰিয়া বিৰোধী অভিযান মন্থৰ হৈছে নেকি সেইটোহে নাজানো বুলি কৈছো।

শ্ৰীমতী আনন্দি বালা ৰাভা—ৰাজ্যখনত বহুত বছৰ ধৰি মেলেৰিয়া ৰোগ নিৰাকৰণ কৰাৰ চেষ্টা চলি আহিছে। অসমত যোৱা বছৰ গোৱালপাৰা জিলাত আৰু অসমৰ বাকী বিলাক ঠাইতো মেলেৰিয়াই মাৰাত্মক ৰূপ ধাৰণ কৰা দেখা গৈছে। ইয়াৰ কাৰণ কি? এইটো গৱেষণা কৰি একেবাৰেই নিৰ্মূল কৰিব পৰা ব্যৱস্থা লব নোৱাৰিনে?

শ্ৰীছত্ৰসিং টেৰণ—চাৰ, আমি আমাৰ সীমিত পৰ্য্যায়ৰ পৰা বহুতখিনি আঁতৰি গৈছো নেকি?

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী—এই প্ৰশ্নটো মাননীয়া সদস্যাই দিয়া এক মাহৰ বেচি হ'ল। আমি ধৰি লৈছো যে এই সম্পৰ্কত প্ৰকৃত অনুসন্ধান কৰি বিধানসভাৰ মজিয়াত উত্তৰ দিয়া হোৱা নাই। যদি অনুসন্ধান কৰিয়েই উত্তৰ দিছে তেনেহ'লে আকৌ অনুসন্ধান কৰিম বুলি কোৱাৰ অৰ্থ কি?

শ্ৰীছত্ৰসিং টেৰণ—আমি যিটো উত্তৰ দিছো সেইটো অনুসন্ধানৰ ভিত্তিতেই দিছো। তথাপি মাননীয়া সদস্যাই অভিযোগ আনিছে যেতিয়া এইটো একেবাৰেই দলিয়াই দিব পৰা কথা নহয়। সেইটো কাৰণেই এইটো কথা কৈছো।

### বিঃ অসমৰ জেইল মেনুৱেল

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকীয়ে সুধিছে :

*২২০। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমৰ জেইল্‌ মেনুৱেলখন কেতিয়া কোনে কৰিছিল ?

(খ) নতুন সমাজবাদী ব্যৱস্থাৰ লগত খাপ খুৱাই এই মেনুৱেলখন কৰাৰ কথা চৰকাৰে নেভাবেনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী)য়ে উত্তৰ দিছে :

২২০। (ক)—১৮৯৪ চনত 'প্ৰিজন এক্ট'ৰ অনুকৰণত ১৮৯৯ চনত "অসম জেইল মেনুৱেল" খন তেতিয়াৰ অসম চৰকাৰৰ দ্বাৰা প্ৰচলিত কৰা হৈছিল ।

(খ)—চৰকাৰে ইতিমধ্যে "অল ইন্দিয়া জেইল মেনুৱেল কমিটি"ৰ অনুমোদন সাপেক্ষে অসমৰ জেইল মেনুৱেল খন ভাৰত চৰকাৰে প্ৰস্তুত কৰা "মডেল প্ৰিজন মেনুৱেল"ৰ আৰ্হিত নতুনকৈ এখন জেইল মেনুৱেল কৰাৰ কথা বিবেচনা কৰি আছে ।

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী—অধ্যক্ষ মহোদয়, মই এইটো কথা মন্ত্ৰী মহোদয়ক সুধিব খুজিছো যে এইটো বিবেচনা কৰি আছে নেকি ? এই জেইল মেনুৱেল খন সলনি কৰি চৰকাৰৰ এপ্ৰভেলৰ কাৰণে আহিছে নেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—জেইল মেনুৱেল মতে এখন এডভাইচাৰী কমিটিয়ে কৰিব লাগে। এই এডভাইচাৰী কমিটি গঠন হোৱা নাই কাৰণেই আমি এই ক্ষেত্ৰত কামত আগবাঢ়িব পৰা নাই ।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা—জেইল মেনুৱেল খন সৰ্বভাৰতীয় ভিত্তিত কৰিব লাগেনে ৰাজ্যিক ভিত্তিত কৰিব লাগে । যদি ৰাজ্যিক ভিত্তিত কৰিব লাগে তেনেহলে ১৮৯৪ চনতেই কৰা জেইল মেনুৱেল খন পৰিবৰ্তন কৰিবৰ কাৰণে চৰকাৰে কিয় তৎকালিন ব্যৱস্থা গ্ৰহণ কৰিব পৰা নাই ।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—সৰ্বভাৰতীয় বিশেষজ্ঞ সকলে এই কথা ভাল ভাবেই বিবেচনা কৰি আহিছে । যি সকল জেইললৈ আহে আৰু জেইলত থাকি ওলাই যায় সেই সকলে যাতে আকৌ কিবা অপৰাধ কৰি জেইললৈ নাহি যাতে সৎ নাগৰিক হিচাবে সমাজত বসবাস কৰিব পাৰে সেই দৃষ্টিকোণৰ পৰা মডেল জেইল মেনুৱেলখন কৰা হৈছে । আমি মৌলিক কথা বিলাক ঠিক কৰি আমাৰ ৰাজ্যত গ্ৰহণ কৰিব লাগিব ।

শ্ৰীসোনেশ্বৰ বৰা—জেইল মেনুৱেল কৰা বিশেষজ্ঞ সকলৰ ভিতৰত জেইল খোৱা মানুহ আছেনে নাই ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—জেইলত থাকিলেই যে বিশেষজ্ঞ হব সেইটো হব নোৱাৰে।

Mr. Speaker—The question hour is ovre.

Undisposed starred questions dated 6-3-74.

বিঃ মাছৰ চাহিদা

শ্ৰীলক্ষী কান্ত শইকীয়াই সুধিছে :

*২২১। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত মাছৰ সৰ্বমুঠ চাহিদা কিমান ?

(খ) এই চাহিদাৰ বিপৰীতে অসমত কিমান মাছ উৎপাদন হয় ?

(গ) ঘাটি পৰিমাণখিনি কেনেকৈ পূৰণ কৰা হয় ?

(ঘ) অসমৰ সমুদায় চাহিদা পূৰণ কৰাৰ উদ্দেশ্যে অহা পঞ্চম পাছ বছৰীয়া পৰিকল্পনাত মাছ উৎপাদনৰ বিশেষ কি ব্যৱস্থা লোৱা হৈছে ?

শ্ৰীউপেন্দ্ৰ দাস (মীন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

২২১। (ক)—অসমত বছৰি প্ৰায় ৬০ হেজাৰ মেট্ৰিক টন মাছৰ প্ৰয়োজন।

(খ)—অসমত বছৰি প্ৰায় ৩০ হেজাৰ মেট্ৰিক টন মাছৰ উৎপাদন হয়।

(গ)—ঘাটিৰ পৰিমাণ বাহিৰৰ পৰা অহা মাছেৰে কিছুদূৰ পূৰণ কৰা হয়।

(ঘ)—অসমৰ মাছৰ চাহিদা পূৰণৰ বাবে পঞ্চম পাচ বছৰীয়া পৰিকল্পনাত মাছ উৎপাদনৰ বাবে তলত দিয়া আঁচনি বিলাক লবলৈ প্ৰস্তাৱ কৰা হৈছে :

১। মাছ উৎপাদন পাম।

২। বিল, মীন পাম উন্নয়ণ

৩। মাছমৰীয়া সমিতি সমূহলৈ সাহাৰ্য্য।

৪। নদী, মীন মহল উন্নয়ণ।

৫। প্ৰযুক্তি পুষ্টিকৰ আহাৰৰ আঁচনি।

৬। মীন প্ৰশিক্ষণ।

৭। মীন পালক সকললৈ সাহাৰ্য্য।

৮। মাছ বেচা-কিনা আৰু পৰিবহন।

৯। মীন তথ্য ও সেৱা ইত্যাদি।

### Re : Erosion at Lowpara, Napara, etc.

Shrimati Renuka Devi Barkataki asked :

*222. Will the Minister, F, C, & I be pleased to state—

(a) Whether it is a fact that many big Villages of North Kamrup including Lowpara, Napara, Gholorpar etc. have already been eroded by Brahmaputra ?

(b) Whether it is a fact that for peculiar course of river Brahamaputra quite a big area of North Kamrup is under threat of erosion ?

(c) If so, whether Government is contemplating any protection work to protect Villages like Chatamari Mukalmua, Bartala etc.

Shri Bishnu Prasad ( Minister of State, Flood Control and Irrigation ) replied.

222. (a)—Yes.

(b)—Yes.

(c)—No protection works is contemplated at present but is decided to retire the existing bund.

### বিঃ কাক পথাৰত গ্ৰাম্য বৈদ্যুতিকৰণৰ আঁচনি

শ্ৰীমতী তৰুলতা বৰাই সুধিছে :

*২২৩। মাননীয় বিদ্যুৎ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) তিনিচুকীয়া মহকুমাৰ কাক পথাৰ অঞ্চলত গ্ৰাম্য বৈদ্যুতিকৰণৰ আঁচনিত টওনা দিবাৰ ডুমডুমাৰ কাকজান কিলবাৰী অঞ্চলক সামৰি লোৱা হৈছে নে'কি ?

(খ) যদি লোৱা নাই, ইয়াৰ কাৰণ কি ?

(গ) যদিহে লৈছে, কেতিয়াকৈ কাম আৰম্ভ কৰা হব ?

(ঘ) অসম গ্ৰাম্য বৈদ্যুতিকৰণ লাহে লাহে হোৱাৰ কাৰণ কি ?

শ্ৰীমহম্মদ ইদ্ৰিছ ( বিদ্যুৎ বিভাগৰ মন্ত্ৰী )-য়ে উত্তৰ দিছে :

২৩। (ক)—গ্ৰাম্য বৈদ্যুতিকৰণ সন্থাৰ মঞ্জুৰী হৈ থকা লক্ষীমপুৰ আঁচনিত একমাত্ৰ কিলবাৰী গাওঁখন অন্তৰ্ভুক্ত হৈছে আৰু এই গাওঁখন ১৯৭৫-৭৬ চনৰ ভিতৰত বিজুলীকৰণ কৰিবলৈ অসম ৰাজ্যিক বিদ্যুৎ বোৰ্ডে প্ৰস্তাৱ লৈছে ।

(গ) যদিহে লৈছে কেতিয়াকৈ কাম আৰম্ভ কৰা হব ?

(ঘ) অসম গ্ৰাম্য বৈদ্যুতিকৰণ লাহে লাহে হোৱাৰ কাৰণ কি ?

শ্ৰীমহম্মদ ইদ্ৰিছ (বিদ্যুৎ বিভাগৰ মন্ত্ৰী য়ে উত্তৰ দিছে :

২২৩। (ক—গ্ৰাম্য বৈদ্যুতিকৰণ সন্থাৰ মঞ্জুৰী হৈ থকা লক্ষীমপুৰ আঁচনিত একমাত্ৰ কিলবাৰী গাওঁখন অন্তৰ্ভুৰ্ক্ত হৈছে আৰু এই গাওঁখন ১৯৭৫-৭৬ চনৰ ভিতৰত বিজুলীকৰণ কৰিবলৈ অসম ৰাজ্যিক বিদ্যুত বোৰ্ডে প্ৰস্তাৱ লৈছে ।

(খ)—গ্ৰাম্য বৈদ্যুতিকৰণ সন্থাৰ নিৰ্দ্ধাৰিত নিয়মাৱলীৰ ভিতৰত উল্লেখিত অন্য ঠাইবোৰ নপৰে ।

(গ)—এই প্ৰশ্ন নুঠে ।

(ঘ)—সাধাৰণতে line সামগ্ৰীৰ তাঁৰ খুটা আদি আৰু বিশেষকৈ cement আৰু ভীখাৰ অভাৱৰ হেতুকে গ্ৰাম্য বৈদ্যুতিকৰণৰ অগ্ৰগতি মন্থৰ হৈছে ।

## বিঃ বীজ নিগমৰ পাম

শ্ৰীলক্ষীকান্ত শইকীয়াই সুধিছে ঃ

*২২৪। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত বীজ নিগমৰ অধীনত কিমানখন পাম আছে আৰু কি কি ?

(খ) এই সকলো কেইখন পামত বীজ উৎপাদন কৰা হৈছে নে ?

(গ) এই পামবোৰত অকল বীজ উৎপাদন হয় নে শস্য উৎপাদন কৰাও হয় আৰু যদি শস্য উৎপাদন কৰা হয় সেই উৎপাদনৰ আয় ক'ত ৰখা হয় ।

(ঘ) মঙ্গলদৈ মহকুমাত এই ধৰণৰ কেইখন আৰু কি কি পাম আছে ?

শ্ৰীউপেন্দ্ৰ দাস (কৃষি বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছে :

২২৪। (ক)—অসম বীজ নিগমৰ অধীনত মুঠ ১০২ খন বীজ পাম আৰু ফল-ফুল কলম পুলি আদিৰ বাগান আছে। এই সমূহৰ তালিকা সদনৰ মেজত ৰখা হৈছে।

(খ)—নিগমৰ মুঠ পামবোৰৰ ভিতৰত ৪৭ খন পামত বীজ উৎপাদন কৰা হৈছে।

(গ)—এই পামবোৰত মাটিৰ উপযোগিতা অনুসৰি বীজ আৰু শস্য দুয়ো বিধেই উৎপাদন কৰা হয় আৰু উৎপাদিত বস্তুবোৰৰ আয় নিগমৰ পুঁজিত অন্তৰ্ভুক্ত হয়।

(ঘ)—মঙ্গলদৈ মহকুমাত তলত উল্লিখিত মুঠ ৫ খন বীজ পাম আছে।

(১) সৰ্ব হেৰুৱা

(২) দলগাওঁ

(৩) মাজিকুঁচি

(৪) হাবি গাওঁ

(৫) চমুৱাপাৰা।

বি: জয়দৌল, শিৱদৌল আদিৰ ৰক্ষণাবেক্ষণ

শ্ৰীকন্দৰ্প কুমাৰ দাসে সুধিছে :

*২২৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) শিৱসাগৰ জিলাত থকা জয়দৌল, শিৱদৌল, কাৰেংঘৰ আদি কোন আহোম ৰজাৰ দিনত নিৰ্মাণ কৰা হৈছিল ?

(খ) চৰকাৰৰ ফালৰ পৰা এই বিলাক ৰক্ষণাবেক্ষণৰ কাৰণে কিবা ব্যৱস্থা কৰা হৈছেনে আৰু যদি নাই হোৱা কিয় ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (শিক্ষা মন্ত্ৰী)-য়ে উত্তৰ দিছে :

২২৫। (ক)—জয়দৌল সজোৱা হয় ৰজা ৰুদ্ৰসিংহৰ দিনত। শিৱদৌল নিৰ্মাণ কৰা হৈছিল ৰাণী অম্বিকা দেৱী, ৰজা শিৱসিংহৰ দিনত আৰু কাৰেং ঘৰ সজোৱা হয় ৰাজেশ্বৰ সিংহৰ দিনত।

(খ)—এই বিলাক বজা দিনীয়া কীৰ্ত্তি চিহ্ন কেন্দ্ৰীয় চৰকাৰৰ প্ৰত্নতাত্বিক বিভাগৰ তত্বাৱধানত আছে আৰু সেইবোৰকে সেই বিলাক ৰক্ষণাবেক্ষণ কৰে।

### Re : Scarcity of Drinking Water

Shrimati Renuka Devi Barkataki asked :

*226. Will the Minister, Health be pleased state :

(a) Whether Government is aware of the acute condition of drinking water in the villages like Hadla, Satdala, Gerua, Sanpara Grant, Tokadia, Ukhura, Japia, Helacha of Hajo circle ?

(b) If so, whether Government has taken any step to give relief to the people of the villages ?

(c) Whether any project under Public Health Department has been taken in these areas during 1971-72 and 1972 73 ?

Shri Chatrasing Teron ( Minister, Health) replied :

226 (a)—Government is not aware of acute scarcity of drinking water in these areas.

(b)—The area referred to is included for improvement of drinking water in the fifth five year plan by the Subdivisional Planning Cell. A proposal is under consideration of Government to sanction a few more Tubewells in this area.

(c)—No.

## UNSTARRED QUESTIONS AND ANSWERS

Date : 6th March, 1974

### Re : A. I. D. C.

Shri Girindra Chandra Choudhury asked :

30. Will the Minister, Industries be pleased to state—

(a) Who is the appropriate authority, the Industry Department or the AIDC, in the matter of appointment, posting and transfer of AIDC, personnel ?

(b) Whether it is a fact that when one Dr. R. N. Das of AIDC was sent for 3 months to assist the Assam petro-chemical Ltd. and to study the initial problems of the industry, the Industries Department objected to it and if so, why?

(c) Whether it is a fact that when the General Project Manager of APL Shri N. Baruagohain was brought to Gauhati for studying the Associated Industries Chemical plant for running it by the AIDC, the Industries Department objected to it?

(d) Whether it is a fact that AIDC is the authority in the matter of employment, recruitment etc. and if so what is the purpose for interference in these matters by the Industries Department?

Shri Mahammad Idris (Minister, Industries) replied :

30. (a)—The Board of Directors of AIDC Ltd. is the appropriate authority in the matter of all appointments, postings and transfers of AIDC personnel in all cases where maximum pay is upto Rs. 1,800 per mensem.

But, under Article 75 (16), no appointment, the maximum pay of which is more than Rs. 1,800 per mensem shall be made without the prior approval of the Governor.

(b)—No.

(c)—No.

(d)—Does not arise in view of replies to sub-questions (a) (d) and (c) above.

**Re : Farming Corporations in Gauhati Subdivision**

Shri Gaurisankar Bhattacharyya asked :

31. Will the Minister, Agriculture be pleased to state—

(a) What are the Farming Corporations which have been formed uptil now in the Gauhati Subdivision?

(b) What is the total area which has actually been brought under the plough in the soil Farming Corporations?

(c) What are the crops which are being grown in the said Farming Corporation?

(d) What is the total number of cultivators who are putting in Manual labour in the said Farming Corporations?

(e) What is the total number of landless peasants in the said Subdivision?

(f) How many of them are planned to be absorbed in the Farming Corporation within the next two years?

(g) What is the plan for gainful employments of those landless peasants who will not be absorbed in the Farming Corporation?

Shri Upendra Das (Minister, Agriculture) replied :

31. (a)—No Agricultural Farming Corporation has been formed and registered in the Gauhati Subdivision.

(b), (c) and (d)—Do not arise.

(e)—As on 30th September 1969—

Without holding land—2,214

With holding land —9,146
upto 5 bighas.

With holding land —3,194
upto 5-8 bighas.

(f)—The immediate programme is to establish one Farming Corporation in each Subdivision depending on availability of land. The number of peasants to be absorbed will depend on the availability of land.

(g)—As far as possible the landless peasants are being included under the Special employment programme e. g., Crash Rural employment scheme, Half a million job programmes, Rural works programme etc.

**Re : Farming Corporations in Karimganj Subdivision**

Shri Gaurisankar Bhattacharyya asked :

32. Will the Minister, Agriculture be pleased to state—

(b) What are the Farming Corporations which have been formed up till now in the Karimganj Subdivision ?

(b) What is the total area which has actually been brought under the plough in the soil Farming Corporations ?

(c) What are the crops which are being grown in the said Farming Corporations ?

(d) What is the total number of Landless peasants in the said subdivisions ?

(e) What is the total number of Landless peasants in the said subdivision ?

(f) How many of them are planned to be absorbed in the Farming Corporation within the next two years ?

(g) What is the plan for gainful employments of those landless peasants who will not be absorbed in the Farming Corporations ?

Shri Upendra Das, ( Minister, Agriculture ) replied :

32. (a)—No Agricultural Farming Corporations has been formed and registered in the Karimganj Subdivision.

(b), (c), (d)—Does not arise.

(e)—As on 30th September 1969—without any land holding.... 11668 with holding upto 5 bighas...28150 with holding upto 5-8 bighas...5817.

(f)—The immediate programme is to establish one Earming Corporation in each Subdivision depending on availability of land. Absorbtion of such landless peasants will depend on the availability of land in the Subdivision.

(g)—As far as possible the landless peasants are being included under the special employment programme *e. g.* Crash Rural Employment Scheme, Half-a-million job programme, Rural works programmes etc.

**Re : Assam Civil Service**

Shri Abdul Hannan Choudhury asked :

33. Will the Chief Minister be pleased to state--

(a) The total number of appointment made in the Assam Civil Service ( Junior and Senior ) from the year 1948 till now ( figures to be given year by year ) ?

(b) How many of them are Muslims ? ( Figures are to be given year by year ) ?

Shri Sarat Chandra Sinha ( Chief Minister ) replied :

33. (a)—Total number of recruitment to Assam Civil Service, Class I and Assam Civil Service Class II since 1948.—

Figures are given year-wise—

| | ACS. I | ACS. II |
|---|---|---|
| | 337 | 450 |
| 1948 | 18 | 2 |
| 1949 | 10 | 12 |
| 1950 | 20 | Nil |
| 1951 | 4 | 22 |
| 1952 | 23 | 17 |
| 1953 }<br>1954 } | 23 | 18 |
| 1955 | 25 | 20 |
| 1956 | 27 | 34 |
| 1957 | Nil | 4 |
| 1958 | 33 | 14 |
| 1959 | Nil | 12 |
| 1960 | Nil | 82 |
| 1961 | 20 | 7 |
| 1962 | 18 | 29 |
| 1963 | 15 | 37 |
| 1964 | 11 | 39 |
| 1965 | 5 | 4 |
| 1966 | 6 | 28 |
| 1967 }<br>1968 } | 13 | 38 |
| 1969 }<br>1970 } | 29 | 31 |
| 1971 | 12 | No recruit-ment |
| 1972 | Nil | do |
| 1973 | 25 | do |
| | 337 | 450 |

(b)—Total Number of Muslims since 1948 —

| | | ACS. I | ACS. II |
|---|---|---|---|
| | | 33 | 40 |
| Figures are given year-wise :— | 1948 | 3 | Nil |
| | 1949 | 1 | 4 |
| | 1950 | 2 | Nil |
| | 1951 | Nil | 3 |
| | 1952 | 3 | Nil |
| | 1953 }<br>1954 } | 1 | 1 |
| | 1955 | 3 | Nil |
| | 1956 | 4 | 3 |
| | 1957 | Nil | 1 |
| | 1958 | 1 | Nil |
| | 1959 | Nil | 2 |
| | 1960 | Nil | 3 |
| | 1961 | 3 | 1 |
| | 1962 | 1 | 4 |
| | 1963 | 1 | 4 |
| | 1964 | 1 | 3 |
| | 1965 | 2 | 1 |
| | 1966 | 2 | 4 |
| | 1967 }<br>19 8 } | Nil | 3 |
| | 1969 }<br>1970 } | 1 | 3 |
| | 1971 | 1 | No recruitment. |
| | 1972 | Nil | do |
| | 1973 | 3 | do |
| | | 33 | 40 |

Re : Farming Corporation in Kokrajhar Subdivision

Shri Gaurisankar Bhattacharya asked :

34. Will the Minister, Agriculture be pleased to state—

(a) What are the Farming Corporations which have been formed uptill now in the Kokrajhar subdivision ?

(b) What is the total area which has actually been brought under the plough in the said Farming Corporations ?

(c) What are the Corporations which are being grown in the said Farming Corporations ?

(d) What is the total number of cultivators who are putting in Manual labour in the said Farming Corporations ?

(e) What is the total number of landless peasants in the said subdivision ?

(f) How many of them are planned to be absorbed in the Farming Corporations within the next two years ?

(g) What is the plan for gainful employment of those landless peasants who will not be absorbed in the Farming Corporations ?

Shri Upendra Das ( Minister, Agriculture ) replied :

34. (a)—No Agricultural Farming Corporation has yet been registered and formed in Kokrajhar Subdivision.

(b), (c) and (d)—Does not arise.

(e)—As on 30th September 1969—Without any Landholding—12353 with holding upto 5 bighas—14321 with holdings upto 5-8 bighas—5339.

(f)—The immediate programme is to establish one Farming Corporation in each Subdivision depending on availability of land. The number of peasants to be absorbed will depend on the availability of land.

(g)—As far as possible the landless peasants are being included under the special employment programme e. g. Crash Rural Employment scheme, Half-a-million job programmes, Rural works programmes etc.

# CALLING ATTENTION

Mr. Speaker—Mr. Talukdar ?

Smti Pranita Talukdar—Mr, Speaker, Sir, under Rule-54 of the Rules of Procedure and Conduct of Bus'ness in the Assam Legislative Assembly, I beg to call the attention of the Min'ster, Health to the news item appearing 'n the Dain'k Asom, dated 14th January/ 1974 under the caption "মেডিকেল কলেজ হাস্পাতাল বনাম হোমিওপেথিক চিকিৎসা"

Shri Chatra Sing Teron ( Min'ster )—Sir, unfortunately, I am afraid, my reply would not be complete. Anyway,

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৫৪ নম্বৰ নিয়ম অনুসৰি মাননীয়া সদস্যা শ্ৰীমতী প্ৰণীতা তালুকদাৰে 'দৈনিক অসম'ৰ ১৪ জানুৱাৰীত প্ৰকাশিত 'মেডিকেল কলেজ হস্পিতাল বনাম হ'মিঅপেথিক চিকিৎসা' বাতৰিটোৰ সন্দৰ্ভত দিয়া জাননীৰ উত্তৰত মই জনাব খোজো যে উক্ত বাতৰিটোত ৰোগীজনৰ নাম অথবা হস্পিটেলত ভৰ্ত্তি হোৱাৰ ( ৰেজিষ্ট্ৰেচন নং) নম্বৰ নথকাত তেওঁৰ ৰোগত কি ধৰণৰ পৰামৰ্শ অথবা চিকিৎসাৰ ব্যৱস্থা দিয়া হৈছিল এই খবৰখিনি উলিয়াব পৰা হোৱা নাই।

এই ক্ষেত্ৰত কোনোবা ডাক্তৰে আন্তৰিকতা হীন বা দোষযুক্ত চিকিৎসাৰ ব্যৱস্থা দিছিল নেকি তাকো জানিব পৰা হোৱা নাই। এই খবৰখিনি জানিবলৈ চেষ্টা কৰি থকা হৈছে। বাতৰিটোত কোৱা হৈছে যে মেডিকেল কলেজত ভাল কৰিব নোৱাৰা ৰোগীজনৰ ভৰিৰ ঘা হ'মিঅপেথিক চিকিৎসাত ভাল হ'ল আৰু সেই গতিকে পঢ়ুৱৈ সমাজে কোন বিধ চিকিৎসাৰ কিমান গুণ বিচাৰ কৰি চাব। এই কথাটো ৰোগীৰ বিশ্বাস, ৰুচি আৰু মতামত সাপেক্ষৰ কথা।

## MATTER UNDER RULE 301

Mr. Speaker—Item No. 3 ?

Shri Dulal Chandra Barua—Mr. Speaker, Sir, under Rule-301 of the Rules of Procedure and Conduct of business in the Assam Legislative Assembly, I want to raise a matter of great public importance and of the recent occurrence relating to a news item published in the Dainik Asom, dt. 6th February/74 under the caption—"গোৱাহাটী মেডিকেল কলেজত ৰোগীৰ প্ৰতি অৱহেলা" This news item has depicted a very sorry State of affairs of the Assam Medical College Hospital management. From this news item you can imagine what treatment has been meted out to the public in general. From this it is found that there is nobody to give guidance to the patients and to the guardians of the patients In this iustance case the poor lady had to die without any treaiment and care, the poor lady had to die without any treatment and care. Although the Medical College hospital is meant to look after the interest of the State, and we have spent crores of rupees for that and although we are having a big establishment with a view to help the poorer section of the people, but we find that things are going on in another direction there. We have received various complaints from various corners about the mismanagement of the Assam Medical College hospital. Sir, if you visit this hospital you will find that another hell has been created by the government there. I want to know that when we are spending so much of money for the management of this hospital, when we are keeping all sorts of staff to run this hospital and when we are keeping nurses and other staff to look after the patients, why and under what circumstances the people are allowed to die in this way. Therefore, I want to draw the pointed attention of the government to that. As we have discussed this during the discussion on Censure Motion, therefore, I do not want to take much tmie of the House in this But I want to know whether the Government had made

any investigation or enquiry about this state of affairs that is going on in this Medical College Hospital. Even, I have been told, when the matter was being discussed in the House, if some patients would go to the hospital for treatment some of the doctors and young doctors used to tell them—"go to the members of the Assembly, the MLAs, they will cure you'. That means—all those things we are to encourage? and that means as if we have no right—to criticise the maladministration in the management. And if this is allowed to continue like this, not only this institution will earn bad name but there will be something more. If the people take the law into their own hands, then, will the government be able to control? In this case, the doctor prescribed medicines and injections for the patient and the gurdian went for purchasing the medicines and injection but there was nobody to push the injection to the patients. Ultimately at dead of night the lady collapsed. I want to know from the government as to what steps have been taken against this and also at whose negligence the patient had to die; I want to know whether any enquiry has been instituted and whether any preventive measure has been taken by the government for smooth functioning of the Hospital for which we are spending a lot of money.

শ্রীছত্ৰসিং টেৰণ—অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৩০১ নম্বৰ নিয়ম অনুসৰি মাননীয় সদস্য শ্ৰীহৃদলাল চন্দ্ৰ বৰুৱাদেৱে 'দৈনিক অসম'ৰ ৬ ফেব্ৰুৱাৰীত প্ৰকাশিত 'গুৱাহাটী মেডিকেল কলেজত ৰোগীৰ প্ৰতি অৱহেলা' শীৰ্ষক বাতৰিটোৰ সন্দৰ্ভত দিয়া জাননীৰ উত্তৰত মই জনাব খোজো যে যোৱা ২২।১।৭৪ তাৰিখে ৰাতি ১০ বজাত শ্ৰীমতী আনোৱাৰা বেগম নামৰ সৰুপেটাৰ এগৰাকী মহিলাক গুৱাহাটী মেডিকেল কলেজ হস্পিতালৰ কেজুৱেলিটি বিভাগলৈ অনা হৈছিল। ৰোগীয়ে লগত লৈ অহা সৰুপেটা ষ্টেট ডিস্পেন্সৰীৰ ডাক্তৰৰ চিঠিৰ পৰা আৰু ৰোগীয়ে নিজে দিয়া বিৱৰণৰ পৰা জনা যায় যে শ্ৰীমতী বেগমে গৰ্ভপাত

কৰিবৰ কাৰণে কিহবাৰ কেচা ঠাবি গুপ্তাঙ্গৰ ভিতৰলৈ সুমুৱাই দিছিল আৰু ইয়াৰ ফলস্বৰূপে তেওঁ ধনুষ্টঙ্কাৰ ৰোগত আক্ৰান্ত হৈছিল। সৰুপেটাৰ চৰকাৰী ডাক্তৰে ৰোগীৰ অৱস্থা সঙ্কটজনক দেখি এই ৰোগীক মেডিকেল কলেজ হস্পিতাললৈ পঠিয়াইছিল।

কেজুৱেলিটি বিভাগত শ্ৰীমতী বেগমক ডাক্তৰ জয়ন্ত বৰদলৈয়ে লগে লগেই পৰীক্ষা কৰিছিল আৰু কলেজ হাস্পতালৰ স্ত্ৰীৰোগ বিশেষজ্ঞক দেখুৱাই ৰোগীয়ে যে গৰ্ভপাত কৰিবলৈ গৈ ধনুষ্টঙ্কাৰত আক্ৰান্ত হৈছিল সেই বিষয়ে নিশ্চিন্ত হৈছিল ইয়াৰ পিছতেই ৰোগীক আৱশ্যকীয় পৰামৰ্শেৰে কালাপাহাৰ হাস্পাতাললৈ নিবলৈ নিৰ্দেশ দিয়া হৈছিল।

সেইদিনা ৰাতিয়েই ১১-২০ মিনিটত কালাপাহাৰ হাস্পাতালত (ডিউটিত থকা) কৰ্মৰত ষ্টাফ নাৰ্চ মিনতি ভট্টাচাৰ্য্য আৰু ডাক্তৰ ব্ৰহ্মাই ৰোগীৰ তত্বাৱধান লয়। ৰাতি ১১-৩০ মিনিটত ডাক্তৰ ব্ৰহ্মাই ৰোগীক এক লাখ ইউনিট সম্পন্ন এটা এ-টি-এছ ইনজেক্চন দিয়ে আৰু ডাক্তৰৰ উপস্থিতিতে ষ্টাফ নাৰ্চে পেনিচিলিন পেৰেলডিহাইদ ইনজেক্চন দিয়ে। ৰোগীৰ অৱস্থা সঙ্কটজনক আছিল বাবে নাৰ্চে তেওঁৰ ওপৰত নজৰ ৰাখিছিল।

২৩-১-৭৪ তাৰিখে পুৱা ডাক্তৰ ডি, জে, ভূঞাই শ্ৰীমতী বেগমক পৰীক্ষা কৰি ( Robinax ) 'ৰবিনাক্স' ইনজেকচন দিবলৈ পৰামৰ্শ দিছিল হাস্পতালত এই ইন্‌জেকচন নথকাৰ বাবে ৰোগীৰ লগত থকা মানুহক এই ইন্‌জেকচন কিনিবলৈ দিয়া হৈছিল। ইন্‌জেক্চন অনাৰ লগে লগেই পুৱা ১০-১৫ মিনিটত ৰোগীক প্ৰথম ইন্‌জেক্চনটো দিয়া হয়।

ডাক্তৰ আৰু নাৰ্চৰ চেষ্টা সত্বেও ২৩-১-৭৪ তাৰিখৰ সন্ধিয়াৰ ফালে ৰোগীৰ অৱস্থা আৰু বেয়াৰ ফালে ঢাল খালে। ২৪-১-৭৪ তাৰিখে পুৱা ৫ বজাত তেওঁ শেষ নিশ্বাস এৰিলে।

Shri Dulal Chandra Barua—Sir, whether any enquiry about this has been made ?

Shri Chatra Sing Teron ( Minister )—Sir, the whole matter was enquired into by the Professor in-charge of Medicine

and after his enquiry all these facts have come out.

Shri Dulal Chandra Barua—Whether the Govt. consider it necessary to institute an enquiry by another third person of the Govt.?

Shri Chatra Sing Teron (Minister)—Sir, I do not think any useful purpose would be served by this, because all these have been stated from records and from the bed-tickets of the patients.

## RULING BY THE SPEAKER

Mr. Speaker : On 4th March 1974, Shri Dulal Ch. Barua tabled an adjournment motion to discuss the extra-ordinary situation arising out of the alleged starvation deaths of two tea garden labourers in Letekujan T.E. of the Jorhat Sub-Division in the 3rd week of Feb. '74. In Support of his motion Shri Barua submitted that having heard the news of the alleged starvation deaths he went to the garden personally on 26th Feb. Which was known to the Minister, Labour and he was convinced that the two labourers are aged 24 years and the other aged 34 years died due to starvation. But the Minister, labour disputed the contention and maintained that he met about 20 people of the garden and learnt from them that one of the two labourers died due to long ailment and the other died due to burning injuries. Shri Barua also quoted relevant rules for the admissibility of the motion and the Minister, Parliamentary Affairs opposed the motion

quoting the observations from the Practice and Procedure in Parliament by Kaul and Shakdher. He submitted that the Government did not receive any report about any extra-ordinary situation arising out of the deaths of the two labourers alleged by Shri Barua. He has also suggested that it was not the responsibility of the State Government to arrange food staff for the garden and that for this the garden authority is responsible as Government has no jurisdiction over the administration of the garden. Lastly, he referred to the observations made by Kaul and Shakdher that "where facts are not admitted by Govt. the member must adduce some authentic information to support his notice" and "when Govt. disputes the facts stated in the notice of the adjournment mot on the Speaker accepts the Government version of facts".

When I wanted to know from Shri Barua whether the alleged deaths were due to starvation he replied that it was so according to his information received by him in the garden. Apart from this he has no other materials to support his contention.

I donot consider it necesary to deal with all the points raised by the Hon. Members and the Minister, Parl'amentary Affairs such as when the garden was closed, whether the matter referred to in the motion does or does not involve administrative responsibility of the State Govt. Neither the Hon. Member who wanted to move the Motion nor any other member has been able to establish that the alleged

starvation deaths created an extra-ordinary situation of such public importance as to require interruption of the appointed business.

It is the duty of the Chair to observe the canons of just and fair discussion inside the House and that can be done only on authentic credible and proved facts. In the instant case, the facts are disputed by the Government and accordingly, I am to accept the Government version of the fact. Apart from this, a uniform and long series of rulings in the Parliament and other Legistures of India including ours, in the past, have laid down that here an ordinary parliamentary opportunity will shortly occur to discuss the subject matter of an adjournment motion then the permission of the Speaker to such motion should be refused. The Hon. Member will get ample opportunity to raise the matter in the general discussion on the Budget which commenced from yesterday. He. will also get apportunity to seek clarification from the Government when a Short Notice question which is on the same subject comes before the House shortly.

In view of the the reasons mentioned above, I hold that the adjournment motion is not in order and I disallow the same.

## ANNOUNCEMENT BY THE SPEAKER

I hereby inform the House that Shri Khagen Gogoi, an elected member of the Assam Legislative Assembly

representing Mahmara Constituency has duly submitted anapplication telegraphically for leave of absence from the Assam Legislative Assembly due to illness which reads as follows :

"Regret inability to attend current Session on doctor's advice lying ill.

Khagen Gogoi, M.L.A."

He has also submitted a medical certificate in support of his illness.

I think the House will grant leave of absence as prayed for in the application.

Is it the sense of the House that the leave of absence be granted to the Hon. Member ?

( Leave granted )

## GENERAL DISCUSSION ON BUDGET

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ—মাননীয় অধ্যক্ষ ডাঙৰীয়া, বিত্তমন্ত্ৰী ডাঙৰীয়াই ৰাজ্যখনৰ পৰিস্থিতি সম্পৰ্কে তেখেতৰ ভাষণত ভালেখিনি কথাই উল্লেখ কৰিছে। বিত্তমন্ত্ৰীৰ ভাষণত আমাৰ প্ৰদেশখনৰ আৰ্থিক অৱস্থাৰ এটা প্ৰতিচ্ছবি থকাটো নিতান্ত প্ৰয়োজন আছিল। তাৰ লগতে ৰাজ্যখনৰ আৰ্থিক অৱস্থা উন্নত কৰাৰ কাৰণে চৰকাৰৰ পক্ষৰ পৰা গ্ৰহণ কৰিব বিচৰা অৰ্থ নৈতিক নীতি সমূহ স্পষ্টভাবে উল্লেখ থকাটো প্ৰয়োজন আছিল।

অধ্যক্ষ ডাঙৰীয়া, আজি আমি এনেকুৱা এটা সময়ত অসমৰ বিত্ত পৰিস্থিতি সম্পৰ্কে উল্লেখ কৰিছো—যেতিয়া আমাৰ প্ৰদেশখনৰ চাৰিওফালে সৰ্ব্বসাধাৰণ মানুহে আৰ্থিক অৱস্থাত ক্ৰমান্বয়ে সংকটৰ সন্মুখীন হবলগীয়া হৈছে। অসম চৰকাৰে প্ৰকাশ কৰা ১৯৭২ চনৰ ইকনমিক চাৰ্ভে ৰিপৰ্টত এই কথা স্বীকাৰ কৰিছে— আমাৰ প্ৰদেশখনৰ এক ব্যাপক অংশৰ লোকে ৩/৪ অংশৰ লোকে আৰ্থিক অৱস্থাত দাৰিদ্ৰতাৰ সীমাৰেখাৰ তলত। সেই ৰিপৰ্টৰ ১৩ পৃষ্ঠাত কৈছে যে

( The Speaker vacates the chair and the Deputy Speaker occupies it )

"Price in Assam is about 20 per cent higher than all India level comparatively. The poverty line of Rs 40 is to be raised to Rs. 48. Taking into consideration Rs. 48 as the poverty line, the estimated number of persons below poverty line in Assam would be 6 lakhs and 107 lakhs in urban and rural areas respectively. making a total of 113 lakhs i. e. 74 per cent for the State as a whole".

উপাধ্যক্ষ ডাঙৰীয়া, এইটো হ'ল আমাৰ প্ৰদেশখনৰ আৰ্থিক অৱস্থাৰ এটা বিৱৰণ। আমি যিখিনি সময়ত বিত্ত পৰিস্থিতি সম্পৰ্কে আলোচনা কৰিছোঁ তেতিয়া আমাৰ প্ৰদেশখনৰ শতকৰা ৭৪ জন মানুহৰ আৰ্থিক অৱস্থা দাৰিদ্ৰতাৰ সীমাৰেখাৰ তলত—তাৰ লগে লগে প্ৰদেশ খনৰ চাৰিওফালে সকলোবিলাক নিত্য-প্ৰয়োজনীয় বস্তুৰ দাম প্ৰত্যেক দিনেই বাঢ়িব ধৰিছে। আজি কেইদিন মানৰ আগতে পৰিকল্পনা আয়োগে এটা হিচাব দেখুৱাইছে ১৯৭৩ চনৰ চেপ্তেম্বৰ মাহৰ পৰা ১৯৭৪ চনৰ জানুৱাৰীলৈকে এই ৫ মাহৰ কালছোৱাৰ ভিতৰতে বস্তুৰ দাম ৪'২ ভাগ বাঢ়িছে আৰু আমাৰ প্ৰদেশৰ বিভিন্ন সংবাদ পত্ৰত আমি পাইছো যে সকলোবিলাক নিত্যপ্ৰয়োজনীয় বস্তুৰ দাম ক্ৰমান্বয়ে বাঢ়িব ধৰিছে। তাৰোপৰি আমাৰ প্ৰদেশৰ জনসাধাৰণৰ মূল অংশ হ'ল কৃষকসকল—এই কৃষকসকলৰ ভিতৰত সকলোখিনিয়ে দৰিদ্ৰতাৰ সীমাৰেখাৰ তলত আছে। সেইখিনি হ'ল ৰায়তসকল আৰু সেইসকলক আজি আমাৰ প্ৰদেশখনৰ চাৰিওফালে মাটিৰ মালিকসকলে উচ্ছেদ কৰিছে। আমি সদনত আলোচনা কৰিছো যে কেৱল নলবাৰীতেই এজন ৰায়তক মালিকে বলপূৰ্ব্বক উচ্ছেদ কৰি হত্যা কৰা নাই—অসমৰ প্ৰত্যেক খন জিলাতেই প্ৰত্যেকখন মহকুমাতেই ৰায়তক মালিকসকলে বলপূৰ্ব্বক উচ্ছেদ কৰি আছে। তাৰ ফলস্বৰূপে আমাৰ প্ৰদেশখনৰ আৰ্থিক অৱস্থাত বিৰাট ব্যাঘাত জন্মিছে।

এইখিনিতে আমি এই কথা উপলব্ধি কৰিছো যে আজি বিশেষকৈ

স্কুল-কলেজত পৰীক্ষাৰ সময় হৈছে—এই সময়ত কাগজৰ নাটনি হৈছে। আজি বহুত স্কুলে কাগজৰ অভাৱত মুখে মুখে পৰীক্ষা লব লগা হৈছে আৰু এই সময়খিনিত বিশেষকৈ শিক্ষা সংস্কাৰৰ সময়ছোৱাত ছাত্ৰ-ছাত্ৰী-সকলক আৰু স্কুলবিলাকত কাগজ যথেষ্ট পৰিমাণে যোগান ধৰাৰ ব্যৱস্থা কৰাতো চৰকাৰৰ নিতান্তই প্ৰয়োজন আছিল। এই কথাবিলাক বাজেট সম্পৰ্কে আলোচনা কৰিবলৈ যাওঁতে আমি কেতিয়াও আওকান কৰিব নোৱাৰো।

উপাধ্যক্ষ মহোদয়, বিত্ত মন্ত্ৰী ডাঙৰীয়াই বাজেট আলোচনা কৰোতে তেখেতে উল্লেখ কৰিছে যে আমাৰ ৰাজ্যখনত এই বছৰ ঘাটি বাজেটৰ পৰিমাণ বৰ বেচি নহয়। দুই কোটি টকাৰ তলত। এই কথাও আমি দেখিছো ১৯৭১ চনৰ অডিট ৰিপৰ্ট মতে চৰকাৰৰ পক্ষৰ পৰা যিটো হিচাব দিছে সেই ৰিপৰ্টত এটা কথা স্পষ্টভাৱে দেখা যায় যে—আমাৰ প্ৰদেশখনৰ আৰ্থিক অৱস্থা অনেক বেয়া হোৱাৰ অন্যতম কাৰণ হ'ল চৰকাৰী ৰাজহ ধনৰ অপচয়। আৰু ৰিপৰ্টত বহুত কথা উল্লেখ কৰা হৈছে যিবিলাকৰ পৰা দেখা যায় আমাৰ প্ৰদেশৰ কোটি কোটি ৰাজহুৱা ধন বিভিন্ন বিভাগত অপচয় হৈছে। গতিকে চৰকাৰৰ পক্ষৰ পৰা এই ক্ষেত্ৰত বাধা দিয়াৰ কাৰণে ব্যৱস্থা লোৱাটো নিতান্ত দৰ্কাৰ। এই কথা অৱশ্যে আমি কব লাগিব যে দুৰ্নীতি নিবাৰণৰ কাৰণে চৰকাৰে যথেষ্ট ব্যৱস্থা গ্ৰহণ কৰিছে কিন্তু এই কথা উল্লেখ কৰা প্ৰয়োজন হব যে বিভিন্ন বিভাগৰ অপচয় বন্ধ কৰাৰ কাৰণে কঠোৰ ব্যৱস্থা গ্ৰহণ নকৰিলে আমাৰ প্ৰদেশৰ অৰ্থনৈতিক অৱস্থা উন্নতি কৰা টান হব। ১৯৭০-৭১ চনৰ অডিট ৰিপোৰ্টত বহুত বিলাক শিতানৰ কথা উল্লেখ কৰিছে তাৰ পৰা দেখা যায় বহুত লক্ষ টকাৰ অপচয় হৈছে। ৰিপোৰ্টৰ ৩৬ পৃষ্ঠাত ৰাজহৰ ক্ষেত্ৰত যিবিলাক অপচয় হৈছে, সেইবিলাক উল্লেখ কৰিব বিচাৰিছো।

( Quoted : Page 30. Land Acquisition. Review of land Acquisition in Kamrup District, Nowgong and Sibsagar Districts during 1960r 61 and 1969-71 disclosed the followings :

In Nowgong District in two cases compensation of 79 lakhs

was made to private party for land which according to report belong to the Govt

In one case Rs. 32 lakhs were paid to 8 persons for lands not finally acquired.

In one case payment was made for lands excess of what is actually acquired and taken possession of re ulting in over payment of Rs ·09 lakhs.

আৰু ৰাজহবিভাগত বিশেষকৈ লেণ্ড একুইজিচনৰ ক্ষেত্ৰত যিমানখিনি টকা অপচয় হৈছে ৰিপোৰ্টৰ সেই একে পৃষ্ঠাতে উল্লেখ কৰিছে।

Three standing crops and huge materials for which compensation was paid were not disbursed in Nowgong District. Excepting in earlier cases no register was maintained. Compensation for acquisition was paid even in case where the Zebra was prepared and have been removed either by the owners of the land or by the people of other parties. The total compensation paid on this account in the three districts was as follows,

Kamrup Rs. 14,45,187/—

Sibsagar Rs. 8,20,849/—

Nowgong Rs, 9 lakhs.

ৰাজহৰ ক্ষেত্ৰত বিশেষকৈ কামৰূপ আৰু শিৱসাগৰ জিলাত প্ৰায় ২ লক্ষ টকাৰ এতিয়ালৈকে কোনো ভাউচাৰ, হিচাবপত্ৰ আদি নাই।

The following amount were drawn by the collector and paid to the Sub-Deputy Collector and Land Acquisition Officer for disbursement but the disbursement could not be varified as there was no entries in the cash books and payees receipt

গতিকে আজি বিভিন্ন ক্ষেত্ৰত দেখা যায় মাটি অধিগ্ৰহণ কৰাৰ ক্ষেত্ৰত সকলোৱে সমালোচনা কৰিছে আৰু ৰিপোৰ্টৰ পৰাও এই কথা প্ৰমান হয় যে ক্ষতিপূৰণ দিয়াৰ ক্ষেত্ৰত বহুত টকা অপচয় হৈছে আৰু সেই অপচয় বন্ধ কৰিব নোৱাৰিলে লক্ষ লক্ষ টকা অপচয় হৈয়ে থাকিব। ৰিপোৰ্টত উল্লেখ কৰা হৈছে যে বিভিন্ন শিতানত যিমান টকাৰ পেমেণ্ট কৰা হ'ল সেই পেমেণ্টমতে দেখা যায় বহুতো টকা অপচয় হৈছে।

৩৯ পৃষ্ঠাত কোৱা হৈছে— Page 39. Misappropriation in page 56 of the report in the year 1969-70 Mention was made of 31 cases of misappropriation. Amount is Rs. 8·20 lakhs between April, 1968 to August, 1970. Subsequently upto August, 1971 20 more cases of misappropriation of Govt. Money amounting to Rs. 4.30 lakhs were reported. ৰিপোৰ্টত উল্লেখ কৰা হৈছে কিন্তু চৰকাৰৰ পক্ষৰ পৰা যিবিলাক বিভাগে টকাৰ অপচয় কৰিছে সেই বিভাগৰ কি কঠোৰ ব্যৱস্থা লোৱা হৈছে সেই কথা চৰকাৰে জনোৱা নাই। অন্যান্য বিভাগ বিলাকৰ কথাও ইয়াত উল্লেখ কৰা হৈছে। মই গোটেইবিলাক পঢ়িবলৈ নাযাও কিন্তু দেখা যায় বান নিয়ন্ত্ৰণ বিভাগে যিমান টকাৰ অপচয় কৰাৰ কথা উল্লেখ কৰিছে সেই বিলাক সম্পৰ্কে এতিয়ালৈকে চৰকাৰৰ পক্ষৰ পৰা অডিট বিভাগক কৈফিয়ৎ দিয়া নাই। ইয়াত মাত্ৰ আমি এটা কথা উল্লেখ কৰিব বিচাৰিছো যে মঙ্গলদৈ বাননিয়ন্ত্ৰণ বিভাগে—

Page 44—0·29 Lakhs has been paid in excess to the contractors.

তেনেকুৱা বহুত ডিভিজনৰ কথা ইয়াত উল্লেখ কৰা হৈছে। গতিকে দেখা যায় ৰাজ্যখনৰ সকলো বিভাগতে টকাৰ অপচয় হোৱা বুলি অডিট অবজেকচন হৈছে যিটো অত্যন্ত বেয়া। অৱশ্যে একেবাৰে অপচয় বন্ধ কৰা সম্ভৱপৰ নহয় যদিও চৰকাৰৰ পক্ষৰ পৰা কঠোৰ ব্যৱস্থা যদি লোৱা হয় তেনেহলে আমাৰ ৰাজ্যত বাজেট ঘাটি হোৱাৰ পৰিবৰ্ত্তে বাহি হোৱাৰ সম্ভাৱনা আছে। সেই কাৰণে চৰকাৰক অনুৰোধ কৰিব বিচাৰিছো যে আমাৰ আৰ্থিক অৱস্থা উন্নতি কৰিবৰ কাৰণে ৰাজহুৱা ধনৰ অপচয় বন্ধ কৰা কাৰণে চৰকাৰে কঠোৰ ব্যৱস্থা লোৱা প্ৰয়োজন আৰু যিবিলাক বিভাগত ৰাজহুৱা ধনৰ অপচয়ৰ কথা উল্লেখ কৰা হৈছে সেই অপচয় সম্পৰ্কে চৰকাৰে বেছি সজাগ দৃষ্টি ৰখা দৰ্কাৰ। ৰিপোৰ্টত এই কথা দেখুওৱা হৈছে যে এই সময়চোৱাৰ ভিতৰত বহুতো টকা বিভিন্ন শিতানত আদায় হোৱা নাই।

উপাধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী তথা বিত্তমন্ত্ৰী মহোদয়ে নতুন কৰ কাটলৰ এটা কথা উল্লেখ কৰিছে অৱশ্যে এই কৰকাটল কেনে

হব উল্লেখ কৰা নাই। কিন্তু এই কথা আমি কব পাৰো যে ৰিপোৰ্টৰ বিক্ৰীকৰ শিতানত আৰু অন্যান্য কৰকাটল শিতানত যিখিনি টকা এতিয়ালৈকে আদায় কৰিবলৈ বাকী আছে সেইখিনি আদায় কৰিব পাৰিলে এই বছৰ বাজেট ঘাটি হোৱাৰ পৰিবৰ্ত্তে ৰাহি হব পাৰে।

ৰিপোৰ্টৰ ৫৫ পৃষ্ঠাত দেখুউৱা হৈছে যে, কেৱল মাত্ৰ বিক্ৰী কৰৰ শিতানতেই ১৯৭১ চনৰ ৩১ মাৰ্চ্চলৈকে আদায় কৰিব লগা বিক্ৰীকৰৰ পৰিমাণ হৈছে দুই কোটি, পঞ্চাচ লক্ষ ত্ৰিশ হাজাৰ টকা। সেই টকা খিনি চৰকাৰে কিয় আদায় কৰিব পৰা নাই? আমি এই কথা জানো যে, ডাঙৰ ডাঙৰ ব্যৱসায়ী সকলে বিক্ৰী কৰ তেওঁবিলাকৰ গ্ৰাহক সকলৰ পৰা আদায় কৰিছে কিন্তু চৰকাৰক সেই কৰ দিয়াৰ ক্ষেত্ৰত সেইটো ফাকি দিছে আৰু দিয়া নাইকীয়া। অনেক সময়ত আমি এই কথাও দেখা পাইছোঁ যে, এই কৰ বিলাক আদায় কৰাৰ ক্ষেত্ৰত চৰকাৰী পক্ষৰ পৰা বিশেষ সহানুভূতিও দেখুউৱা হয়। এই পৱিত্ৰ সদনতে এই বিষয়ে বহুবাৰ নানান আলোচনা বিলোচনা আদি হৈ গৈছে। যিবিলাক গোচৰ চৰকাৰৰ তৰফৰ পৰা এই আয়কৰ, বিক্ৰী কৰ আদিৰ ক্ষেত্ৰত হাইকৰ্টত তৰা হয় সেইবিলাক কেছতো আমি এই কথা দেখিবলৈ পাইছোঁ যে, তাত আমাৰ চৰকাৰী পক্ষ কেতিয়াও জিকিব পৰা নাই, সদায়েই পৰাজিত হৈয়ে আছে। আজি এই কথা সচাকৈয়ে বুজা অতি টান হৈ পৰিছে যে, বিক্ৰীকৰ শিতানত থকা এই দুই কোটি পঞ্চাচ লক্ষ ত্ৰিশ হাজাৰ টকা কিয় অনাদায় হৈ পৰি আছে আৰু এই টকা কিয় চৰকাৰৰ ৰাজহত জমা কৰিব পৰা নাই? সেই ৰিপোৰ্টৰে অন্যান্য শিতানত (পঞ্চাচ পৃষ্ঠাত দিয়া হৈছে) বিশেষকৈ আমাৰ গাঁৱলীয়া অঞ্চলৰ ধনী কৃষক সকলৰ ওপৰত যিবিলাক এগ্ৰিকালচাৰেল ইন্‌কাম টেক্স লগোৱা হৈছিল সেই বিলাক টকাও চৰকাৰে সংগ্ৰহ কৰিব পৰা নাই আৰু এই ক্ষেত্ৰত চৰকাৰে ব্যৰ্থতাহে দেখুৱাইছে। সেই ৰিপোৰ্টৰ ভিতৰত উল্লেখ কৰা মতে 'এগ্ৰিকালচাৰেল ইন্‌কাম টেক্স'ৰ শিতানত অনাদায় হৈ পৰি থকা কৰৰ পৰিমাণ হৈছে এক কোটি সাত চল্লিশ লক্ষ উনোসত্তৰ হেজাৰ টকা। মুঠৰ উপৰত ওপৰত উল্লেখ কৰা এই দুয়োটা শিতানৰ ভিতৰত অতি কমেও প্ৰায় চাৰি কোটি টকা

অনাদায় হৈ পৰি আছে। আজি আমাৰ গাওঁ অঞ্চলত কোন বিলাক লোকৰ পৰা এই বিলাক কৰৰ টকা আদায় কৰিবলৈ বাকী আছে? আমাৰ গাওঁ অঞ্চলত যিবিলাক অতি ধনী মানুহ অৰ্থাৎ যিবিলাক ধনী কৃষক লোক আৰু যিবিলাক ধনী ধনী ব্যৱসায়ী লোক—এই দুই শ্ৰেণীৰ লোকৰ পৰাই আদায় কৰিবলগীয়া এই চাৰি কোটিতকৈও অধিক পৰিমাণৰ টকা অনাদায়ী হৈ পৰি আছে। আজি আমাৰ চৰকাৰে এই চাৰি কোটি টকা আদায় কৰিব নোৱাৰাৰ অন্য কোনো কাৰণ থাকিব নোৱাৰে। ইয়াৰ একমাত্ৰ কাৰণ হৈছে এই বিলাক কৰ আদি আদায় কৰাৰ ক্ষেত্ৰত থকা চৰকাৰী আইন কানুন বিলাক কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত আৰু প্ৰযোজ্য কৰা ক্ষেত্ৰত থকা ঢিলা-সোলোকা নীতি আৰু কঠোৰ ব্যৱস্থাৰ অভাৱ। ধনী ব্যৱসায়ী লোক আৰু ধনীক শ্ৰেণীৰ কৃষকৰ পৰা এই কৰ বিলাক আদায় কৰাৰ ক্ষেত্ৰত চৰকাৰী পক্ষৰ পৰা দেখুউৱা ৰেহাই দিয়া মনোভাৱৰ কাৰণেই আজি এই চাৰি কোটিতকৈও অধিক টকা অনাদায় কৰ হিচাবে বৈ গৈছে। সেই কাৰণেই উপাধ্যক্ষ মহোদয়, আজি আমাৰ বাজেটত ঘাটি হোৱাৰ একমাত্ৰ কাৰণ হৈছে চৰকাৰৰ বিভিন্ন বিভাগ বিলাকে কৰা অপচয় আৰু অন্যহাতেদি ব্যৱসায়ী আৰু ধনীক কৃষক শ্ৰেণীৰ পৰা কৰকাটল আদি সংগ্ৰহ কৰাৰ ক্ষেত্ৰত চৰকাৰে বিশেষকৈ বিত্তীয় বিভাগে দেখুউৱা ব্যৰ্থতা। এই দুটা কাৰণতে আমাৰ প্ৰদেশ খনৰ অৰ্থ নৈতিক অৱস্থাটো বেয়া হৈ গৈ আছে। সেইকাৰণেই মই এই কথা চৰকাৰৰ ওচৰত দাবী কৰিছোঁ যে, অনাদায়ী কৰ কাটল আদি আদায় কৰাৰ ক্ষেত্ৰত চৰকাৰে কঠোৰ ব্যৱস্থা লব লাগে। তাতোকৈ আৰু এটা লক্ষ্য কৰিবলগীয়া কথা হৈছে যে, ৯৭১ চনলৈকে এই সময় হোৱাৰ ভিতৰত বিশেষকৈ ১৯৭১ চনৰ চেপ্তেম্বৰ মাহলৈকে হোৱা চৰকাৰৰ বিভিন্ন বিভাগৰ 'অডিট অব্‌জেক্সন' বিলাক। চৰকাৰৰ অডিট অব্‌জেক্সন মতে বিভিন্ন বিভাগ আদিত হোৱা খেলিমেলিৰ সৰ্ব্বমুঠ হিচাবটো হৈছে প্ৰায় ৫৩ কোটি টকা আৰু ইয়াৰ ভিতৰত প্ৰায় ৪১ কোটি দুই লক্ষ টকাৰ কোনো হিচাব পত্ৰ আদি এতিয়ালৈকে দিব পৰা নাইকীয়া। ৰিপোৰ্টৰ ৯৪ পৃষ্ঠাত এই কথাটো উল্লেখ কৰিছে।

Rupees 412.20 lakhs of the total amount is for want of detailed contingent bills, vouchers, payee's

receipt and other documents.

গতিকে ইমানখিনি টকাৰ প্ৰায় ৪১ কোটি টকাৰ কিয় আজিলৈকে যাক চৰকাৰৰ বিভিন্ন বিভাগে টকা দিছিল তাৰ ৰচিদ দিব পৰা নাই ? এই ক্ষেত্ৰত আমি ধৰি লোৱা ভাল হব যে, এই ক্ষেত্ৰত এটা বিৰাট পৰিমাণৰ টকা অপচয় হৈ আছে। ইয়াত যথেষ্ট সন্দেহ কৰিব লগীয়া থল আছে। সেই কাৰণেই আজি বিশেষকৈ বিত্তীয় পৰিস্থিতি ভাল কৰিবলৈ হলে চৰকাৰৰ বিভিন্ন বিভাগৰ খৰছ কৰিবলৈ দিয়া টকা বিলাকৰ ক্ষেত্ৰত কঠোৰ ব্যৱস্থা হাতত লব লাগে। ৰিপোৰ্টৰ পৰা যি দেখা গৈছে যে, আমাৰ বহুখিনি ৰাজহৰ টকা অপচয় হৈছে। এই অপচয় খিনি বন্ধ কৰিব পাৰিলে আমাৰ বাজেটত 'ডেফিচিট' হোৱাৰ পৰিবৰ্ত্তে ৰাহিহে হ'লহেতেন। মাননীয় উপাধ্যক্ষ মহোদয়, আজি আমি এটা কথা লক্ষ্য কৰিছোঁ যে, আমাৰ প্ৰদেশখনত নিবনুৱাৰ সংখ্যা ক্ৰমান্বয়ে বাঢ়িহে গৈছে। ইতিমধ্যে আমাৰ 'এমপ্লয়মেণ্ট ৰিভিউ' কমিটিৰ ৰিপোৰ্টত যিটো দেখা পোৱা গৈছে যে, আমাৰ গাওঁ অঞ্চলতেই হওঁক বা আমাৰ নগৰ অঞ্চলতেই হওঁক প্ৰত্যেক দিনে প্ৰত্যেক বছৰেই এই নিবনুৱাৰ সংখ্যা বাঢ়িবহে লাগিছে। আমাৰ প্ৰদেশখনত প্ৰকৃতপক্ষে কিমান নিবনুৱা আছে সেইটোৰ হিচাব আমি দিব নোৱাৰিলেও এই কথা কোনেও নুই কৰিব নোৱাৰে যে, প্ৰত্যেক দিনেই আৰু প্ৰত্যেক বছৰেই আমাৰ নিবনুৱাৰ সংখ্যা প্ৰদেশ খনত বাঢ়িব লাগিছে। আৰু ইয়াৰ গতটোও ৰঢ়াৰ ফালেহে। সেই কাৰণেই আজি এই সমস্যাটো আমাৰ অকল প্ৰদেশখনৰে নহয় আমাৰ ৰাষ্ট্ৰীয় সমস্যা হৈ পৰিছে আৰু ইয়াক সমাধান কৰাটোও ৰাষ্ট্ৰীয় কৰ্ত্তব্য হিচাবে আহি পৰিছে। এই নিবনুৱা সমস্যা সমাধান কৰিবলৈ যাওঁতে আমি আমাৰ ৰাষ্ট্ৰখনৰ উদ্যোগীকৰণৰ কথাটো কেতিয়াও অস্বীকাৰ আৰু আওকান কৰিব নোৱাৰো। আজি আমি এইকথাটো বিবেচনা কৰি চাব লাগিব যে, আমাৰ ৰাজ্যখনৰ ব্যাপক উদ্যোগীকৰণৰ অবিহনে আমাৰ নিবনুৱা সমস্যাটো সমাধান কৰিব পৰা হবনে নহয় ? এইটো কথাও থিক যে, উদ্যোগীকৰণ মানে অকল কল-কাৰখানা আদি স্থাপন কৰাটোৱেই নহয়। কিছু দিনৰ আগতে উদ্যোগীকৰণৰ ৰাখ্যাত এই কথাটো কোৱা হৈছে যে, উদ্যোগীকৰণ মানে দেশত

ডাঙৰ ডাঙৰ কল কাৰখানা আদি স্থাপন কৰাটোৱেই নহয়, আজি আমাৰ কৃষি ব্যৱস্থাটো আধুনিকীকৰণৰ ক্ষেত্ৰত, আমাৰ গাৱেঁ ভূৱেঁ যিবিলাক সৰু সৰু শিল্প আদি আছে এই গোটেই বিলাক কথা আমাৰ উদ্যোগীকৰণৰ ক্ষেত্ৰত ধৰিব লাগিব কিয়নো তাত কোটি কোটি মানুহৰ সংস্থানৰ ব্যৱস্থা আছে। উদ্যোগীকৰণৰ ক্ষেত্ৰত এটা নিৰ্দ্দিষ্ট সীমাৰেখা বান্ধিহে ব্যাপক ভাৱে এই কথাটো চিন্তা কৰা প্ৰয়োজন। এই দৃষ্টিকোণৰ ফালৰ পৰাই আমাৰ ৰাজ্যখনৰ উদ্যোগীকৰণৰ কথাটো চিন্তা কৰি চোৱা নিতান্তই প্ৰয়োজনীয় কথা।

উপাধ্যক্ষ মহোদয়, আজি কিছুদিন আগতে চৰকাৰৰ পক্ষৰ পৰা বোধকৰো যোৱা বছৰ বাজেট বক্তৃতাৰ সময়ত কেইটামান তথ্য চৰকাৰে দিছিল, সেই সময়তো আছিল ১৯৭৩ চনৰ ১ মাৰ্চ তাৰিখ। সেই সময়ত অৰ্থাৎ প্ৰকাশ কৰাৰ সময়ত দেখা যায় যে ভাৰতবৰ্ষত অৰ্থনীতিত অসমৰ স্থান কেনে ধৰণৰ আছিল, সেইমতে তুলনা কৰি দেখা গ'ল যে ভাৰতবৰ্ষৰ ভিতৰতে কেইটামান বিষয়ত আমাৰ অসম প্ৰদেশ খনৰ উৎপাদনৰ ক্ষমতা গোটেই ভাৰতবৰ্ষৰ আধাতকৈ বেচি। চাহ উৎপাদনৰ ক্ষেত্ৰত দেখা যায় গোটেই ভাৰতবৰ্ষতে যিমান পৰিমাণৰ চাহ উৎপাদন হয় তাৰ শতকৰা ৫০ ভাগ চাহ বা তাতোকৈ বেচি কেৱল অসম প্ৰদেশতে হয়, গোটেই ভাৰতবৰ্ষতে যিমান খাৰুৱা তেল উৎপাদন হয় অসমত তাৰ আধাতকৈ বেচি উৎপাদন হয়। সেইদৰে গোটেই ভাৰতবৰ্ষতে যিমান প্ৰাকৃতিক গেচ উৎপাদন হয় অসম প্ৰদেশতে তাৰ আধাতকৈ বেচি উৎপাদন হয়।

গতিকে এই তথ্যৰ পৰা আমি কব পাৰো যে অসম প্ৰদেশখন জনসংখ্যাত সৰু হলেও ভাৰতবৰ্ষৰ ভিতৰতে কোনো কোনো ক্ষেত্ৰত আমি সকলোতকৈ সমৃদ্ধিশালী। অকল অইন প্ৰদেশৰ লগত তুলনা কৰাই নহয়, গোটেই ভাৰতবৰ্ষৰ সম্পুৰ্ণ আধাতকৈ আমি বেচি উৎপাদন কৰো। ইয়াৰ পৰা আমি উদ্ভাৱন কৰিব নোৱাৰোনে যে আমাৰ প্ৰদেশত যিবিলাক বস্তুৰ উৎপাদন সৰহ হয় সেইবিলাকৰ ওপৰত নিৰ্ভৰ কৰি সেই ধৰণৰ উদ্যোগবিলাক গঢ়ি তুলিব নোৱাৰিনে? ইয়াৰ আগতে আমাৰ কেবাজনো মাননীয় সদস্যই উল্লেখ কৰিছে আৰু যোৱাকালি আমাৰ ৰাজহ মন্ত্ৰীয়ে বিবৃতিত উল্লেখ কৰিছে যে আমাৰ প্ৰদেশখনত তেল সম্পদৰ ক্ষেত্ৰত

তেলজাতীয় সামগ্ৰীৰ ওপৰত নিৰ্ভৰ কৰি চৰকাৰে উদ্যোগ গঢ়ি তোলাটো নিতান্তই প্ৰয়োজন। আগতে এই বিষয়ে আলোচনা কৰা স্বত্বেও এই কথা তেতিয়া স্পষ্ট হৈ পৰিছিল আৰু এতিয়াও এই কথা স্পষ্ট হৈ পৰিছে যে আমাৰ প্ৰদেশখন আৰু অধিক সমৃদ্ধিশালী কৰাৰ কাৰণে আৰু আমাৰ প্ৰদেশখনৰ আৰ্থিক অৱস্থা অধিক টনকীয়াল কৰাৰ কাৰণে আমাৰ প্ৰদেশৰ যিবিলাক সম্পদ আছে বিশেষকৈ তৈল সম্পদ, সেই সম্পদৰ ওপৰত নিৰ্ভৰ কৰিহে উদ্যোগ গঢ়িবলৈ বিশেষ ভাৱে জোৰ দিয়াটো নিতান্ত প্ৰয়োজন।

আজি কিছুদিন আগতে ছোভিয়েট ৰাচিয়াৰ এটা তৈল বিশেষজ্ঞ দলে ছোভিয়েট তৈল মন্ত্ৰীৰ লগত আমাৰ ইয়ালৈ আহিছিল আৰু সেই সময়ত ভাৰতবৰ্ষৰ তৈল মন্ত্ৰী শ্ৰীদেৱকান্ত বৰুৱা দেৱে কেবাখনো ৰাজহুৱা সভাত এই কথা স্পষ্টভাৱে ঘোষণা কৰিছিল যে ভাৰতবৰ্ষৰ ভিতৰতে আমাৰ প্ৰদেশৰ তৈল সম্পদ আটাইতকৈ বেছি আৰু আমাৰ প্ৰদেশখনৰ তৈল সম্পদৰ ওপৰত নিৰ্ভৰ কৰিয়েই আমাৰ ৰাজ্যত উদ্যোগ স্থাপন কৰিব পাৰি আৰু এই উদ্যোগ স্থাপনৰ ক্ষেত্ৰত যিমান খিনি আগবাঢ়িব লাগিছিল সেইখিনি হোৱা নাই। এতিয়ালৈকে পোৱা হিচাবমতে আমাৰ অসমত প্ৰায় ৪২ লাখ টন খাৰুৱা তেল উৎপাদন হয়।

ইয়াৰ ভিতৰত ৩০ লাখ টনতকৈয়ো অধিক 'অইল ইণ্ডিয়াই' উৎপাদন কৰে আৰু ১২ লাখতকৈ অধিক অ' এন, জি, চিয়ে উৎপাদন কৰে। গতিকে ভাৰতবৰ্ষৰ তৈল পথাৰত এই ২টা উদ্যোগে উৎপাদন কৰে প্ৰায় ৪৫ লাখ আৰু তাতকৈ বহু বেচি পৰিমাণ উৎপাদন কৰাৰ থল হৈ গৈছে আৰু উৎপাদন কৰাৰ সম্ভাৱনা হৈ গৈছে। ইয়াৰ ভিতৰত আমাৰ প্ৰদেশখনে তেল শোধনৰ ক্ষেত্ৰত মাত্ৰ ২০ লাখ টন উৎপাদন কৰিছে, ডিগবৈত ·২৫ মিলিয়ন টন, গুৱাহাটীত ·৭৫ মিলিয়ন টন আৰু বঙাইগাওঁত-১ মিলিয়ন টন। গতিকে আমাৰ প্ৰদেশখনত যিমানখিনি খাৰুৱা তেল উৎপাদন হয় সেইখিনি এই ৩টা শোধানাগাৰৰ জৰিয়তেই হ'ল। আমাৰ প্ৰদেশত শতকৰা ৫০ ভাগ খাৰুৱা তেল উৎপাদন হয় আৰু বাকী ২২ লাখ খাৰুৱা তেল বাৰাউণিত শোধন কৰাৰ ব্যৱস্থা আছে।

উপাধ্যক্ষ মহোদয়, আজি যদি আমি তুলনা কৰি চাওঁ ভাৰতবৰ্ষৰ ভিতৰত গুজৰাটত তেল আৱিষ্কৃত হ'ল, গুজৰাটত যিমানখিনি তেল আৱিষ্কৃত হ'ল আৰু সেই তেল আৱিষ্কাৰ হোৱাৰ লগে লগে তেল পৰিশোধন কৰাৰ কাৰণে ব্যৱস্থা কৰা হৈছে আৰু সেই তেলৰ ওপৰতেই নিৰ্ভৰ কৰি নতুন নতুন উদ্যোগ স্থাপন কৰাৰ কাৰণে উপায় উদ্ভাৱন কৰা হৈছে। গুজৰাটত ৬০ লাখ টনলৈ সম্প্ৰসাৰণ কৰা হ'ল। সেইকাৰণে আমাৰ প্ৰদেশত যিমানখিনি খাৰুৱা তেলৰ উৎপাদন হ'ল আৰু যিমানখিনি অধিক তেল উৎপাদন কৰাৰ সম্ভাৱনা আছে সেই আটাইখিনি তেল যাতে তেল পথাৰৰ পৰা 'এক্সপ্লোৰ' কৰিব পাৰি আৰু সেই উৎপাদন কৰা ওপৰত নিৰ্ভৰ কৰি যাতে আমি উদ্যোগ স্থাপন কৰিব পাৰো তাৰ কাৰণে আমি কেন্দ্ৰীয় চৰকাৰক জোৰ দিব লাগিব আৰু ৰাজ্যিক চৰকাৰে যাতে কেন্দ্ৰীয় চৰকাৰক দাবী কৰে। থিক একেদৰেই আজি ত্ৰিপুৰাত কিছুদিন আগতে তেল আৱিষ্কৃত হোৱাৰ পাচত তেওঁলোকে কেন্দ্ৰীয় চৰকাৰক তেলৰ ওপৰত উদ্যোগ স্থাপন কৰাৰ কাৰণে দাবী কৰিছে, সেই দাবী তেওঁলোকৰ যুক্তিসংগত দাবী।

সেইকাৰণে মই আজি ৰাজ্যিক চৰকাৰক অনুৰোধ কৰিছোঁ যাতে তেওঁলোকে কেন্দ্ৰীয় চৰকাৰক জোৰ দি ধৰে যাতে আমাৰ প্ৰদেশৰ সাম্ভাব্য আটাইখিনি তেলেই 'এক্সপ্লোৰ' কৰিবৰ কাৰণে এই ৩ টা শোধনাগাৰৰ উপৰিও আৰু এটা শোধনাগাৰ দাবী উত্থাপন কৰিব লাগে। সেই ক্ষেত্ৰত উপাধ্যক্ষ মহোদয়, ২য় তেল শোধনাগাৰ স্থাপনৰ সময়ত কেন্দ্ৰীয় চৰকাৰে বিশেষজ্ঞ কমিটি নিয়োগ কৰিছিল—সেই কমিটিৰ ৰিপোৰ্টত লিখা আছে—

Report of the Expert Committee constituted by the Government of India to study and report on the techno-economic feasibility of locating additional refining capacity in Assam.

সেই ৰিপোৰ্টত তেওঁলোকে বহুখিনি কথাই আলোচনা কৰিছে কিন্তু আলোচনা কৰিবলৈ যাওঁতে তেওঁলোকে অসমত তেল শোধনাগাৰ স্থাপন কৰিবলৈ স্থান নিৰ্বাচন সম্পৰ্কত যি কেইখন ঠাইৰ নাম উল্লেখ কৰিছিল

তাৰ ভিতৰত (১) গেলেকি, (২) নাজিৰা, (৩) গুৱাহাটী, (৪) ধুবুৰী, (৫) বাৰাউনী, (৬) কানপুৰ এই কেইখন ঠাইত—এই ঠাইকেইখনত শোধনাগাৰ স্থাপন কৰিবলৈ গ'লে তুলনামূলক ভাৱে পৰীক্ষা কৰি চাই দেখা গ'ল এই ঠাইকেইখনত খৰচৰ পৰিমাণ খুব কম-বেচি নহয়, কিন্তু আমি জনাত অৰ্থাৎ আমি দেখা মতে ভাৰতবৰ্ষত বিশেষকৈ উদ্যোগবিলাক বা ডাঙৰ ডাঙৰ উদ্যোগ য'ত হৈছে সেইবোৰ ডাঙৰ ডাঙৰ চহৰকে কেন্দ্ৰ কৰি এই উদ্যোগবোৰ হৈছে, কিন্তু সৰু সৰু যিবিলাক পিচপৰা অঞ্চল আছে বিশেষকৈ যিবিলাক অঞ্চলত প্ৰচুৰ পৰিমাণৰ সম্পদ পোৱা যায় বা উৎপাদন হয় সেইবিলাক অঞ্চলত উদ্যোগীকৰণ কৰাৰ কাৰণে বিশেষ মনোযোগ দিয়া হোৱা নাই। সেইকাৰণে আজি পৃথিৱীৰ বিশেষজ্ঞ সকলে এটা কথা বিবেচনা কৰিছে যে উদ্যোগস্থাপন কৰাৰ ক্ষেত্ৰত কি নীতি নিৰ্ধাৰণ কৰা প্ৰয়োজন আৰু সেই ক্ষেত্ৰত মই এটা কথা উল্লেখ কৰিব বিচাৰিছোঁ যে এই বিষয়ত যথেষ্ট মতানৈক্য অকল ভাৰতবৰ্ষতেই নহয় পৃথিৱীতেই সৃষ্টি হৈছে—বিশেষকৈ এই উদ্যোগবিলাকৰ 'লোকেশ্যন' আৰু স্থান কেনেকুৱা হোৱা দৰকাৰ আৰু সেই সম্পৰ্কে এই বিষয়ৰ এখন পুস্তিকাত প্ৰকাশ পাইছে। তাত উল্লেখ কৰা মতে ভাৰতবৰ্ষ আৰু অন্যান্য প্ৰদেশত কেনে ধৰণৰ আৰু বিশেষকৈ যিবিলাক পিছপৰা অঞ্চল আছে সেই বিলাকৰ সম্পৰ্কত কেনে ধৰণৰ নীতি লোৱা দৰকাৰ সেই বিষয়ে এটা আলোচনা কৰি পৰামৰ্শ দাঙি ধৰিছে। উপাধ্যক্ষ মহোদয়, এইখিনি ক্ষেত্ৰত মই এটা 'পেৰেগাফ' পঢ়ি দিব বিচাৰিছোঁ।

"Consideration of the regional aspects of Industrialisation makes for a more effective utilisation of capital investments on a national scale. Capital investments yield a quick return in more developed regions, but in the long run the highest effectiveness of investments can be achieved by opening up less developed regions rich in natural resources and other potentials. In every actual case, regional analysts must lead to an optimal combination of both industrial location and regional development in the short a d long term.

A balance in the solution of economic and social problems

is of primary importance in regional development. The regional policy of the developing countries should be aimed at a socially as well as economically effective development of the regions.

But since the resources of different regions vary, the strategy of industrialisation should aim at the development of each region to its maximum potential rather than at equality in the development of all the regions."

গতিকে আজি তেনে বিশেষজ্ঞ সকলৰ এটা মত হৈছে যে যিবিলাক অঞ্চলত সম্পদ আছে সেই বিলাক অঞ্চলতে উদ্যোগ স্থাপন কৰা হ'লে বেছি উৎপাদন কৰিব পৰা যায় সেই কাৰণে আমি অসমৰ ভিতৰতে আৰু বিশেষকৈ অসমৰ তেল পথাৰৰ সমীপতে এই উদ্যোগ স্থাপন কৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰা প্ৰয়োজন।

উপাধ্যক্ষ মহোদয়, আজি আমাৰ প্ৰদেশৰ সামগ্ৰিক অৰ্থনৈতিক অৱস্থা ভাল কৰিবলৈ যাওঁতে আমাৰ শতকৰা ৫৫ ভাগ যে কৃষিৰ পৰা আহে সেই কথালৈ লক্ষ্য ৰাখি কৃষি অৰ্থনৈতিক দিশত অধিক মনযোগ দিব লাগিব। সেই ক্ষেত্ৰত যি বিলাক ভূমি সংস্কাৰ আইন চৰকাৰে গ্ৰহণ কৰিছে, চিলিং আইন, প্ৰজাস্বত্ব আইন এই আটাইবিলাক আইন কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত এতিয়াও ৰাজ্যিক চৰকাৰে বিশেষ ব্যৱস্থা লব পৰা নাই। অলপতে এখন চাৰ্কুলাৰ কপি দেখিবলৈ পাইছো তাত প্ৰত্যেক মহকুমাতে ল্যাণ্ড নিউজ অথৰিটি গঠন কৰাৰ কাৰণে লিখিছে। হৈছে সেই চাৰ্কুলাৰত কমিটি বিলাকক ভূমি সংস্কাৰ সম্পৰ্কীয় আইন বিলাক কাৰ্য্যকৰী কৰিবলৈ সহায় কৰিবলৈ কোৱা হৈছে। কিন্তু আমি এই কথা কব নোৱাৰো যে যি ভাৱে কমিটি বিলাক গঠন কৰিবলৈ কোৱা হৈছে। সেই নীতি যদি কমিটি বিলাক গঠন কৰোতে অৱলম্বন কৰা হয় সেই কমিটি বিলাকে প্ৰকৃত ভাৱে ভূমি সংস্কাৰ আইন বিলাক কাৰ্য্যকৰী কৰাত সহায় কৰিব পাৰিবনে ? পুৰণি অভিজ্ঞতাই এইটো কথা বাৰুকৈয়ে প্ৰমাণ কৰিব যে সেই কমিটি বিলাকে সহায় কৰাৰ সলনি বহু ক্ষেত্ৰত বাধাৰহে সৃষ্টি কৰিব। সেই কাৰণে চৰকাৰৰ ওচৰত এই কথা দাবী

জনাইছো যে ভূমি সংস্কাৰ আইন বিলাক কাৰ্য্যকৰী কৰাৰ কাৰণে লেণ্ড নিউজ অথৰিটিৰ ওপৰত দায়িত্ব অৰ্পণ নকৰি প্ৰতি মহকুমাতে ভূমি সংস্কাৰ বোৰ্ড গঠন কৰিবলৈ আৰু সেই বোৰ্ডে যাতে ভূমি সংস্কাৰ আইন কাৰ্য্যকৰী কৰা ৰাজনৈতিক দলৰ মানুহৰ দ্বাৰা গঠিত কৰা হয় সেই কথালৈও চাব লাগিব। আৰু সেই কমিটি বিলাকৰ ওপৰত আইন কাৰ্য্যকৰী কৰা মাটি বিতৰণ কৰা আৰু মাটিৰ মালিকৰ ওপৰত আইন মতে ব্যৱস্থা লোৱাৰ ক্ষেত্ৰতো সেই কমিটি বিলাকে কাম কৰিব লাগিব। ইয়াৰ অবিহনে অসমত ভূমি সংস্কাৰ আইন কাৰ্য্যকৰী কৰা সম্ভৱপৰ নহয়।

উপাধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই তেখেতৰ ভাষণত কৈছে যে নতুনকৈ কৰ-কাটলৰ আঁচনি উত্থাপন কৰা হব কিন্তু এইটো কথাও ঠিক যে আমাৰ প্ৰদেশখনৰ মানুহৰ যি আৰ্থিক অৱস্থা আৰু ইমান দিনে ৰাজহৰ নামত যি অপচয় হৈছে সেই বিলাকৰ সম্পৰ্কত চৰকাৰে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিলে নতুন কৰ-কাটলৰ প্ৰয়োজন নাছিল। নহলে এই অৱস্থাৰ ভিতৰেৰে উন্নতি কৰা সম্ভৱপৰ নহয়। সেই কাৰণে নতুন কৰ-কাটল লগোৱাৰ পৰিবৰ্তে এই ধৰণৰ সঠিক ব্যয় কৰি অপচয় বন্ধ কৰি যিবিলাক কৰ-কাটল বাকী আছে সেই বিলাক সংগ্ৰহ কৰাৰ কাৰণে চৰকাৰে ব্যৱস্থা লব লাগিব। তাৰোপৰি আজি আমাৰ যিটো নতুন কৰ-কাটল তালৈ যদি আমি চাওঁ তেতিয়াহলে আমাৰ প্ৰদেশত নতুনকৈ কৰ-কাটল লগোৱাৰ কিবা সম্পদ আছে নে নাই সেইটো চাব লাগিব। ষ্টেট টেক্সেচন ইন আসামত চৰকাৰৰ পক্ষৰ পৰা যিটো তথ্য দিছে তাত যিটো দেখা যায় ভাৰতবৰ্ষৰ আন আন প্ৰদেশৰ লগত ৰিজাই চালে দেখা যায় আমাৰ প্ৰদেশৰ পাৰ কেপিটা টেক্স ১৯৭০-৭১ চনত ১৯.২৪ টকা, বিহাৰত হৈছে ১৬.২৬ টকা আনকি উত্তৰ প্ৰদেশতকৈও বেছি। ১৯৬৬-৬৭ চনত অসমৰ আছিল ১০.৬৩ টকা আৰু এইটো পাঁচ বছৰৰ পিচত ১৯৭০-৭১ চনত হলহি ১৯.২৪ টকা। ভাৰতবৰ্ষৰ অন্যান্য প্ৰদেশত আমাৰ প্ৰদেশতকৈ আজিও অন্ধ্ৰ প্ৰদেশত, ওৱেষ্ট বেঙ্গল বা তামিলনাড়ুৰ বেছি। এই বিলাক ক্ষেত্ৰত কেৱল টেক্সৰ কথাই বিবেচনা কৰি চালে নহব। কিয়নো সেই প্ৰদেশ বিলাকত উদ্যোগীকৰণ বেছি হৈছে বিজুলী

শক্তি অধিক ভাৱে সম্প্ৰসাৰিত হৈছে গতিকে সেই প্ৰদেশ বিলাকৰ সৰ্ব-সাধাৰণ মানুহ বিলাকৰ সামাজিক, আৰ্থিক উন্নতি হোৱাৰ কাৰণে এই কৰ-কাটল দিয়াটো সম্ভৱ। কিন্তু অসম প্ৰদেশৰ এই অৱস্থাত অধিক কৰ-কাটল লগোৱাৰ কোনো পথ আছে বুলি আমি নাভাবো। সেই কাৰণে উপাধ্যক্ষ মহোদয়, আমি অন্যান্য কৰ-কাটল সংগ্ৰহ কৰাৰ ক্ষেত্ৰত আমাৰ ৰাজ্যখনৰ আৰ্থিক দিশটো উন্নত কৰিবলৈ চাব লাগিব। বিশেষকৈ খাৰুৱা তেলৰ ৰয়েলিটি বঢ়াবলৈ আমাৰ ৰাজ্যিক চৰকাৰৰ তৰফৰ পৰা কেন্দ্ৰীয় চৰকাৰলৈ লিখিব লাগিব। দাবী জনাব লাগিব ৰয়েলিটি বঢ়াই দিবলৈ। তেলৰ ৰয়েলিটি প্ৰতি টনত পোন্ধৰ টকা ধাৰ্য্য কৰা হৈছে কিন্তু অসম আৰু গুজৰাটৰ কাৰণে খাৰুৱা তেলৰ ৰয়েলিটি ৩৫ টকা দিবলৈ দাবী কৰা হৈছে। যিহেতু আমাৰ প্ৰদেশত প্ৰচুৰ সম্ভাৱনা আছে সেই ফালৰ পৰাও ৰাজ্যিক চৰকাৰৰ ফালৰ পৰা কেন্দ্ৰীয় চৰকাৰৰ ওচৰত খাৰুৱা তেলৰ ৰয়েলিটি বঢ়াই দিবলৈ পুনৰ দাবী উত্থাপন কৰা দৰকাৰ।

দ্বিতীয়তে আৰু এটা কথা উপাধ্যক্ষ মহোদয় ... .... .... ।

উপাধ্যক্ষ—চমু কৰিব।

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ—আমি আজি বিক্ৰী কৰাৰ বাবদ বিক্ৰী কৰ নাপাওঁ এই কথা এই সদনতে বহুবাৰ আলোচনা কৰাও হৈ গৈছে। সেই বিক্ৰী কৰ নোপোৱাৰ কাৰণে অসম চৰকাৰৰ প্ৰায় এক কোটি টকা ৰাজহ লোকচান হৈছে। এইটো কাৰণতেই এই বিষয়টো ৰাজ্যিক চৰকাৰে কেন্দ্ৰীয়-চৰকাৰৰ লগত উত্থাপন কৰি আলোচনা কৰিব লাগে। বাৰাউনীত বা আন কোনো ঠাইৰ শোধানাগাৰলৈয়ে নিয়ক কিন্তু তাৰ কাৰণে বিক্ৰী কৰ অসম চৰকাৰে পাব লগে।

উপাধ্যক্ষ মহোদয় কিন্তু মন্ত্ৰী মহোদয়ে তেখেতৰ ভাষণত সকলো বিলাক সদস্যৰে সহযোগিতা আহ্বান কৰিছে। এই সহযোগিতা কিহৰ কাৰণে? চৰকাৰৰ যিবোৰ প্ৰগতিশীল আঁচনি সেই বিলাকত আমি সহযোগিতা কৰিম। কিন্তু সেই নীতিবিলাক যদি কাৰ্য্যকৰী নহয় তেতিয়াহলে কাৰ্য্যকৰী নকৰাৰ কাৰণে আমি সহযোগিতা কৰিব নোৱাৰো। ভূমি সংস্কাৰ আইন কাৰ্য্যকৰী কৰাৰ কাৰণে আমি চৰকাৰক সমৰ্থন

কৰিম। কিন্তু ৰায়ত উচ্ছেদ কৰাৰ কাৰণে আমি চৰকাৰক সমৰ্থন দিব নোৱাৰো। আমাৰ দেশখনৰ উদ্যোগীকৰণ কৰাৰ কাৰণে চৰকাৰে যি ব্যৱস্থা লৈছে তাৰ প্ৰতি নিতান্তই আমাৰ সমৰ্থন আছে কিন্তু সেই-খিনি ক্ষেত্ৰত যদি চৰকাৰ ব্যৰ্থ হয় সেই ব্যৰ্থতাৰ কাৰণে আমি চৰকাৰক সমৰ্থন জনাব নোৱাৰো।

সেইকাৰণে আজি সহযোগিতা পোৱাটো নিৰ্ভৰ কৰিছে যে আমাৰ প্ৰদেশৰ জনসাধাৰণৰ কল্যাণৰ বাবে যিবিলাক আৰ্থিক সামাজিক বিষয়ৰ ব্যৱস্থা কৰিছে সেই ব্যৱস্থা বিলাক কৃতকাৰ্য্য কৰাৰ কাৰণে যিমান পৰিমাণে চৰকাৰে চেষ্টা কৰিব লাগিছিল সেইখিনি কৰিব নোৱাৰাৰ কাৰণে চৰকাৰৰ প্ৰতি অসমৰ জনসাধাৰণে সমৰ্থন জনাব নোৱাৰে। সেইকাৰণে মই পুনৰ চৰকাৰক এই বিত্ত পৰিস্থিতি পৰ্য্যালোচনা কৰি সেইবিলাক ক্ষেত্ৰত বিশেষকৈ ভূমি সংস্কাৰৰ আইন কৃতকাৰ্য্য কৰাৰ ক্ষেত্ৰত আৰু অন্যান্যবিলাক বিষয়ত কঠোৰ ব্যৱস্থা লৈ আগবাঢ়ি যোৱাৰ কাৰণে আমি আবেদন জনাইছো আৰু মই আশা কৰিছো এই বিষয়বিলাক চৰকাৰৰ পক্ষৰ পৰা বিবেচনা কৰি বিশেষকৈ ভূমি সংস্কাৰৰ আইন কৃতকাৰ্য্য কৰাৰ ক্ষেত্ৰক যিখিনি অন্তৰায় সৃষ্টি হৈছে সেইখিনি দূৰীকৰণ কৰি বিহিত ব্যৱস্থা লব—ইয়াকে কৈ মোৰ বক্তব্য সামৰিলো।

শ্ৰীদেবেন বৰা—মাননীয় উপাধ্যক্ষ মহোদয়, ১৯৭৪-৭৫ চনৰ কাৰণে বিত্ত মন্ত্ৰী ডাঙৰীয়াই যি বাজেট দাখিল কৰিছে সেই বাজেট কিছু পৰিমাণে অনুধাৱন কৰা হৈছে। ১৯৭৪-৭৫ চনৰ ৰাজহ শিতানত আয় দেখুৱাইছে ১৫৬ কোটি ৯৩ লাখ টকা আৰু ব্যয় দেখুৱাইছে ১৬৫ কোটি ৭৫ লাখ টকা আৰু ৰাজহ শিতানত ঘাটি দেখুৱা হৈছে ৮ কোটি ৮২ লাখ টকা। এই ৰাজহ হিচাবৰ বাহিৰেও চাবলৈ গলে বাহিৰা আয় ১,৮৬ কোটি ৭২ লাখ টকা আৰু আনহাতে ব্যয়ৰ হিচাবত ধৰা হৈছে ১,৭৪ কোটি ৮২ লাখ টকা। ৰাজহ হিচাবৰ বাহিৰলৈ যোৱা ৰাহি হব ১১ কোটি ৮৯ লাখ টকা। ফলত ৰাজহ শিতানত হোৱা ঘাটি পূৰণ প্ৰায় ৪ কোটি ৯৯ লাখ টকা আৰু খৰচ আৰম্ভণিতে উদ্বৃত্ত হব ১ কোটি ৯২ লাখ টকা। এই বাজেটত ১৯৭৩-৭৪ চনৰ প্ৰতিচ্ছবি স্পষ্ট-ভাবে সদনত দাঙি ধৰিছে আৰু ১৯৭৪-৭৫ চনৰ অসম বিত্তীয় পৰিস্থিতিৰ

এখন ছবি তাকো দাঙি ধৰিছে। সুখৰ কথা যে ৬ষ্ঠ বিত্তীয় আয়োগে অসম দেশৰ আৰ্থিক অৱস্থালৈ চাই অধিক টকা দিয়াৰ অনুমোদন জনাইছে। এই কাৰণে অসম চৰকাৰক ধন্যবাদ জনাব লাগে। ইয়াৰ ফলত আমাৰ যিমান পৰিমাণ ধাৰ আছিল সেই ধাৰ কমোৱাত সহায় কৰিব। শ্ৰীগগৈ ডাঙৰীয়াই কৈছে আমাৰ দেশ খন চহকী অসম দেশ খন প্ৰাকৃতিক সম্পদেৰে ভৰপূৰ, ইয়াৰ মানুহ খিনি পৰিশ্ৰমী। আমাৰ ইয়াত তেল আছে, চাহ আছে, কয়লা আছে, বনজ সম্পদ আছে আৰু অসম দেশৰ মাটি উৰ্বৰা। আমাৰ দেশৰ মানুহে খেতি কৰিব পাৰে। তথাপিতো আমাৰ দেশৰ মানুহ দুখীয়া। চৰকাৰী হিচাব মতে ১৯৭৩-৭৪ চনত শতকৰা ৭৪ ভাগ মানুহ দাৰিদ্ৰ সীমা ৰেখাৰ ভিতৰত আছে। প্ৰতিজন মানুহে মাহে ৪০ টকাতকৈ বেচি উপাৰ্জন কৰিব নোৱাৰে। চৰকাৰে নিজেই স্বীকাৰ কৰিছে যে আমাৰ দেশৰ পৰা এতিয়াও উপনিবেশিক ৰাজত্বৰ শেষ হোৱা নাই। এই খিনিতে মই কব বিচাৰিছো।

Colonial pattern continued in the sense that the pattern of the investment and exploitation of the rich resources of Assam in the shape of tea, jute and oil continued on old colonial pattern.

বাহিৰৰ মানুহে অসমৰ সম্পদ আহৰণ কৰি লৈ গৈ আছে। আমাৰ দেশৰ প্ৰধান কাৰণ হল, হয় আমাৰ মানুহ খিনি কৰ্ম্ম বিমুখ নতুবা কৰ্ম মুখৰ। প্ৰতি বছৰে ব্যৱসায় বাণিজ্যত ১০০ কোটি টকা অসমৰ বাহিৰহৈ গৈ আছে। আমাৰ গগৈ ডাঙৰীয়াই কৈছে যে ডাঙৰ শিল্প হলেই আমাৰ দেশ শিল্পায়ন হল বুলি ধৰিব নোৱাৰো। আমাৰ মানুহ খিনিক কৰ্মমুখী কৰিবলৈ হলে আমাৰ দেশত সৰু সৰু শিল্প গঢ়ি তুলিব লাগিব আৰু তাৰ কাৰণে আৱশ্যকীয় ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। আমি ৰাষ্ট্ৰীয়কৃত বেংকৰ পৰা সেৱা গ্ৰহণ কৰিব লাগিব। বেংকৰ পৰা আমাৰ যুবক সকলে যি খিনি সা-সুবিধা পাব লাগে সেই খিনি পোৱা নাই। ১৯৭১ চনলৈ ৰাষ্ট্ৰীয়কৃত বেংকৰ সংখ্যা হল ১৩৬ টা। আমাৰ অসমত মাত্ৰ ১'১ শতাংশ ব্যৱহাৰ কৰা হৈছে। আনহাতে মহাৰাষ্ট্ৰত ১২ শতাংশ, তামিলনাডুত ১১ শতাংশ, গুজৰাটত ৯ শতাংশ ব্যৱহাৰ

কৰা হৈছে। গতিকে আমাৰ যুৱক সকলে যি খিনি সা-সুবিধা পাব লাগে সেই খিনি পোৱা নাই। সৰু সৰু উদ্যোগ গঢ়ি নিবনুৱা সমস্যা সমাধান কৰিব নোৱাৰিলে আমাৰ দেশৰ অবস্থা ভাল নহয়। আমাৰ দেশৰ পৰা ১৩০ কোটি বাহিৰলৈ গৈ আছে এই খিনি বন্ধ কৰিব লাগিব। আমাৰ যুৱক সকলক কৰ্মমুখৰ কৰিব লাগিব। ভাৰত চৰকাৰে পেপাৰ মিল, চুগাৰ মিল, আদিৰ লাইচেন্স দিয়ালৈ আমাৰ চৰকাৰ বৈ থাকিব নালাগে। বৃহৎ উদ্যোগ হওঁক বা নহওক, তালৈ অপেক্ষা নকৰি ৰাজ্যখনত সৰু সৰু শিল্প গঢ়ি যুবক সকলক তাত নিয়োগ কৰাব লাগে।

কিন্তু সৰু সৰু শিল্প যি সকল যুৱকে গঢ়ি তুলিবলৈ খোজে সেই সকলক যি ধৰণেৰে সা-সুবিধা দিব লাগে সেই ধৰণেৰে যদি সা-সুবিধা দিব পৰা যায় তেনে হলে আমাৰ দেশৰ যুৱক সকলৰ সমস্যা বিলাকৰ কিছু সমাধান হব আৰু আমাৰ ৰাজ্যৰো আৰ্থিক অৱস্থা উন্নতি হব। লগতে আমাৰ ইয়াৰ পৰা যিবিলাক টকা বাহিৰলৈ ওলাই গৈছে সেই টকাও আমাৰ ৰাজ্যতে থাকিব। আজি দেখা গৈছে সৰ্বভাৰতীয় ক্ষেত্ৰত জনমুৰী আয় হৈছে ৬০৩ টকা কিন্তু অসমৰ জনমুৰী আয় হৈছে ৪১২ টকা। সেই ফালৰ পৰা চাবলৈ গলে দেখা যায় যে অসম খন একেবাৰেই দুখীয়া ৰাজ্য। ১৯৬৪ চনৰ পৰা হিচাপ কৰি চালে দেখা যায় যে অসম খন বিজুলি শক্তি, যাতায়ত, পৰিবহন, শিক্ষা আদি সকলো ফালৰ পৰাই পিচপৰা হৈ আছে। সেই ফালৰ পৰা আমাৰ দেশ খন উন্নত কৰিবলৈ হলে আমাৰ ইয়াত বিজুলি শক্তিৰ সম্প্ৰসাৰণ কৰিব লাগিব। বিজুলী শক্তি সম্প্ৰসাৰণ কৰিব পাৰিলে আমাৰ ৰাজ্যত সৰু সৰু শিল্প গঢ়ি তুলিব পৰা হব। যি ধৰণেৰে বিজুলি শক্তিৰ সম্প্ৰসাৰণ আমাৰ ৰাজ্যত হব লাগিছিল সেই ধৰণেৰে হোৱা নাই। আজি অৱশ্যে দেখা গৈছে নামবাৰ অফ ভিলেইজ ইলেট্ৰিফাই হৈছে ১৯৭০-৭১ চনত ৩.৩। কিন্তু ১৯৬৯ চনত সৰ্বভাৰতীয় পৰ্য্যায়ত হৈছে ১২.৬। স্বাস্থ্যৰ ফালৰ পৰা চাবলৈ গলে ০.৭ অল ইণ্ডিয়া পাৰ লাখ পপুলেচনত হৈছে ২.৪। সেই দৰেই বেংক পাৰ থাউজেনত অসমত ০.২ আৰু সৰ্বভাৰতীয় ক্ষেত্ৰত হৈছে ২.২।

এই হিচাবে পৰিবহনৰ ক্ষেত্ৰত আমাৰ ৰাজ্য সকলো ফালৰ পৰাই পিচ পৰি আছে। আজি নতুনকৈ হাৰিয়ানা ৰাজ্য গঠিত হৈছে যদিও তাৰ সকলো গাওঁতে বিজুলি শক্তি সম্প্ৰসাৰণ কৰা হৈছে। আমাৰ ইয়াত চহৰ আৰু নগৰ কেইখনৰ বাহিৰে গাওঁ ভূইলৈ বিজুলি শক্তি সম্প্ৰসাৰিত হোৱা নাই। স্বাধীনতাৰ ২৫ বছৰৰ পিচত যি ৰশ্মি দেশৰ সকলো বিলাক ঠাইলৈকে সম্প্ৰসাৰিত হব লাগিছিল কিন্তু হোৱা নাই। কেইখন মান নগৰ বা চহৰলৈ বিজুলি সম্প্ৰসাৰণ কৰি সুবিধা দিলেই নহব। এজন বিখ্যাত লিখক শ্ৰীনিবোদ চৌধুৰীয়ে লিখিছে যে এজন বিদেশী মানুহ ভাৰতলৈ যদি আহে তেওঁ দিল্লী বা কোনো চহৰ চালেই গোটেই ভাৰতবৰ্ষখন চোৱা নহয়, গোটেই ভাৰতবৰ্ষখন বুজিব নোৱাৰিব। সেই দৰেই গুৱাহাটী চহৰ খনৰ উন্নতি দেখিলেই গোটেই অসমখনৰেই উন্নতি হোৱা বুলি কব পৰা নাযায়। আমাৰ উন্নতি হোৱা বুলি কব পৰা যাব কেতিয়া, যেতিয়া নালিয়া দউৰীৰ গাওঁ খনলৈ বিজুলি সম্প্ৰসাৰিত হব, তেওঁৰ গাঁৱৰ মানুহ খিনিয়ে কৃষিৰ কাৰণে যি বিলাক সজুলি লাগে সেই বিলাক লৈ খেতি কৰিব পাৰিব, শিক্ষাৰ কাৰণে যি বিলাক ব্যৱস্থাৰ দৰ্কাৰ সেই বিলাক পাই শিক্ষা বিষয়ত আগবাঢ়ি যাব পাৰিব, চাব লাগিব গাওঁ খন শিল্প মুখী হৈছেনে নাই, চাব লাগিব গাওঁখন এতিয়াও আগৰ সেই জৰাজীৰ্ণ অৱস্থাতে আছে নেকি : সেই দৰে কোকোৰা জাবৰ কলাই ৰাভাৰ গাওঁ খন চাব লাগিব। তাত কি কি বস্তু আছে, কি কি বস্তু নাই, গাওঁখন কোন অৱস্থাত আছে এই বিলাক কথা বিবেচনা কৰিব লাগিব। আমি যেতিয়া সমাজ বাদী সমাজ ব্যৱস্থাৰ কথা চিন্তা কৰিছো তেনেস্থলত আমি আমাৰ নিত্য প্ৰয়োজনীয় বস্তু বিলাক নিশ্চয় উৎপাদন কৰি লব লাগিব। আজি আমাৰ দেশত মটৰ গাড়ী, বিফ্ৰিজেটৰ, চোফা-চেট আদি লাগজুৰিয়াচ বস্তু বিলাক বৃদ্ধি কৰিলেই নহব। আমাৰ মাননীয় সদস্য সকলে সমাজবাদী দেশ বিলাকৰ কথা কৈ গৈছে। ছোভিয়েট ৰাচিয়া, জাৰ্মাণ ডেমক্ৰেটিক ৰিপাব্লিক এই বিলাক দেশত নিত্য প্ৰয়োজনীয় বস্তু বিলাক উৎপাদন কৰাত যিমান গুৰুত্ব দিছে লাগজুৰিয়াচ বস্তু বিলাক উৎপাদন কৰাত সিমান গুৰুত্ব দিয়া নাই। কিন্তু আমাৰ দেশত ইয়াৰ বিপৰীতটোহে হৈ আহিছে। নিত্য প্ৰয়োজনীয় বস্তু উৎ-

পাদনতকৈয়ো লাগজুৰিয়াচ বস্তু কেনেকৈ উৎপাদন কৰিব পাৰি সেই বিষয়তহে মনোযোগ দিয়া হৈছে। আজি আমাৰ দেশত এসাজ খাই এসাজ নাখাই থাকিবলগীয়া অৱস্থা হৈছে। গতিকে এনে অৱস্থাত আমাৰ মানুহে দুবেলা দুসাজ খাই গাত এখন কাপোৰ পিন্ধি কেনেকৈ জীয়াই থাকিব পাৰে তাৰ ব্যৱস্থাৰ কথা চিন্তা কৰিবলগীয়া হৈছে। প্ৰায় সকলো বিলাক ক্ষেত্ৰতেই অসম পিচ পৰি থকাৰ এক মাত্ৰ কাৰণ হৈছে আমাৰ যিবিলাক পৰিকল্পনাৰ আঁচনি লোৱা হৈছিল সেই বিলাকৰ অধিকাংশ কাৰ্য্যকৰী কৰিব পৰা নহ'ল। পৰিকল্পনাৰ শতকৰা ১৯ ভাগ কামহে অসমত হৈছে। কিন্তু সেই হিচাবে ভাৰতবৰ্ষত শতকৰা ৪৬ ভাগ উন্নয়ণৰ কাম হৈছে। পঞ্জাব, হাৰিয়ানা ইমান আগবাঢ়ি গৈছে যে তাত ভিক্ষাৰী দেখিবলৈকে পোৱা নাযায়। কিন্তু আমাৰ অসমত যেনিয়েই যোৱা যায় তেনিয়েই ভিক্ষাৰীৰ সমস্যা বাঢ়ি অহা দেখা গৈছে। আজি অসমত এনেকুৱা অৱস্থা হৈছে যে কোনোবা ল'ৰাই কিবা উদ্যোগ আদি কৰিব বিচাৰিলে যি বিলাক সা-সুবিধা লাগে সেই বিলাক সা-সুবিধা দিব পৰা নাই। আনকি শিৱসাগৰৰ কেইজনমান অসমীয়া ল'ৰাই ফুট বল, বাচকেট বল তৈয়াৰ কৰিলে, কিন্তু তৈয়াৰ কৰিলেই কি হব সেই বিলাক ক'ত বিক্ৰী কৰিব ? সেই বিলাক বিক্ৰী কৰিবলৈ বজাৰৰ সুবিধা কৰি দিব লাগিব আৰু ইয়াৰ পৰা যি বিলাক টকা উপাৰ্জন হব সেই বিলাক টকা ইয়াতে খটুৱাব লাগিব। আমাৰ পঞ্চম পৰিকল্পনা অহা এপ্ৰিল মাহৰ পৰা আৰম্ভ হব, এই পৰিকল্পনাৰ কালচোৱাত বছৰি ৫·৫ শতাংশ উৎপাদন কৰিবৰ কাৰণে সিদ্ধান্ত কৰা হৈছে; এই মতে উৎপাদন নহলে ৰাজ্যখনৰ অৱস্থা আগৰ দৰেই হব। আমাৰ ৪ৰ্থ পৰিকল্পনাৰ হিচাব এতিয়ালৈকে ওলোৱা নাই যদিও সৰ্বভাৰতীয় হিচাব ওলাইছে কিন্তু এই হিচাবো অতি নিৰাশ জনক দেখা গৈছে। ৪ৰ্থ পৰিকল্পনাত আমাৰ যি ধৰণে খাদ্য উৎপাদন হব লাগিছিল সেই ধৰণে হোৱা নাই। এই তিক্ত অভিজ্ঞতাৰ কথাটো পঞ্চম পাচবছৰীয়া পৰিকল্পনা আৰম্ভ কৰাৰ লগে লগে চিন্তা কৰিব লাগিব। ৪ৰ্থ পাচবছৰীয়া পৰিকল্পনাৰ

খাদ্য উৎপাদনৰ বাৰ্ষিক হিচাব ধৰা হৈছিল ৫.৬ শতাংশ। আমাৰ মুঠ লক্ষ্য আছিল ১২৯ নিযুত টন, কিন্তু ১৯৭৩-৭৪ চনত দেখা গ'ল ১১৪ নিযুত টন উৎপাদন হ'ল। চাউল ধানৰ লক্ষ্য আছিল ৫২ নিযুত টন কিন্তু উৎপাদন হ'ল ৪৪ নিযুত টন। দাইলৰ লক্ষ্য আছিল ১৫ নিযুত টন কিন্তু হ'ল ১১.৫ নিযুত টন। কুঁহিয়াৰৰ লক্ষ্য আছিল ১৫০ টন উৎপাদন হ'ল ১৩৪ নিযুত টন। সৰিয়হৰ লক্ষ্য আছিল ১০৫ নিযুত টন, উৎপাদন হ'ল ৯৪ নিযুত টন। মৰাপাটৰ লক্ষ্য আছিল ৭৬ লাখ গাথ, উৎপাদন হল ৫৬ লাখ গাথ। এতিয়া সামগ্ৰিক ভাবে দেখা গ'ল যে আমি যিটো লক্ষ্যত উপনীত হব লাগিছিল সেই লক্ষ্যত উপনীত হব নোৱাৰিলো। অৱশ্যে আমাৰ প্ৰথম পাচবছৰীয়া পৰিকল্পনা কিছু সাফল্য হৈছিল আৰু তাৰ দ্বাৰা জাতীয় আয়ো বৃদ্ধি হৈছিল। সেই সময়ত মূল টকা ধৰা হৈছিল ২০ কোটি ৮০ লাখ, আৰু সেই সময়ত কেন্দ্ৰীয় ভাবে অনুমোদন আছিল ২০ কোটি ৫০ লাখ টকা আৰু খৰচ হ'ল ১৭ কোটি ৪৯ লাখ টকা। ১৯৫০-৫২ চনত জাতীয় আয় আছিল ২১২ কোটি ৮০ লাখ টকা আৰু পৰিকল্পনাৰ শেষত অৰ্থাৎ ১৯৫৫-৫৬ চনত ২৩৮.৯০ টকালৈ বৃদ্ধি হয় জাতীয় আয় আমাৰ শতকৰা ১২.৩ ভাগ বৃদ্ধি হৈছিল। সেই সময়ত যি ধৰণে নিৰ্দ্ধাৰণ কৰা হৈছিল সেই মতে কাম হৈছিল ১৯৪৮-৪৯ চনৰ মূল্যায়ন অনুসৰি ১৯৫০-৫১ চনত জনমূৰী আয় ২৩৭ টকা আৰু ১৯৫৫-৫৬ চনত জনমূৰি আয় ২৫৪ টকা। কিন্তু ২য়, ৩য় পাচবছৰীয়া পৰিকল্পনাৰ অন্তত আমাৰ কৃষি সম্পদত যেনে ধৰণে আগ বাঢ়িব লাগিছিল সেই ধৰণে নহল আৰু কোনো এটা শিল্পও প্ৰতিষ্ঠা নহ'ল। তাৰ ফলত আমি যেনে ধৰণে লক্ষ্যত উপনীত হব লাগিছিল সেই ধৰণে লক্ষ্যত উপনীত হব নোৱাৰিলো— যাৰ ফলত দেশত ধাৰ লাগিল। অৰ্থ সংকটে দেখা দিলে। এই সংকট আতৰ কৰিবলৈ হ'লে কৃষিৰ ক্ষেত্ৰত মনোনিবেশ কৰিব লাগিব। কাৰণ আমাৰ কৃষিৰ পৰা জাতীয় আয় প্ৰায় আধা আহে। শ্ৰীগগৈ ডাঙৰীয়াই কৈছে আমাৰ কৃষিৰ পৰা শতকৰা ৫৫ ভাগ আহে। আচলতে শতকৰা ৫৬ ভাগহে। গতিকে আমাৰ কৃষিৰ উন্নতি নহলে জাতীয় আয় বাঢ়িব

নোৱাৰে আৰু দেশৰ আৰ্থিক অৱস্থাও ভাল হব নোৱাৰে। সেই কাৰণে কৃষিৰ উন্নতি কৰিবলৈ হলে আমাৰ ক্ৰপিং পেটাৰ্ণ বদলি কৰিব লাগিব। অকল বানপানী, খৰাং বতৰক দোহাই দি বহি থাকিলে নহব। যি ঠাইত বানপানীয়ে শস্য নষ্ট কৰে সেই ঠাইত খৰাং বতৰত শস্য কৰিব লাগে। এই ধৰণে এটা নেতৃত্ব দিলে আমাৰ ৰাইজ আগবাঢ়ি আহিব। আমাৰ ৰাইজে ৰবি শস্য কৰিবলৈ আগ্ৰহ কৰিছিল, কিন্তু চৰকাৰৰ ফালৰ পৰা সা-সুবিধা সময় মতে নোপোৱা কাৰণে সেই ধৰণে উৎপাদন নহল। যি বিলাক অঞ্চলত বানপানী নহয় তাত জলসিঞ্চনৰ ব্যৱস্থা দ্ৰুত গতিত কৰিব লাগে। আমি শুনি দুখ পাইছো যে এগ্ৰোইণ্ডাষ্টি বিভাগে বাঁহৰ জলসিঞ্চনৰ কাৰণে যি বাঁহৰ পাইপৰ যোগান ধৰিব লাগিছিল সেই মতে টকাৰ অভাবৰ কাৰণে কিনিব পৰা নাই। সেই কাৰণে এই কথাটো অলপ কৃষি বিভাগে মনোনিবেশ কৰিব লাগে। যি বিলাকত বানপানী নহয় তাত বাহৰ পাইপেৰে জলসিঞ্চনৰ ব্যৱস্থা কৰিব লাগে আৰু বিজুলী শক্তিৰ দ্বাৰাও জলসিঞ্চনৰ ব্যৱস্থা কৰিব লাগে। আমাৰ কৃষিৰ পেটাৰ্ণ বদলাই কেইবাটাও খেতি কৰাৰ ব্যৱস্থাত আগবাঢ়ি যাব লাগে। মই আগতে উল্লেখ কৰিছো যে আমাৰ ৰাজ্যত ডাঙৰ শিল্পৰ কাৰণে মূৰ ঘমোৱাই বহি থাকিব নালাগে। কেন্দ্ৰীয় চৰকাৰে লাইচেন্স দিব, আমি উদ্যোগ কৰিম. এই আশাত বহি থাকিলে নহব। আমাৰ সৰুসুৰা উদ্যোগ কৰিবৰ কাৰণে যুবক সকলক সংগঠিত কৰিব লাগে। সৰু সৰু উদ্যোগ কৰিবৰ কাৰণে ৫ হেজাৰলৈকে টকা দিয়াৰ এখন বিল এই সদনে পাচ কৰিব দিছে। এই টকাটো সোনকালে দিয়াৰ ব্যৱস্থা কৰিব লাগে। তাৰ পিচত আমাৰ টেক্স লগোৱাৰ কথা আহিছে। এখন উন্নয়ন কামী দেশত টেক্স লগাব লাগিব। কিন্তু আমাৰ দুখীয়া সকলক অসুবিধা নিদিয়াকৈ কৰ লগাব লাগে। কিন্তু আমাৰ ধনী খেতিয়ক সকলৰ পৰা কৰ লোৱাত অসুবিধা নহব। আমাৰ কৃষি আয়কৰ লোৱাৰ ক্ষেত্ৰত দ্বিমত হৈ আছে। তাৰ পিচত আমাৰ যি বিলাক কৰ অনাদায়ী হৈ আছে তাক আদায় কৰাৰ ব্যৱস্থা কৰিব লাগে। আৰু কৰ ফাকি দিয়া মুৰুঙাবোৰ বন্ধ কৰিব লাগে। ধনী খেতিয়ক সকলৰ ওপৰত আয় কৰ লগাই ৰাজহ বৃদ্ধি কৰিব লাগে। মই আশা কৰিছো

এই ধৰণে ব্যৱস্থা কৰিলে আমাৰ অৰ্থ নৈতিক অৱস্থা টনকীয়াল হব।

Mr. Speaker—The House stands adjourned till **2-30 P. M.**

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী তথা বিত্তমন্ত্ৰী মহোদয়ে যি বাজেট আমাৰ আগত দাঙি ধৰিলে সেই বাজেট বক্তৃতা এটা গতানুগতিক বাজেট বক্তৃতা। গোটেই বাজেট বক্তৃতাটো আদিৰ পৰা শেষলৈ ৬ষ্ঠ বিত্ত আয়োগৰ কথা কৈ তেওঁলোকক তেল মাৰি শেষ কৰিছে। ভাৰত চৰকাৰৰ পৰা অসম চৰকাৰে যিখিনি পাব লাগিছিল সেইখিনি পোৱা নাই। আজি অসমৰ যি যোগাযোগ ব্যৱস্থা সেই যোগাযোগ ব্যৱস্থা ভাল নোহোৱাৰ ফলত অসমৰ অৰ্থ নৈতিক অৱস্থা ভাঙি পৰিছে অথচ সেই সম্পৰ্কে ভাৰত চৰকাৰে ভালদৰে চকু দিয়া নাই। এই সম্পৰ্কে ভাৰত চৰকাৰৰ ওচৰত অসম চৰকাৰৰ অনুনয় বিনুনয় কৰি থকা স্বত্বেও তাৰ কোনো ফল ধৰা নাই। অসমৰ ভিতৰত গোৱালপাৰা জিলাখন আটাইতকৈ পিচপৰা জিলা। কিন্তু এই বৈষম্য দূৰ কৰাৰ কাৰণে অসম চৰকাৰে একো কৰা নাই। আজি কেন্দ্ৰীয় চৰকাৰৰ ওচৰত বহুতো স্মাৰকপত্ৰ দাঙি ধৰা হৈছে কিন্তু সেই স্মাৰকপত্ৰত সকলো ঠাইৰ কথা দাঙি ধৰা হোৱা নাই। আনকি যিবিলাক সমস্যাৰ কথা উল্লেখ কৰা হৈছে তাৰ প্ৰতিও কোনো চকু দিয়া নাই।

আমাৰ দেশত আটাইতকৈ ডাঙৰ ব্যৱস্থা হৈছে যোগাযোগ ব্যৱস্থা। কিন্তু কেন্দ্ৰীয় চৰকাৰে এই দিশটোত চকু দিয়া নাই। অন্যান্য ৰাজ্যৰ তুলনাত আমাৰ ৰাজ্যৰ ৰাষ্টাবিলাকত বেছি খৰছ লাগে কিয়নো আমাৰ ৰাষ্টাবিলাক পাহাৰ ভৈয়ামৰ মাজত সংযোগ থকা ৰাষ্টা নতুবা তেনেকুৱা ধৰণৰ। গতিকে যোগাযোগ ব্যৱস্থাত ভাৰত চৰকাৰৰ আয়োগে কোনো বিশেষ চিন্তা কৰা নাই। অসমৰ মাজেৰে ব্ৰহ্মপুত্ৰ নৈ পৰি আছে। এই ব্ৰহ্মপুত্ৰত যদি তিনিচুকিয়াৰ পৰা ধুবুৰীলৈ জলপৰিবহন বিভাগৰ জৰিয়তে যোগাযোগ ব্যৱস্থা কৰা হয় তেনেহলে বহুত কম খৰছতে হয়। কিন্তু ব্ৰহ্মপুত্ৰ নৈ পৰি থকা স্বত্বেও কেন্দ্ৰীয় চৰকাৰে কোনো চকু দিয়া নাই। বিত্ত আয়োগৰ ওচৰত বহুত কাকুতি মিনতি কৰি এইবাৰ অলপ আনবাৰতকৈ বেছি টকা আনিছে আৰু সেই কাৰণে এই বাজেট বক্তৃতাত সেইটোকে তেল মাৰি মাৰি লিখিছে। কিন্তু ৰাজ্যপালৰ

ভাষণখন যদি এই বাজেট বক্তৃতাৰ লগত যোগ দিয়া নহয়। তেনেহলে বাজেট বক্তৃতা অসম্পূর্ণ হৈ থাকিব। গতিকে মুখ্যমন্ত্রী বা বিত্তমন্ত্রীৰ বাজেট বক্তৃতা বুলি কবলৈ হলে আমাৰ ৰাজ্যপাল শ্রীলালন প্রসাদ সিং চাহাবৰ বক্তৃটাতো যোগ দিব লাগিব।

অধ্যক্ষ মহোদয় আমাৰ চৰকাৰৰ দৃষ্টিভঙ্গিৰ ওপৰত বহুত কথাই কব লগা আছে। আগত পঞ্চবার্ষিক পৰিকল্পনাত আমাৰ চৰকাৰে বহুত কৰিব লগীয়া আছে। এই ক্ষেত্রত যিবিলাক প্রচাৰ পত্রিকা সেই বিলাকে সুচাৰুৰূপে কাম কৰা নাই। এই পত্রিকাবিলাকৰ দায়িত্ব হৈছে ভাল বেয়া সকলোকে সমানে প্রকাশ কৰা।

সমাজৰ যি সকল বেয়া মানুহ তেওঁলোকক বেয়া বুলি অভিহিত কৰিলে পিচত নিজে লাজ পাই বেয়া কাম কৰিবলৈ এৰিব। কোনো শাস্তি দিব নালাগে, বিচাৰ নালাগে। তেওঁলাকে বেয়া কাম কৰা বুলি প্রচাৰ কৰিব লাগে। ৪র্থ পৰিকল্পনাৰ শেষলৈ আৰু পঞ্চম পৰিকল্পনাৰ আগলৈ যিমান চাকৰিয়াল, পাব্লিক নেতা আদিয়ে যিয়েই বেয়া কাম কৰিছে তাৰ প্রচাৰ কৰিব লাগিছিল। তেতিয়া নিজে নিজে বেয়াৰ ফালৰ পৰা আতৰি আহিলহেঁতেন। অডিত ৰিপোর্টৰ কথা শ্রীগগৈ ডাঙৰীয়াই উল্লখ কৰিছে, মইও উল্লেখ কৰিব লাগিব। ১৯৭০-৭১ চনৰ অডিত ৰিপোর্ট মুখ্যমন্ত্রী ডাঙৰীয়াই চালেই গম পাব কিমান টকা অপচয় হৈছে। যিবিলাকে টকা আত্মসাৎ কৰিছে তেওঁলোক দেশৰ শত্রু। পৰোক্ষ বা প্রত্যক্ষ ভাবে ৰাইজৰ পৰা সংগৃহীত ধনৰ ইমান অমর্যাদা কৰিব পাৰে ইয়াতকৈ আৰু সঁচাকৈ ঘৃণনীয় কাম এৰো হব নোৱাৰে। প্রত্যেক বছৰে টকাৰ খেলি মেলি হৈছে। এই কৌশলটো চৰকাৰে শিকাই দিছে। ৩১ মার্চটো অর্থনৈতিক ইতিহাসত এটা স্মৰণীয় দিন। এই দিনটোত অফিচাৰ সকলে সঁচাই-মিছাই লাখ লাখ টকা ড্র কৰে কিন্তু ইউটিলাইজেচন চার্টিফিকেট দিব নোৱাৰে। ৪ লাখ টকা নিজৰ পকেটলৈ যোৱাৰ কথা ইয়াত আছে। এই টকা যদি আত্মসাৎ কৰিব লগা হয় তেন্তে কেন্দ্রীয় চৰকাৰৰ ওচৰত টকাৰ কাৰণে অনুনয়-বিনয় কৰাৰ কোনো প্রয়োজন নাছিল। টকাৰ সদ্ব্যৱহাৰ হ'লে ৰাইজে কৰ দিয়াত কোনো আপত্তি নাছিল। আজি চাৰিটা পৰিকল্পনাৰ শেষত মানুহ মাটিহীন, খাবলৈ ভাত নাই, পিন্ধিবলৈ

কাপোৰ নাই। আমি ইয়াত চিঞৰ-বাখৰ কৰিছো পঞ্চম পৰিকল্পনাত অমোক দিম তমোক দিম। শ্ৰীলালন প্ৰসাদ চাহাবে যিখন কিতাপ ইয়াত দিছে অলপ ঘূৰি ফুৰা ল'ৰাই ২৭ বছৰৰ বিষয়ে এইখন লিখিব পাৰিব। পথাৰত ঘূৰিছে, ৰাস্তাৰ অৱস্থা দেখিছে, স্কুলৰ অৱস্থা দেখিছে। এই কিতাপখন আলোচনা কৰাৰ কাৰণে ইমান লাখ লাখ টকা দিব লাগে নেকি? এনে ধৰণে গণতন্ত্ৰৰ প্ৰতি ৰাইজৰ শ্ৰদ্ধা কেতিয়াও আহিব নোৱাৰে। এজন মানুহে ভোগ বিলাসৰ পাহাৰত শুই থাকিব আৰু আনজন মানুহে লঘোণে থাকিব—এইয়ে গণতন্ত্ৰ নেকি? মানুহক ঢোল কোবাই শুনাই দিয়া হৈছে যে কেপিটেলিষ্ট ধ্বংস কৰা হ'ব। ঢোল কোবাই কি কৰিছে—কেপিটেলিষ্ট বিলাকে আৰু বেচি ৰক্ত শোষণ কৰিব ধৰিছে। চিকাৰ কৰিবলৈ যাওঁতে সাৱধান হ'ব লাগে। শিপা উফোৰাই পেলোৱা ইমান সহজ নহয়। আজি বস্তুৰ দামৰ ক্ষেত্ৰত কি হৈছে— গুৱাহাটীৰ ইমূৰত এটা দাম আনটো মূৰত আৰু এটা বেলেগ দাম। এই ধৰণে মানুহ বিভ্ৰান্ত কৰাৰ প্ৰয়োজন নাছিল। শ্ৰীলালন প্ৰসাদ সিং ডাঙৰীয়াৰ কিতাপখন ভালকৈ আলোচনা কৰিবলৈ গ'লে আৰু দুই-তিনি ঘণ্টা সময় লাগিব। তথাপিতো আমি কৰই লাগিব। নহ'লে ভোট পোৱাত অসুবিধা হ'ব। আমাৰ ৰাইজেও কব আমাৰ সদস্য জনে বিধান সভাত একো নক'লে। গতিকে গতানুগতিক ভাবে কৰই লাগিব। আমি যিটো বুলি শপত গ্ৰহণ কৰিছো সেই মতে কাম কৰিছো নে নাই? ৰাইজে খাবলৈ নাপাই মৰি গ'লেও বিধান সভা চলি থাকিব। কিন্তু দৈনিক বাস্তৱ জীৱনত কি ঘটিছে। ধান সংগ্ৰহৰ ক্ষেত্ৰত বিভ্ৰান্ত কৰিবৰ কাৰণে চেষ্টা কৰিছে। এনে ধৰণৰ কাণ্ড চলি থাকিলে ৰাইজৰ চৰকাৰৰ ওপৰত আস্থা কেনেকৈ থাকিব? আজি একেজন মুখ্যমন্ত্ৰীৰ তলত উত্তৰ লক্ষীমপুৰত ধানৰ মোনে ২৮ টকা, মঙ্গলদৈত ৩৫ টকা, কামপুৰত ৪০-৪২ টকা আৰু ধুবুৰীত ৬৫ টকা। আমাৰ একেখন চৰকাৰৰ তলত ইয়াতো এজন ৪ৰ্থ শ্ৰেণীৰ চাকৰিয়াল আছে আৰু লক্ষীমপুৰত এজন এই শ্ৰেণীৰ চাকৰিয়াল আছে। এজনে সস্তাত চাউল কিনিব ১.৫০ টকাত আৰু আনজনে ২-৩ টকাত চাউল কিনিব। ৰাইজ জহন্নামে গ'লেও অন্ততঃ চৰকাৰী চাকৰিয়াল সকলৰ কথা চৰকাৰে চিন্তা কৰক। আজি আমাৰ চৰকাৰ দাম নিয়ন্ত্ৰণ কৰাৰ ক্ষেত্ৰত ব্যৰ্থ হৈছে। আমাৰ চৰকাৰৰ দুৰ্বল নীতিৰ কাৰণে এই

ক্ষেত্ৰত ব্যৱস্থা লব পৰা নাই। মই সিদিনা পশ্চিমবঙ্গলৈ গৈছিলো। তাত ৰাতি এঘৰত নাম-কীৰ্ত্তন হৈছিল। ৰাতি ১০-১১ বজাত অফিচাৰে চি, আৰ, পি লৈ গৈ খানাতালাচ কৰিব বিচাৰিছে। তেতিয়া মালিকে ক'লে যে এতিয়া চাব নালাগে, চিপাহী থৈ যাওঁক কাইলৈ আহিব। তেওঁ অথচ আগতে লেভি চমজাই দিছিল। তথাপিতো তেওঁলোকে ৰাতি অনুসন্ধান কৰিবলৈ আহিছে। জুতাৰে গোলাত সোমাই অনুসন্ধান কৰিছে। এজনৰ ঘৰত ২০০ মোন ধান পালে। তেওঁলোকে চৰকাৰৰ আদেশ অনুযায়ী অনুসন্ধান কৰিবলৈ আহিছে। আনহাতে আমাৰ চৰকাৰে একো কৰিব পৰা নাই। আমাৰ চৰকাৰে কৈছে যে—২৪ হাজাৰ লাখ কুইণ্টল সংগ্ৰহ হৈছে। মই কওঁ ৫০ লাখ কুইণ্টল ধান সংগ্ৰহ হব। আমাৰ চৰকাৰে কৈছে যে যাৰ ৫০ মোনতকৈ বেচি ধান আছে তাৰ ইন-ফৰমেচন দিব লাগে। ইনফৰমেচন দিওঁতে দিওঁতে ধান বেচি শেষেই কৰিব। মই সিদিনা ধুবুৰীৰ পৰা আহিছো তাত এতিয়াই পচা আহু চাউল যোগান ধৰিছে। সেইবিলাক পচা চাউল।

চৰকাৰে নিজৰ প্ৰশাসনীয় এলেকাৰ ভিতৰতে ধান-চাউল নিয়ন্ত্ৰণ কৰিব পৰা নাই। এই বিষয়ত চৰকাৰ সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে। চৰকাৰে এইবাৰ ২৪ লাখ কুইণ্টল ধান সংগ্ৰহ কৰাৰ কথা কৈছিল, কিন্তু বাস্তৱ ক্ষেত্ৰত আমি কি দেখা পাইছো? ১.৫০ টকাৰ পৰা ৩.০০ টকা পৰ্য্যন্তলৈ আমাৰ মানুহে চাউল কিনি খাব লগা অৱস্থা আজি হৈছে। চৰকাৰৰ দুৰ্বল নীতিৰ বাবেই আজি এনে অৱস্থা হৈছে। এই দুৰ্বল চৰকাৰৰ দ্বাৰা আমাৰ কোনো কাম নহব। আগেয়ে আমি যিখিনি আশা কৰিছিলো আজি তিনি বছৰে এই চৰকাৰৰ দ্বাৰা আমি সেইখিনিও আশা কৰিব নোৱাৰা হৈ পৰিছো। মন্ত্ৰীৰ আজি কোনো কাম কৰাৰ ক্ষমতা নাইকীয়া হৈ যোৱা যেন দেখিছো।

অধ্যক্ষ মহোদয়, আৰু কেইটামান কথা মই কম। পুলিচ বিভাগৰ কথাকে মই এতিয়া কওঁ। পুলিচৰ কাণ্ড-কাৰখানা দেখি আমি আচৰিত হৈ পৰিছো। যিজন মানুহক গাঁওৰ মানুহে ভাল বুলি চাৰ্টিফাই কৰে পুলিচে সেইজন মানুহকে এৰেষ্ট কৰি লৈ যায়। মাননীয় সদস্য কোষেশ্বৰ বৰা ডাঙৰীয়াৰ কথাতে গম পোৱা গৈছে আমাৰ চৰকাৰে পুলিচক কিমান

ক্ষমতা অৰ্পণ কৰিছে। পুলিচৰ অত্যাচাৰত আমাৰ দুখীয় জনসাধাৰণ আৰু দুখীয়া হৈ যাব ধৰিছে। মাটি-বাৰি বিক্ৰী কৰি অ' চি-ক টকা দি মান-মৰ্য্যদা ৰক্ষা কৰিব লগা হৈছে। এই বিষয়টোৰ ওপৰত মই মাননীয় মন্ত্ৰী মহোদয়ক দ'কৈ চিন্তা কৰিবলৈ কৈছো। যদি এই বিভাগটো সংশোধন কৰা নহয় তেন্তে আমাৰ দুখীয়া জনসাধাৰণ আৰু শতকৰা পাঁচ ভাগ পুলিচৰ অত্যাচাৰত দুখীয়া হৈ যাব ধৰিছে। সিদিনা এজন Add. D. C. য়ে কৈছে যে আপোনাৰ কথা শুনিম নে নাই এচ, পি-ৰ কথা শুনিম ? তেতিয়া মই কলো যে মোৰ কথা শুনিব নালাগে, ৰাইজৰ কথা শুনক আৰু এচ, পি-ৰ কথা মতে কাম কৰক। এই বিভাগত কাম কৰা দুই-চাৰিজন অফিচাৰক দেখিছো গাড়ী আৰু মাটি সম্পত্তি কৰিছে। এজন অফিচাৰে কিমান দৰমহা পাই সেইটো আমি নাজানোনে। বাহিৰা টকা নহ'লে এজন অফিচাৰে কেতিয়াও দৰমহাৰ টকাৰে গাড়ী কিনিব নোৱাৰে। গোলোকগঞ্জ সমষ্টিতো অসমৰ ভিতৰত নে বাহিৰত এই কথা মন্ত্ৰীয়ে নাজানে আৰু বহুতেই এই কথা নাজানে এই সমষ্টিটোত যোগা-যোগৰ বাবে এখন দলং ভাঙি গ'ল। চৰকাৰ সদায় চুপ-চাপ হৈ ৰহি আছে এই বিষয়ত চৰকাৰে আজিলৈকে একো ব্যৱস্থা কৰা নাই। গোলোকগঞ্জ সমষ্টিটো অসমৰ বাহিৰত বুলি চৰকাৰে ধৰিলেই আমি ভাল পাওঁ।

এই অঞ্চলটো সকলোৰে অৱহেলিত। তাৰ প্ৰমাণ চাওঁক—তাত ইমান ডাঙৰ এখন দলং ভাঙি গ'ল—যোৱা ১৩ অক্টোবৰ তাৰিখে কিন্তু দৈনিক অসম কাকতে খবৰ পালে ফেব্ৰুৱাৰী মাহৰ ২৬-২৭ তাৰিখেহে। আনকি খবৰৰ কাগজেও এই অঞ্চলক অৱহেলিত অঞ্চল বুলি ধৰি লয়। সমাজতান্ত্ৰিক দেশ এখনত এটা অঞ্চল অৱহেলিত হৈ থকাটো অত্যন্ত পৰিতাপৰ কথা। যি কোনো ক্ষেত্ৰতে আপুনি যোগাযোগ কৰক তাৰ আজিলৈ কোনো কামেই কৃতকাৰ্য্য হোৱা নাই অৱশ্যে হব বুলি আশ্বাস দি আহিছে। সেই কাৰণে মই কৈছো গোৱালপাৰাৰ এই অঞ্চলটো বাংলাদেশেই নে পশ্চিমবঙ্গই তাক কোৱা টান। সকলোৱে ইয়াক এখন বেলেগ ৰাজ্য বুলি ভাবে। এই বেদনা,—নোপোৱাৰ বেদনা, এই বেদনাৰ

কাৰণেই আজি সকলোৱে বেলেগ ৰাজ্য বিচাৰিছে। এই বেদনা বিলাক সুপ্তহৈ নাথাকে। আজি যি ধৰণে উদয়াচলৰ দাবী উঠিছে এই ৰাইজ সকলক যদি চৰমভাবে বঞ্চিত কৰি ৰখা হয় তেনেহ'লে তেওঁলোকেও বেলেগ ৰাজ্য বিচাৰিব। আজি আপোনালোকে বুৰঞ্জী পঢ়ক, বিশাল ৰাজ্যবিলাক কি ধৰণে ধুলিস্মাৎ হৈ গৈছে। পাণ্ডৱ সকল সংখ্যাত তাকৰ আছিল যদিও কৌৰৱ সকলক পৰাভূত কৰিব পাৰিছিল। সেই কাৰণে দুৰ্য্যোধনৰ ৰাজসভাত যেতিয়া দুঃশাসনে দ্ৰোপদীৰ বস্ত্ৰ হৰণ কৰি বিবস্ত্ৰ কৰিছিল তেতিয়া ভিষ্মই বেয়া পাইছিল যদিও নিৰৱে সহ্য কৰিছিল আৰু পিছত দ্ৰোপদীয়ে লম্পট বুলি গালি পাৰিছিল-- তথাপি সকলো নিৰৱে সহ্য কৰি গৈছিল। কাৰণ ৰাজ অন্নে প্ৰতিপালিত বুলি ৰজাৰ দোষ ধৰিব নোৱাৰে। ঠিক তেনেকৈ আজি ৰাজ্যখনত যিমান অবিচাৰ অনাচাৰ হৈছে অন্তৰে নামানিলেও কংগ্ৰেছ সদস্য সকলে সহ্য কৰি যাবলগীয়া হৈছে, দলীয় শৃঙ্খলাই বাধ্য কৰিছে। কিন্তু এই অন্যায়ৰ এদিন বিচাৰ হবই।

( সময়ৰ সংকেট )

তাৰ পিছত পশুচিকিৎসা বিষয়ে অলপ কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিম। আজি এই বিভাগটো ইমান উধাই গৈছে। সেই বিষয়ে কৈ শেষ কৰিব নোৱাৰিম। এই বিষয়ে মুখ্যমন্ত্ৰী মহোদয়ক বাৰে বাৰে কোৱা হৈছে কিন্তু তাৰ প্ৰতিকাৰ কৰিব নোৱাৰিলে যি পৰিবেশৰ সৃষ্টি হৈছে। এই বিভাগটো ৰখাই টান হ'ব। যোৱা বছৰৰ ৩১ মাৰ্চ তাৰিখলৈ ১৭ লাখ টকা উঠাই Scheme মতে কাম কৰিব নোৱাৰিলে আৰু ৪ লাখ টকা লৈকে হাতত নগদ ৰাখিলে। গতিকে ইয়াৰ যি টা ষ্টাফিং পেটাৰ্ণ সেইটো বৰ শোচনীয়। গতিকে তাক পুনৰসংগঠণ কৰিব লাগে।

( সময়ৰ সংকেট )

এইখিনিকে কৈ বাজেটখন পৰিপূৰ্ণ নোহোৱা কাৰণে দুখ প্ৰকাশ কৰি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰীসুৰেণ দাস—মাননীয় অধ্যক্ষ মহোদয়, সদনত মাননীয় মুখ্যমন্ত্ৰী তথা বিত্ত

মন্ত্ৰী মহোদয়ে ১৯৭৪-৭৫ চনৰ যি বাজেট দাঙি ধৰিছে সেই বাজেটক মই সম্পূৰ্ণভাৱে সমৰ্থন জনাইছো। এই বাজেটত বিত্তীয় বছৰটোৰ সম্পূৰ্ণ বিত্তীয় অৱস্থা পৰ্য্যালোচনা কৰা হৈছে। লগতে যোৱা সাধাৰণ পঞ্চ-বাৰ্ষিক পৰিকল্পনা বিলাকত যি যি কামত অগ্ৰগতি লাভ কৰিছে আৰু অহা পঞ্চবাৰ্ষিক পৰিকল্পনাত আমাৰ দেশখনক কি কি অগ্ৰগতিত আগ-বঢ়াই নিয়া হব তাৰ প্ৰস্তুতিৰ বিষয়ে এই বাজেটত উৎথাপন কৰিছে। আমি আশা কৰিছো অহা পৰিকল্পনাত সুচিন্তিত কৰ্ম্মপন্থাৰে আগবাঢ়ি গলে নিশ্চয় সুফল হব।

আমাৰ দেশখন প্ৰাকৃতিক দুৰ্যোগেৰে পৰিপূৰ্ণ। আনহাতে আমাৰ মাননীয় সদস্য সকলে তেখেত সকলৰ নিজ সমষ্টিৰ আলৈ আহুকালৰ, ঘাট প্ৰতিঘাটৰ বিষয়ে কৈ গৈছে। কিন্তু এই সকলোবিলাক ক্ষেত্ৰত যেনে শিক্ষানুষ্ঠান, জনস্বাস্থ্য, পানীযোগান আদিত আৱশ্যক হিচাবে নোৱাৰিলেও কিছু পৰিমাণে যে আগবাঢ়ি আহিছে সেই বিষয়ে এই বাজেট বক্তৃতাত উল্লেখ কৰা হৈছে। আজি আমাৰ দেশত জনসাধাৰণৰ দাৰিদ্ৰৰ সীমাৰেখাৰ শতকৰা ৭৬ ভাগ আছে। কিন্তু এই পৰিকল্পনাৰ যোগেদি পিচপৰা শ্ৰেণীক আগবঢ়াই আনিব লাগিব।

অধ্যক্ষ মহোদয়, আমাৰ প্ৰদেশৰ শতকৰা ৭৪ জন মানুহ দাৰিদ্ৰ-তাৰ সীমাৰেখাৰ তলত বুলি আমি পৰিসংখ্যাৰ পৰা পাইছো। দেশৰ পৰিস্থিতিত শতকৰা ৭৪ জন মানুহেই আজি অৰ্থ নৈতিক দিশত পিচপৰি আছে। আমাৰ বিত্ত মন্ত্ৰী তথা মুখ্যমন্ত্ৰীয়ে এই কথা উল্লেখ কৰিছে যে যিহেতুকে আমাৰ দেশৰ শতকৰা আশী জন লোকেই খেতিৰ ওপৰত নিৰ্ভৰশীল সেই কাৰণে দেশৰ অৰ্থ নৈতিক দিশটো উন্নত কৰিবলৈ হলে প্ৰথমেই কৃষি জীৱি সকলৰ কথা চিন্তা কৰি কৃষিৰ ক্ষেত্ৰতেই অগ্ৰাধিকাৰ দিব লাগিব। ইয়াৰ লগে লগে জলসিঞ্চন, ধান সংগ্ৰহ আদি যিবিলাক দেশৰ ভৱিষ্যত জনসাধাৰণৰ কাৰণে খাদ্যবস্তু সংগ্ৰহ কৰা নীতি সেই বিলাক যাতে ভৱিষ্যতে অসমৰ জনসাধাৰণে প্ৰাকৃতিৰ দুৰ্যোগৰ দিনত অৰ্থাৎ যেতিয়া বানপানী আদি আহে, বিপদ-আপদ আহে তেতিয়া ভাত এমুঠি যাতে নিৰাপদে পাব পাৰে তাৰ কাৰণে চৰকাৰে যি সংগ্ৰহ নীতি লৈছে তাৰ

প্ৰতি শলাগ লৈছো আৰু প্ৰাকৃতিক দুৰ্যোগে স্পৰ্শ কৰা সময়ত জনসাধাৰণক ভাত এমুঠি দিয়াৰ উপযুক্ত ব্যৱস্থা লৈছে কাৰণে চৰকাৰক ধন্যবাদ জনাইছো। মোৰ সমষ্টিতে অকল ছয়ষষ্টি হাজাৰ কুইন্টল ধান সংগ্ৰহ কৰা হৈছে। আমাৰ যি বিলাক মাৰ্কেটিং চোচাইটি আদি আছে তাৰ যোগেদি বা সস্তিয়া দোকান আদিৰ যোগেদি হলেও বৰ্ত্তমান যি বিলাক ঠাইত ধান সংগ্ৰহ কৰা হৈ গল অথচ এতিয়া সেই বিলাক ঠাইৰ খেতিয়কৰ ভৰালত ধান নাই সেই সেই অঞ্চলত এই বিলাকৰ যোগেদি ধান চাউল যোগান ধৰাৰ ব্যৱস্থা কৰিব লাগে। তেতিয়া হলে ৰাইজেও চৰকাৰৰ লগতে হাত উজান দিব ধান সংগ্ৰহ আদিৰ কাৰণে। মাৰ্কেটিং চোচাইটি বা সমবায় সমিতি আদিৰ জৰিয়তে কম সময়ৰ ভিতৰতে বহুত হাজাৰ কুইন্টল ধান সংগ্ৰহ হৈছে। কিন্তু এমাহৰ আগতে যি ঠাইত ধানৰ দাম আছিল ২৮ টকা আজি সেই ঠাইত ৪৫ টকালৈ বৃদ্ধি পাইছে। এক-দেৰ মাহ সময়ৰ ভিতৰতে ইমান দাম বাঢ়িল অথচ ৰাইজৰ ভৰালতো নাই। গতিকে এই ব্যৱস্থাত তেওঁবিলাকৰ মাজত সস্তীয়া চাউল আদি দিবলৈ মই চৰকাৰক নিবেদন জনালো। উত্তৰ লক্ষীমপুৰ, দৰং আৰু কামৰূপৰ উত্তৰ অঞ্চলত বেছি সংখ্যক ধান সংগ্ৰহ হয় যদিও এতিয়া খেতিয়কৰ ভৰাল একেবাৰে শুদাহৈ গৈছে। সেই বিলাক ঠাইত গুদামৰ ব্যৱস্থা কৰি বিশেষকৈ জালাহ অঞ্চলত চৰকাৰী গুদাম তৈয়াৰ কৰিহলেও সেই অঞ্চলৰ খেতিয়ক সকলৰ বিপদৰ দিনত চাউল এমুঠি যাতে পাব পাৰে তালৈ চৰকাৰক নজৰ ৰাখিবলৈ মই অনুৰোধ জনালো। প্ৰাকৃতিক দুৰ্যোগৰ হেচা পৰিলে তাৰ পৰা উদ্ধাৰ পাবলৈ তেহে সুবিধা হব।

অধ্যক্ষ মহোদয়, আজি জলসিঞ্চনৰ ক্ষেত্ৰত কালদিয়া নদী জলসিঞ্চন পঞ্চম বছৰীয়া পৰিকল্পনাত লব লাগে। ইতিমধ্যে যি ঠাইত খেতি কৰিছে সেই ঠাইত যাতে আকৌ দুগুণ উৎসাহৰে দুগুণ কৈ খেতি কৰিব পাৰে তালৈ চকু দিব লাগে। উন্নয়ন খণ্ড কিছুমানত যদিও জলসিঞ্চনৰ আঁচনি লোৱা হৈছে তথাপি বহুত ক্ষেত্ৰত কিছুমান টকা অথলে গৈছে বুলি কব লাগিব। বালি মাটিৰ বান্ধ নিদি পকী বান্ধ তৈয়াৰ কৰি

জলসিঞ্চনৰ ভাল ব্যৱস্থা কৰি দিয়া হলে খেতিয়কৰ নিশ্চয় উপকাৰ হল-হেতেন। ইতিমধ্যে হোৱা চাৰিটা পৰিকল্পনাত প্ৰায় দহ কোটি মান টকা খৰচ হৈছে। এই বিলাক ঠিকমতে চাৰ্ভে কৰি জলসিঞ্চনৰ কাৰণে পকী বান্ধ আদি দি উচিত ব্যৱস্থা কৰিবলৈ মই চৰকাৰক অনুৰোধ জনালো। উন্নত প্ৰণালীৰে পকী বান্ধ নিৰ্ম্মান কৰি জলসিঞ্চন কৰিলে নিশ্চয় আমাৰ খেতিয়ক সকল উপকৃত হব। লিফট্ ইৰিগেচন যি বিলাক নদীৰ ভেলচিটি বেছি আছে তেনেবোৰ ঠাইত কৰিব লাগে। এইবাৰ ঘেহু খেতি কৰিবলৈও বহুত খেতিয়ক আগবাঢ়ি আহিছে। কিন্তু পানীৰ অভাৱ যদিও যোৱা পৰহি দিয়া বৰষুণ জাকে বহুতৰ মনত আশা দিছে। লিফট্ ইৰিগেচনৰ কাৰণে মেচিন ফিট হোৱা নাই, বান্ধ বিলাকো চিমেণ্টৰ অভাৱৰ কাৰণে সম্পূৰ্ণ কৰিব পৰা নাই। কিন্তু যোৱা পৰহি ধাৰা-ষাৰে বৰষুণ হোৱাত খেতিয়কৰ মনত আশা দেখা গৈছে। কিন্তু আজিৰ দিনতো বৰষুণৰ পানীলৈ বৈ থাকি আশা পালি থকাটো নিশ্চয় দুখৰ কথা। কিয়নো আজিও আমাৰ ইঞ্জিনীয়াৰ সকলক বৰখাস্ত কৰা হৈছে, ৰিট্ৰেন্স কৰিবলগীয়া হৈছে। নাইবা কিছুমানে আকৌ এটা ভাল চাকৰীৰ কাৰণে ভাগ্যক ধিয়াই ধিয়াই থাকিবলগীয়া হৈছে। তেওঁবিলাকক আগ-বঢ়াই আনিবলৈ চাব লাগিব। তেতিয়া হ'লে বহুত নিবনুৱা নিয়োগ পাব। উন্নত প্ৰণালীৰে পানী যোগান ধৰিবলৈও পৰা হ'ব আৰু উৎপাদনো দুগুণে বৃদ্ধি পাৰ। পেকেজ আঁচনি কৰা হ'ল, পাইলট আঁচনি কৰা হ'ল এই সকলো বিলাক নিশ্চিহ্ন হ'ল কিন্তু কাম হ'লে খুব কম হ'ল। পঞ্চম পৰিকল্পনাৰ সকলো বিলাক কথা মুখ্যমন্ত্ৰী মহোদয়ে বিস্তৃত ভাবে বাজেটত পৰ্য্যালোচনা কৰা নাই যদিও মূল কথাটোত তেখেতে গুৰুত্ব দিছে। কিয়নো আজি যদি আমি জলসিঞ্চন আৰু কৃষিৰ ওপৰত গুৰুত্ব নিদিওঁ তেনেহ'লে আমাৰ নিস্তাৰ নাই, উদ্ধাৰ নাই। কিয়নো উদ্যোগ স্থাপন হ'বলৈও যি কেঁচা মালৰ প্ৰয়োজন সেই কেঁচা মাল নিতান্তই উৎপাদন হ'ব লাগিব। সেই কাৰণেই খেতিৰ ওপৰত বিশেষ নজৰ দিয়া উচিত হ'ব। এই খিনি কথা মই চৰকাৰৰ ওচৰত সেই কাৰণেই নিবেদন

কৰিছো এইটো এটা পঞ্চম পাঁচ বছৰীয়া পৰিকল্পনাৰ এইটো এটা নতুন প্ৰস্তুতি। সেই কাৰণেই মুখ্যমন্ত্ৰী মহোদয়ে এইটো কথা বাজেটত পৰ্য্যালোচনা কৰা নাই যদিও এটা মূল কথাত গুৰুত্ব দিয়া আমি দেখিবলৈ পাইছো। সেইটো হৈছে ইৰিগেচনৰ ক্ষেত্ৰত আৰু কৃষিৰ ক্ষেত্ৰত।

আমি সকলোৱেই আমাৰ দেশত উদ্যোগ হব লাগে বুলি কৈ আহিছো। আমাৰ দেশত যথেষ্ট পৰিমাণে কেঁচা মাল আছে। এই কেঁচামাল বিলাকক ভিত্তি কৰি যিবিলাক উদোগ আমাৰ দেশত হ'ব পাৰে তেনেধৰণৰ উদ্যোগ আমাৰ দেশত প্ৰতিষ্ঠা কৰিব লাগে। ইয়াৰ কাৰণে যিবিলাক যাবতীয় বস্তুৰ প্ৰয়োজন হয় সেই বিলাক যোগান দিয়াত বিশেষ ব্যৱস্থা কৰাত চৰকাৰে বিশেষ ভাবে নজৰ দিবলৈ মই চৰকাৰক নিবেদন জনালো।

আজি আমাৰ দেশত জনস্বাস্থ্যৰ ক্ষেত্ৰত কি অৱস্থা হৈছে সেই কথা বিশেষভাবে মন কৰিবলগীয়া। কিয়নো মেলেৰীয়া ৰোগৰ কথা আজিৰ পৰা ৩ বছৰ মানৰ আগতে আমি শুনা নাছিলো। তেতিয়া আমি আমাৰ দেশত মেলেৰীয়া নাইকীয়া হ'ল বুলিয়েই ভাবি আহিছিলো। কিন্তু যোৱা দুই বছৰ মানৰ পৰা আমাৰ দেশত মেলেৰীয়া ৰোগ আকৌ হোৱাটো পৰিলক্ষিত হৈছে। এই মেলেৰীয়া ৰোগৰ লগতে ডাইচেনটাৰী, কলেৰা আদি ৰোগো হৈয়েই আছে। সেই কাৰণে মই ভাবো আমাৰ যিবিলাক প্ৰাইমাৰী হেলথ চেণ্টাৰ বা দিচপেনচাৰী সম্পূৰ্ণ হোৱা নাই সেইবিলাক পুণাঙ্গ কৰিব লাগে। আৰু যিবিলাক দিচপেনচাৰীত ডাক্তৰ নাই সেই বিলাকত ডাক্তৰ দিব লাগে। আমাৰ বহুত বিলাক ল'ৰা মেডিকেল পাঁচ কৰি ঘৰতে নিবনুৱা হৈ আছে। সেই ল'ৰা বিলাকক আনি যি বিলাক দিচপেনচাৰীত ডাক্টৰ নাই সেই বিলাকত নিযুক্তি দিব লাগে। নহ'লে এতিয়া যিদৰে ডাক্টৰ নোহোৱাৰ কাৰণে ফাৰমাচিষ্ট বিলাকে যিদৰে দিচপেনচাৰী বিলাক চলাই আছে সেই দৰেই চলাই থাকিব লাগিব। ডাক্টৰৰ অভাবত ফাৰমাচিষ্ট বিলাকে দিচপেনচাৰী বিলাক চলাই থাকিব লগীয়া হোৱাৰ কথাটো কিমান দুখৰ কথা আপোনালোকে ভাবি চাওক। সেই কাৰণে অতি সোনকালে যি বিলাক

দিচপেনচাৰীত ডাক্তৰ নাই সেই বিলাক দিচপেনচাৰীত ডাক্তৰ নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে।

আমাৰ গোটেই অসমতেই খোৱা পানীৰ অৱস্থা অতি বেয়া হৈ আছে। যি বিলাক অঞ্চলত খোৱা পানীৰ কোনা ব্যৱস্থা নাই সেই বিলাক অঞ্চলত দিপ টিউব ওৱেল দিব লাগিব। তাবোপৰি যি বিলাক অঞ্চলত টিউব ওৱেল দিব নোৱাৰি সেই বিলাক ঠাইত দ কৈ পুখুৰী খাণ্ডি দিয়াৰ ব্যৱস্থা কৰিব লাগে। এইদৰে পুখুৰী খাণ্ডি দিলে কেইবাটাও কামত আহে। এই বিলাক পুখুৰীৰ পৰা পানী নি খেতি পথাৰত দি জলসিঞ্চনৰ ব্যৱস্থা কৰিব পাৰি আৰু লগতে এই পুখুৰী বিলাকত মিন-মহলো কৰিব পাৰি। এই দৰে পুখুৰী খণ্ডাই দিলে কেইবা ফালৰ পৰাও উপকৃত হব পৰা হব। এই দৰেই এই বিভাগত যি খিনি টকা আছে সেই টকা খৰচ কৰিব লাগে। নহলে এই বিলাক টকা লেপচ্ হৈ যাব। সেই কাৰণেই মই ভাবো আমাৰ জন স্বাস্থ্য বিভাগে এই বিলাক কথাত বিশেষ ভাবে নজৰ দি আমাৰ টকা বিলাক যাতে অথলে নাযায় তাৰ কাৰণে ভাল ব্যৱস্থা কৰিব লাগে।

যাতায়তৰ ক্ষেত্ৰত মহকুমা বিলাকত পৰিকল্পনা বৰ্ড গঠিত হৈছে। সকলো বিলাক ঠাইতেই যে ৰাস্তা, দলং আদি হোৱা নাই মই সেইটো কথা কব বিচৰা নাই। কিন্তু এঠাইত এটা ৰাস্তা হলেই বা এখন নদীত এখন দলং হলেই ধৰি লব নালাগিব যে সকলো ঠাইতেই ৰাস্তা হৈছে। বা সকলো বিলাক নদীতেই দলং হৈছে। ৰাস্তা পত্হলিব যদি ব্যৱস্থা কৰি দিব পৰা নহয় তেতিয়া হলে আমাৰ জনসাধাৰণৰ ভাল ব্যৱস্থা হব নোৱাৰে। সেই কাৰণেই মই ভাবো যি বিলাক অঞ্চল দলং আদিৰ অসুবিধাৰ কাৰণে, ৰাস্তাৰ আদিৰ অসুবিধাৰ কাৰণে অন্য অঞ্চলৰ পৰা বিচ্ছিন্ন হৈ আছে সেই বিলাক অঞ্চলত ৰাস্তা আৰু দলঙৰ ব্যৱস্থা কৰি কৰি অন্য বিলাক লগত সংযোগ স্থাপন কৰিব লাগে। কালদিয়া নদীৰ দলংখন নোহোৱাৰ কাৰণে বাৰিষা তাৰ ছাত্ৰ-ছাত্ৰী সকল ইখন স্কুলৰ পৰা সিখন স্কুললৈ যাব নোৱাৰে। তাত ২৯ মাইল ৰাস্তা হল যদিও এই দলং খন নোহোৱাৰ কাৰণে তাত মটৰ বাচ চলাচল কৰা দূৰৰ কথা আনকি গৰুগাড়ীও চলিব পৰা নাই। সেই কাৰণে এই

দলংখন অনতি পলমে কৰিব বুলি আশা কৰিলো। ঠিক তেনে দৰেই মোৰ সমষ্টিৰ গোৱাল বিল ঘাটৰ দলংখনৰ কাৰণে দুই বাৰ টেণ্ডাৰ কল কৰা হল যদিও এই দলংখন কৰা আজিলৈকে নহল। মই মুখ্য মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো যাতে এই দলংখন অনতিপলমে কৰাৰ ব্যৱস্থা কৰে। আমাৰ গোটেই অঞ্চলৰ মানুহ বিলাকে কৈ আছে যে আমি গুৱাহাটী মহকুমাৰ লগত থকাই ভাল। কিন্তু আমাৰ মানুহখিনি গুৱাহাটী মহকুমালৈ আহিলে এটা মহকুমা হবলৈ যি ৭ লাখ জনসংখ্যাৰ প্ৰয়োজন হয় সেই সংখ্যা নোহোৱাৰ কাৰণেই আমাৰ মানুহখিনি নলবাৰী মহকুমাত থাকিব লগীয়া হৈছে। এই দলংখন কৰি নিদিলে আমাৰ মানুহখিনি গুৱাহাটী মহকুমালৈ গুচি আহিব বুলি ভাবি আছে। সেই কাৰণেই এই ক্ষেত্ৰত কিবা এটা ভাল ব্যৱস্থা কৰিব বুলি আশা ৰাখিলো।

আমাৰ যি বিলাক প্ৰাইমাৰী হেল্‌থ চেণ্টাৰ আছে সেই বিলাকৰ অৱস্থা ভাল নহয়। তাত ডাক্তৰ নাৰ্চ আদি নাই। বেদ নামত আছে যদিও কামত নাই। মোৰ সমষ্টিত যি ৪ খন প্ৰাইমাৰী হেল্‌থ চেণ্টাৰ আছে সেই চাৰিও খনৰে অৱস্থা অতি শোচনীয়। তাত ডাক্তৰ নাৰ্চ, বেদ আদিৰ সুবিধা দি উন্নত কৰাৰ ব্যৱস্থা কৰিব লাগে। সেই দৰে অসমত যি বিলাক প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ বা ৰাজ্যিক চিকিৎসালয় অসম্পূৰ্ণ হৈ আছে সেই বিলাক চিকিৎসালয়ৰ ভাল ব্যৱস্থা কৰিব লাগে। যি বিলাকে চৰকাৰী সাহাৰ্য্য আদি পোৱা নাই সেই বিলাকক চৰকাৰী সুবিধা দি ৰাজ্যিক চিকিৎসালয় পঞ্চম পৰিকল্পনাৰ ভিতৰতে কৰিব লাগে। তাৰোপৰি আঞ্চলিক পঞ্চায়ত এলেকাত যি বিলাক চাব চেণ্টাৰ আছে সেই বিলাক ৫।৬ মাইল আঁতৰে আতৰে আছে সেই বিলাক নৰমেলাইজ হোৱাৰ পিচত চৰকাৰে লবলৈ মই অনুৰোধ কৰিলো। যি বিলাক গাওঁ এই চাব চেণ্টাৰ বিলাকত সোমোৱা নাই সেই বিলাক গাওঁ অনতি পলমে চেণ্টাৰত সোমোৱাই লোৱাৰ ব্যৱস্থা কৰিব লাগে।

উপাধ্যক্ষ মহোদয়, আজিও আমাৰ গাওঁবিলাকত পুৰণি বাহ-বেতৰ কাম, বোৱা-কটা কাম, মিস্ত্ৰীৰ কাম, কাপোৰ-কানি ইত্যাদি বোৱা-কটা কাম অতি আগ্ৰহৰে চলি আছে। কিন্তু সেইবিলাক অঞ্চলত পৰ্য্যাপ্ত পৰিমাণৰ বিজুলি বাতিৰ যোগান ধৰিব নোৱাৰাই সেই অঞ্চল বিলাক

পোহৰৰ পৰা বঞ্চিত হৈ লগা হৈছে ফলত গাৱৰ বুঢ়ী, তিৰোতা বোৱনী সকলে আন্ধাৰৰ মাজতেই কাম-বন অভাব লগীয়া হয়। সূতাকটা কাম তেওঁলোকে বেচ ৰাতিলৈকে চলাই থাকে আৰু এৰি মুগা, পাট পলু ইত্যাদি পুহাৰ ক্ষেত্ৰত তেওঁলোকে যথেষ্ট কষ্ট স্বীকাৰ কৰিব লগীয়া হয় আৰু বিশেষকৈ পলু জন্ম হবৰ সময়ত তেওঁলোকে নিজৰ ল'ৰা-ছোৱালীৰ নিচিনাকৈ সেই পলুবিলাকৰ যত্ন লবলগীয়া হয়। মাখি মহৰ অত্যাচাৰৰ পৰা ৰক্ষা কৰিবলৈ বহুত সচেষ্ট থাকিব লগীয়া হয়। গতিকে আজি এনে ক্ষেত্ৰত চৰকাৰে যি বিজুলী-বাতি যোগান ধৰাৰ ব্যৱস্থা কৰিব বিচাৰিছে সেইটো বিশেষকৈ আমাৰ গাওঁ অঞ্চলৰ কাৰণে যথেষ্ট সহায়ক হব কিয়নো যদি বিজুলী-বাতিৰ যোগান ধৰিব পৰা হয় তেতিয়া হলে সেই গাৱলীয়া অঞ্চলৰ লোক সকলে তেওঁলোকৰ সকলো যাৱতীয় কাম-কাজ বিজুলী-বাতিৰ পোহৰত বাতিও কৰিবলৈ সুবিধা পাব, বিশেষকৈ সূতা কটা কাম বাতি কৰিব পাৰিব, ৬০।৭০ বছৰীয় বুঢ়ী সকলে বছৰ বছৰ ধৰি আন্ধাৰতেই কাম বন কৰিছিল। সেইসকলেও এই বিজুলী বাতিৰ পোহৰ পালে তেওঁলোকৰ মনত আনন্দৰ সঞ্চাৰ হব আৰু তেওঁলোকে এই বিষয়ত দ্বিগুণ উৎসাহ পাব আৰু কাম-বনবোৰত যথেষ্ট তৎপৰ হব পাৰিব। গতিকে মই আশা ৰাখিছোঁ আমাৰ চৰকাৰে এই বিলাক দিশত আমাৰ মাননীয় সদস্য সকলৰ পৰামৰ্শ আৰু আদৰ্শ লৈ এই পঞ্চম পৰিকল্পনাৰ কাল ছোৱাত যেন আগবাঢ়ি যাব পাৰে।

মাঃ অধ্যক্ষ :—আপুনি শেষ কৰক।

শ্ৰীসুৰেণ দাস :—মই ৩ মিনিট মান কৈয়েই শেষ কৰিম। আমাৰ উদ্যোগ বিভাগৰ ক্ষেত্ৰত কওঁ যে গাওঁ এলেকাত 'কাৰ্পেণ্টাৰী কাম প্ৰদাক্চন চেণ্টাৰ' যি বিলাক আছে সেই বিলাকত আমাৰ গাৱৰ ডেকা সকলে 'কাৰ্পেণ্টাৰীৰ' প্ৰশিক্ষণ লয় কিন্তু আচৰিত কথা আজি আপুনি মন কৰিব আমাৰ এই ৰাজধানী দিচপুৰতেই যিবিলাক মিস্ত্ৰি কাম চলি আছে সেইবিলাকত আমাৰ খিলঞ্জীয়া মিস্ত্ৰি কাম জনা যুৱক নাই কিয়নো তেওঁলোকক এই বিষয়ত ভাল ধৰণে প্ৰশিক্ষণ দিব পৰা নাই। আজি আমাৰ যুৱক সকলে ভাবে যে এই কাঠ কটা কাম কৰি জীৱন নিৰ্ব্বাহ কৰাটো অতি টান কথা আৰু সেইকাৰণে তেওঁলোকে এই কাম কাজবোৰৰ

পৰা আতৰি থকা দেখা যায়, য'ত ল'ৰাবিলাকক ট্ৰেইনিং দিয়া হয় সেই বিলাকত এখন তক্তাও নাই, এক কিউবিক কাঠো নাই। আমাৰ আই, টি আই বিলাকত প্ৰশিক্ষণ দিবৰ কাৰণে প্ৰথমতে ২০ জন আছিল কিন্তু পিছত ৬ জনহে আছে, এই কাঠ বাহ ইত্যাদি নথকাৰ কাৰণে তেওঁলোকে ট্ৰেইনিং চেণ্টাৰ এৰি গুচি যাবলৈ বাধ্য হৈছে।

চৰকাৰে আজি 'আন এম্পলয়দ ইয়ুথ' আঁচনি লৈছে সেই আঁচনি বেচ ভাল হৈছে আমাৰ নিবনুৱা যুৱক সকলৰ কাৰণে, আই, টি, আই খুলি তাত আমাৰ ল'ৰাবিলাকক ট্ৰেইনিং দিয়া হব আৰু লগতে তেওঁ-লোকক ৪০।৫০ টকা হিচাবত 'এপ্ৰেণ্টিচ' ষ্টাইপেণ্ড দিয়া হৈছে, তাৰ দ্বাৰা তেওঁলোকে নিজৰ পৰিয়ালৰ ভৰণ-পোষণ দিয়াৰ লগতে নিজেও চলিব পাৰে। আমাৰ ফাৰ্মৰ পৰা তেওঁলোকক ইতিমধ্যে ৪৫ বিঘা মাটি দিয়া হৈছে, কিন্তু তাৰ কোনো প্লেন এষ্টিমেট এতিয়াও হোৱা নাই। গতিকে মই চৰকাৰক অনুৰোধ কৰিছোঁ। চৰকাৰে যেন এই আই, টি, আই বিলাকত অৰ্থাৎ প্ৰশিক্ষণ চেণ্টাৰ বিলাকত উপযুক্ত পৰিমাণৰ সকলো খিনি সা-সুবিধা দি আমাৰ গাৱৰ নিবনুৱা যুৱক বিলাকক কৰ্ম্মসংস্থাপনৰ একোটা ব্যৱস্থা কৰি দিয়ে যাতে তেওঁলোক নিজে হলেও একোখন ফাৰ্ম্ম খুলি নিজৰ জীৱিকা আৰ্জ্জন কৰাৰ লগতে পৰিয়াল ভৰণ-পোষণ দিব পাৰে। ইমানখিনিকে আশা কৰি মই বহিলো।

শ্ৰীবদন তালুকদাৰ—মাননীয় অধ্যক্ষ মহোদয়, ১৯৭৪-৭৫ চনৰ যি খন বাজেট উত্থাপিত হৈছে আৰু এই বাজেট সংক্ৰান্তত মাননীয় মুখ্য মন্ত্ৰী তথা বিত্তমন্ত্ৰী মহোদয়ে বাজেট বক্তৃতাত যি খিনি বক্তব্য দাঙি ধৰিছে তাত ৰাজ্যখনৰ অৰ্থনৈতিক অৱস্থা আৰু সেই অৱস্থাৰ পৰিপেক্ষিতাত চৰকাৰে লবলগীয়া ব্যৱস্থাৰ কোনো ছবি দাঙি ধৰিব পৰা নাই। আৰু সেই কাৰণে এই বাজেট খনে ৰাজ্যখনৰ সকলো স্তৰৰ লোকক হতাশ কৰি তুলিছে কাৰণ এই বছৰটো আমাৰ পঞ্চম পাচ বছৰীয়া পৰিকল্পনাৰ প্ৰথম বছৰ, ৰাইজে আশা কৰিছিল এই পাচ বছৰীয়া পৰিকল্পনাত ভৱিষ্যত সম্পৰ্কত কিবা নিৰ্দ্দেশ দিব আৰু এই পৰিকল্পনাত কাম-কাজ বা আঁচনি কেনে ধৰণে কাৰ্য্যসূচী লোৱা হব আৰু তাৰ বাবে কি অৰ্থনৈতিক ব্যৱস্থা লোৱা হব এই বিষয়ে কিছু আভাস পাব।

অধ্যক্ষ মহোদয়, এখন বাজেটে এখন ৰাজ্যৰ ৰাজনৈতিক ব্যৱস্থা দেখুৱাই দিয়ে আৰু লগতে যদি সেই ব্যৱস্থাৰ যদি কোনো দোষ-ত্ৰুটি থাকে সেইবিলাক আতৰ কৰাৰ কাৰণে কি ধৰণ চেষ্টা কৰিব লাগে তাৰ ইঙ্গিত দিয়ে কিন্তু আজি যি খন বাজেট উত্থাপিত হৈছে আমাৰ মন্ত্ৰী মহোদয়ে কৈছে এই খন ঘাটি বাজেট দিছে, এই ঘাটি বাজেট এই বছৰেই নহয় আজি কিছু বছৰৰ পৰা ঘাটি বাজেট বৰ্ত্তমান সময়ত এটা নতুন কথা হৈ পৰিছে। এইটো কথা ঠিক যে এখন উন্নতিকামী দেশৰ বাবে এখন দেশক উন্নতি পথত আগবঢ়াই নিবলৈ হলে ৰাজাখনত ঘাটি বাজেট প্ৰকৃততেই প্ৰয়োজন আছে কিন্তু ঘাটি বাজেট প্ৰতি বছৰেই হৈ থাকে আৰু তাৰ অঠসহা যদি ঘাটিৰ পৰা লাভলৈ নাহে তেতিয়াহলে তাৰ পাৰফৰমেন্স ভাল নহব আৰু দেশৰ অৰ্থনৈতিক অৱস্থা সোনকালে টন কিয়াল হোৱাতো সম্ভৱ নহব। আমাৰ এই ঘাটি বাজেট সংক্ৰান্তত মুখ্য মন্ত্ৰী মহোদয়ে এটা কথা কৈছে যে বৰ্ত্তমান যি ঘাটি বাজেট দেখুৱাইছে এই ঘাটি পূৰণৰ বাবে যদি কোনো নতুন কৰ-কাটল বহুৱা নহয় যদিও অতিৰিক্ত কৰ-কাটল পিচলৈ বহুৱাৰ কথা উল্লেখ কৰিছে। বাজেটত জন-সাধাৰণৰ ওপৰত কি ধৰণে কৰ-কাটল বহুৱা হব সেইটো জনসাধাৰণক জনাব লাগে আৰু জনসাধাৰণৰো সেই বিষয়ে জানিবলৈ অধিকাৰ আছে।

সেইকাৰণেই জনসাধাৰণক বাজেটত কি ধৰণৰ কৰ-কাটল লগাব তাৰ এটা আভাষ দিয়া নিতান্তই প্ৰয়োজন। কিয়নো এইটো জনাব জন-সাধাৰণৰ অধিকাৰ আছে। কিন্তু বিত্তমন্ত্ৰীয়ে বাজেট বক্তৃতাত যি কৰ কাটল আদি লগোৱাৰ ইঙ্গিত এটা দিছে তাত সেই কৰকাটল কাৰ ওপৰত লগাব, ধনী শ্ৰেণীৰ ওপৰত লগাবনে দুখীয়া শ্ৰেণীৰ ওপৰত লগাব তাৰ হলে কোনো ইঙ্গিত দিয়া নাই। সেইকাৰণেই আজি সন্দেহ হৈছে যে, এই কৰকাটল শেষত গৈ আমাৰ দুখীয়া জনসাধাৰণৰ ওপৰতেই পৰিবগৈ। আজি এটা কথা আমাৰ চৰকাৰৰ ফালৰ পৰা ঘোষণা কৰি থকা হৈছে যে, আমাৰ দেশৰ শতকৰা ৭০ জন মানুহ আমাৰ দাৰিদ্ৰৰ সীমাৰেখাৰ তলতে আছে। এই ক্ষেত্ৰত এই লোক সকলৰ ওপৰত যদি পুনৰ কৰ-কাটল আদি লগোৱা যায় তেতিয়াহলে, তাৰ অধিকাংশই বহন কৰিব লাগিব আমাৰ এই দাৰিদ্ৰৰ সীমাৰেখাৰ তলতে থকা লোকসকলেই। ফলত

সেই দাবিদ্ৰৰ সীমাৰেখাৰ তলত থকা লোকসকল আৰু বেছিকৈহে দাৰিদ্ৰৰ সীমাৰেখাৰ তললৈহে যাব। অথবা দাৰিদ্ৰৰ সীমাৰেখাৰ তলত থকা সকলৰ সংখ্যা আৰু বৃদ্ধি পাব। আজি আমাৰ অৰ্থনৈতিক ক্ষেত্ৰত আমাৰ চৰকাৰে যিখন ছবি ডাঙি ধৰিছে সেই ছবিয়ে আমাৰ জনসাধাৰণৰ ক্ষেত্ৰত কোনো আশাৰ সঞ্চাৰ কৰিব পৰা নাই। আমাৰ ৰাজ্যৰ অৰ্থনৈতিক অৱস্থা আৰু সেই পৰিপ্ৰেক্ষিতত আমাৰ জনসাধাৰণৰ নিত্য প্ৰয়োজনীয় ব্যৱহাৰ পাতিৰ মূল্য বোধ কৰাৰ ক্ষেত্ৰত কোনো সমস্যা সমাধানমূলক দৃষ্টিভঙ্গী ডাঙি ধৰিব পৰা নাই। ইয়াৰ কাৰণ হিচাবে দেখুউৱা হৈছে যে, সমগ্ৰ দেশতে যেতিয়া খাদ্যবস্তুৰ দাম বৃদ্ধি হৈছে গতিকে তাৰ পৰা আমাৰ অসমো বাদ পৰিব নোৱাৰে। কিন্তু এই ক্ষেত্ৰত আমি এটা কথা দেখিছোঁ যে, কিছুমান খাদ্যদ্ৰব্যৰ ক্ষেত্ৰত আমি আত্মনিৰ্ভৰশীল আছিলোঁ কিন্তু সেই আত্ম-নিৰ্ভৰশীলতা আমি প্ৰত্যেক বছৰেই হেৰুৱাব লগা হৈছে। তাৰ কাৰণে বহুত বিলাক আঁচনি আদি কৰা হৈছে কিন্তু তাৰ ফলত হলে একো হোৱা নাই। আমাৰ মনত আছে, যোৱা বছৰত আমাৰ ৰাজ্যত ৰবিশস্য, দাইল জাতীয় শস্যাদি, তেল জাতীয় শস্য আদিকে ধৰি গম খেতিত স্বাৱলম্বী কৰিবৰ কাৰণে কিছুমান আঁচনি আদি কৰিছিল। কিমান একৰত খেতি কৰা হব তাৰো হিচাব চৰকাৰৰ তৰফৰ পৰা দিয়া হৈছিল। কিন্তু তাৰ কাৰণে কিমান শস্য আদি বিলালে সেইবিলাক মাটিত পৰিলনে নাই তাৰ কোনো হিচাব আদি নকৰাকৈ এইবিলাক বস্তুৰ উৎপাদনৰ ক্ষেত্ৰত তলতীয়া বিষয়া সকলে যিবিলাক হিচাব দিলে সেইমতেই ঘোষণা কৰি দিয়াৰ ফলত আৰু সেই হিচাব সন্তোষজনক বুলি কোৱাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ পৰা পাবলগীয়া নিৰ্দ্দিষ্ট পৰিমাণৰ খাদ্যদ্ৰব্যাদিও হেৰুৱাব লগা হ'ল। ফলত বিশেষকৈ গম জাতীয় খাদ্য সামগ্ৰীৰ ক্ষেত্ৰত আমাৰ ৰাজ্যখনত এটা ডাঙৰ অভাৱ পৰিলক্ষিত হ'ল। বজাৰত আটা-ময়দা আদি পাবলৈ নোহোৱা হৈ পৰিল। ৰাজ্যৰ বেকাৰীবিলাক বন্ধ হৈ যাবলগা হ'ল। লগে লগে বহুত নিবনুৱা হবলগাও হ'ল। এইবিলাকৰ পৰিপ্ৰেক্ষিতত কব পাৰি যে, এইবাৰৰ বাজেটত আমি খাদ্য সামগ্ৰীৰ ক্ষেত্ৰত স্বাৱলম্বী হব পৰাৰ কোনো এখন ছবি ডাঙি ধৰিব পৰা নাই। বৰং অতি নিৰাশজনক ছবি এখনহে আমি দেখিবলৈ পাইছোঁ। Study

of the plan achievement and programme for 1974-75 ইয়াত যিখিনি কথাৰ অৱতাৰণা কৰিছে তাৰ পৰা এইখিনি কথাকেই মই কব খুজিছোঁ—Target for food production during the Fourth Plan is 25 lakhs tonnes annually against which 23·96 lakh tons were achieved in 1972-73 and the achievement during 1973-74 is expected to be 14 lakh tons and the target for 1974-75 is 24·96 lakh tons. গতিকেই দেখা যায় যে, যোৱা বছৰৰ নিচিনাকৈ কোনো 'টাৰ্গেট' ঠিক নকৰাকৈ এইবাৰো আঁচনিবিলাক 'টাৰ্গেট' ঠিক নকৰাকৈয়ে কৰা হৈছে। ইপিনে আমাৰ ৰাজ্যত নিত্য প্ৰয়োজনীয় বয়-বস্তু আদিৰ দামৰ লগতে এই বস্তুবিলাকৰ চাহিদাও জনসংখ্যা বৃদ্ধিৰ লগে লগে বাঢ়ি গৈছে। এই জনসংখ্যা বৃদ্ধিৰ ক্ষেত্ৰত নিৰ্দ্ধাৰিত লক্ষ্য মতেই আঁচনিবিলাক কৰিব লাগে। কিন্তু বাস্তৱ ক্ষেত্ৰত যিটো দেখা গৈছে যে, যোৱা বছৰৰ নিৰ্দ্ধাৰিত লক্ষ্যতকৈ এই বছৰৰ নিৰ্দ্ধাৰিত লক্ষ্য কিছু কমাইহে দিয়া হৈছে। এইটোৱেই হৈছে আমাৰ ৰাজ্যখনৰ খাদ্য শস্য উৎপাদন কৰাৰ নমুনা। আমাৰ দেশত যে খাদ্য বস্তুৰ দাম বৃদ্ধি হৈছে সেইটো কথা আমাৰ চৰকাৰৰ ফালৰ পৰাও স্বীকাৰ কৰা হৈছে আৰু তাৰ কাৰণ হিচাবে দেখুওৱা হৈছে যে, দেশৰ অন্যান্য জেগাত হোৱা খৰাং বতৰ, বানপানী আদিয়েই ইয়াৰ প্ৰধান কাৰণ। তাৰোপৰি, যান-বাহন, ৰেইলৰে লাইনৰ বিচ্ছেদ আদি কাৰণো দেখুওৱা হৈছে কিন্তু এইবিলাক সমস্যা কেৱল আমাৰ ৰাজ্যৰে সমস্যা নহয়, এইবিলাক সমস্যা হৈছে আমাৰ সৰ্ব্বভাৰতীয় সমস্যা। কিন্তু কিছুমান ক্ষেত্ৰত এইবিলাক অসুবিধা নথকা স্বত্বেও কিছুমান বস্তুৰ দাম বৃদ্ধি হোৱাৰ কাৰণ কি? ধান-চাউল অসমলৈ বাহিৰৰ পৰা নাহে। এইবিলাক বস্তু ইয়াতে উৎপন্ন হোৱা বস্তু। যিখিনি উৎপন্ন হৈছিল সেইখিনিৰ দৰ দামো আমাৰ চৰকাৰে বান্ধি দিছিল। কিন্তু এই দাম বান্ধি দিয়া স্বত্বেও আমি বাতৰিকাকত আদিত দেখিবলৈ পাইছো আৰু তাৰোপৰি আমাৰ এই সদনতে কেইবাজনো মাননীয় সদস্যই ব্যক্ত কৰিছে কেনেকৈ অসমৰ বিভিন্ন জেগাত ধান চাউলৰ দাম আশাতীত ভাৱে বৃদ্ধি পাইছে আৰু দাম দিলেও বস্তু বজাৰত নোপোৱা হৈ পৰিছে। দুখীয়া জনসাধাৰণেও

সেইবিলাক বস্তু বেছি দামত কিনি খাব নোৱাৰে। আজি এই সদনতে আমাৰ মাননীয় যোগান মন্ত্ৰী আৰু মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে নিজেই স্বীকাৰ কৰিছে যে, বজাৰত ধানৰ দাম ৫০।৬০ টকা হোৱাটো হেনো তেখেতসকলে গমেই পোৱা নাই যদি চৰকাৰে নেজানে তেতিয়াহলে, এটা বাস্তৱ সত্যক পৰিকল্পিতভাৱেই অস্বীকাৰ কৰিবলৈ চেষ্টা কৰা হৈছে। ধান চাউলৰ ব্যৱসায় যেতিয়া আমাৰ চৰকাৰে লৈছিল তেতিয়া চৰকাৰৰ ফালৰ পৰা এই বুলি আশ্বাস দিয়া হৈছিল যে, ধান চাউলৰ ব্যৱসায়ৰ ক্ষেত্ৰত যি সকল মজুতদাৰ আদি আছে সেইসকল মধ্যবৰ্ত্তী ব্যৱসায়ীক আতৰাই লৈ উৎপাদনকাৰীয়ে যাতে নিজৰ উৎপাদিত বস্তুৰ উচিত মূল্য পাব তাৰ কাৰণে বিশেষ দৃষ্টি ৰাখিব। কিন্তু বাস্তৱত আমি যিটো দেখিবলৈ পাইছোঁ যে, অসমৰ গুৱাহাটীৰ নিচিনা দুই এখন নগৰ-চহৰৰ বাহিৰে অসমৰ বাকী প্ৰায়বিলাক জেগাতে আজি ধান চাউলৰ ক্ষেত্ৰত এইবিলাক অৱস্থা হৈছে। তাত চৰকাৰে বাইজৰ অনুকূলে কোনো কাম কৰিব পৰা নাই। এইটো কৰিবৰ কাৰণে চৰকাৰৰ ক্ষমতা নোহোৱাৰ কাৰণেই আজি বজাৰত ধান চাউল আদি নাইকীয়া হৈ যাব ধৰিছে আৰু জনসাধাৰণৰ ক্ৰয় শক্তিৰ বাহিৰত গৈছে। যোৱা এমাহ ধৰি আমাৰ নলবাৰী মহকুমাত ধান চাউল আদি পাবলৈ নাইকীয়া হৈছে। নলবাৰীত তেনেকৈ ধান আদি উৎপাদন নহয়। অকল নলবাৰীতেই নহয় অসমৰ বাকী জেগাবিলাকতো সেই একে অৱস্থা হৈছে। চৰকাৰী নিয়মমতে আঢ়ৈ কুইন্টললৈকে বেহাবেপাৰ আদি কৰিব পাৰে যদিও তাতো আমাৰ চৰকাৰৰ যোগান বিভাগৰ বিষয়া আৰু পুলিচৰ কাৰণে সেই ব্যৱসায়ো কৰিব নোৱাৰা অৱস্থা হৈছে।

সেই বেপাৰীসকল নিবনুৱা হৈছে তেওঁলোকৰ বেপাৰ বন্ধ হৈছে। লগতে যি সকলৰ ওপৰত নিৰ্ভৰ কৰি ৰাইজে তেওঁলোকৰ ধান চাউল বিক্ৰি কৰিছিল—সেইটো বন্ধ কৰিছে: বন্ধ কৰাত আমাৰ কোনো আপত্তি নাই—কিন্তু চৰকাৰে তাৰ বিকল্প ব্যৱস্থা কি কৰিছে ? চৰকাৰৰ তৰফৰ পৰা চাউল যোগান ধৰাৰ ব্যৱস্থা কৰিছে নে ? কৰা নাই— চৰকাৰে কৰা বুলি কব নোৱাৰে। যদি কৰা বুলি কয় তেনেহলে মই প্ৰত্যাহ্বান দিছোঁ। ক'ত কৰিছে আৰু সেইবিলাক কৰাৰ কাৰণে কি

ব্যৱস্থা কৰিছে ? এতিয়া চৰকাৰে ধান চাউল বিলাক নিজৰ হাতলৈ আনিছে। যিবিলাক অঞ্চলৰ পৰা ধান চাউল সংগ্ৰহ কৰিছিল সেই-বিলাকত ৰাইজক আশ্বাস দিছিল যে ধান চাউলৰ যিখিনি দৰ্কাৰ হয় সেইখিনি উপযুক্ত মূল্যত দিয়া হব। কিন্তু আজি সেইবিলাক অঞ্চলৰ পৰা ধানবিলাক সংগ্ৰহ কৰি অনাৰ পাছত তাত ৰাইজে ধান চাউল কিনিবলৈ পাইছেনে নাই ধান আছে নে নাই সেইটো লক্ষ্য কৰিছেনে আৰু তাৰ কিবা ব্যৱস্থা কৰিছেনে ?

এতিয়া বহুমুখী সমবায় গঠন কৰিছে। আমি আশা কৰিছিলো এই বহুমুখী সমবায়ৰ জৰিয়তে যোগান ব্যৱস্থা উন্নত হব। কিন্তু এই ব্যৱস্থা আজি বেচি ভাগেই কাগজতে আছে। তাক কাৰ্য্যকৰী কৰাৰ কাৰণে চৰকাৰৰ ফালৰ পৰা যিখিনি সহায় সহযোগিতা লাগে সেইটো একেবাৰে আওকান কৰিছে। তাৰ ফলত আজি যিসকলে সমবায়ৰ ক্ষেত্ৰত আগভাগ লৈছিল, যিসকলে অংশীদাৰ হৈছিল আৰু যিসকলে উদ্যোগ স্থাপন কৰি উৎপাদিত বস্তু বিক্ৰি কৰিবলৈ সুবিধা নোপোৱাত আজি এই অংশীদাৰ সকলৰ ওচৰলৈ যাব নোৱাৰা অৱস্থা কৰিছে। আজি সমবায়ে কাম কৰা নাই, যিবিলাক আচনি লৈছে সেইবিলাক কৃতকাৰ্য্য কৰিব পৰা নাই—সেই কাৰণে আজি জনসাধাৰণৰ মাজত হতাশাৰ ভাব সৃষ্টি হৈছে। এদিন এটা সময় আহিব সেইদিনা তেওঁলোকৰ ধৈৰ্য্যৰ সীমা পাৰ হৈ যাব, তেওঁলোকৰ অন্তৰৰ অন্তৰ্দাহ যিদিনা প্ৰকাশ পাব সেইদিনা এই চৰকাৰ দেশত চলিব নোৱাৰিব।

অধ্যক্ষ মহোদয়, আমাৰ অসমত কোনো বছৰতেই এনেদৰে এপ্ৰিল মাহৰ আগতে কোনো অভাৱ অনাটন আৰু বস্তুৰ দুৰ্মূল্য হোৱা নাছিল— কিন্তু এইবছৰ কিয় এনে অৱস্থা হবলৈ পালে ? আজি চৰকাৰে যিখিনি সংগ্ৰহৰ ব্যৱস্থা কৰি যিমান ধান সংগ্ৰহ কৰিলে সেই অনুপাতে যদি বিতৰণৰ ব্যৱস্থা উন্নত নহয়, বিতৰণ যদি ঠিক নাথাকে তেনেহলে এই নিত্যপ্ৰয়োজনীয় বস্তুৰ ক্ষেত্ৰত সদায় বেমেজালি সৃষ্টি হৈয়েই থাকিব, অনেক অভাৱে দেখা দিব আৰু কৃত্ৰিম অনাটন, নাটনি হৈয়েই থাকিব। কাৰণ আজি আমাৰ ৰাজ্যত বস্তু নথকা হলে বা বেছি দাম দি বস্তু

নোপোৱাহলে কোনো আপত্তি নাছিল, কিন্তু আজি বেচি দাম দিলেই বস্তু পোৱা যায়—দূবৃত্ত কিছুমান লোকে বেছি মোনাফাৰ লোভত বস্তু মজুত কৰি ৰাখিছে আৰু প্ৰশাসনীয় দুৰ্বলতাৰ সুযোগ লৈ বেছি দামত দি আছে। আজি চৰকাৰৰ প্ৰশাসনীয় দুৰ্বলতাৰ কাৰণে এই মজুতকাৰী সকলক উলিযাব পৰা নাই, ধৰিব পৰা নাই। এইটো কেৱল খাদ্যৰ ক্ষেত্ৰতেই নহয়—আন আন যিবিলাক লাগতিয়াল বস্তু আছে সকলোতে এই দুৰ্মূল্য বৃদ্ধি পাইছে।

কেৰাচিন তেলৰ অৱস্থা কি হৈছে। বাতৰি কাকতত প্ৰকাশ হৈছে যে উত্তৰ কামৰূপত কেৰাচিন তেলৰ লিটাৰত দুটকা হৈছে। কেৱল উত্তৰ গুৱাহাটীতেই নহয়-নলবাৰীত আমি দেখিছো মাত্ৰ এখন মাৰ্কেটিং চচাইটিৰ দোকানৰ দ্বাৰা ৩০ হেজাৰ জনসাধাৰণ জৰিত থকা নগৰখনত কেৰাচিন তেলৰ যোগান ধৰিছে। আচৰিত কথা—ইফালে লৰাছোৱালীৰ পৰীক্ষাৰ সময় হৈছে—তেওঁলোকে পঢ়া-শুনা বাদ দি হাতত পাৰমিট লৈ কেৰাচিন তেলৰ কাৰণে লাইন লব লাগে। আনকি যিবিলাক ছাত্ৰী আছে তেওঁলোকক একোটা কোপন দিয়া হৈছে—তাৰ দ্বাৰা ছোৱালী বিলাকে কেৰাচিন আনিব লাগে। কিন্তু সেই কোপনটো লৈ ভায়েকে আনিব নাৱাৰে—ছাত্ৰীজনী নিজে গৈ আনিব লাগে। এইটো সম্ভৱ হব পাৰে নে? ছাত্ৰ-ছাত্ৰীবিলাকে পঢ়া-শুনা বাদ দি লাইনত ঠিয় হব—এইটো জানো সম্ভৱ? আমি নিজে দেখিছো দিনে ৰাতিয়ে ছাত্ৰ ছাত্ৰীবিলাকে এচ, ডি' অ'ৰ ওচৰত, চাপ্লাই অফিচৰ সন্মুখত গৈ কেৰাচিন তেলৰ কাৰণে হাঁহাকাৰ কৰিব লাগে।

অধ্যক্ষ মহোদয়, আমাৰ দেশখনক উন্নত কৰিবলৈ হে আমি কিছুমান জৰুৰী ব্যৱস্থা হাতত লব লাগিব। এইটো ঠিক যে আমাৰ দেশখন আৰ্থিক ভাৱে পিচপৰি আছে। ইয়াৰ বাবে দায়ী কোন? এই ২৬ বছৰৰ পিচতো আমি কিয় পিচপৰা অৱস্থাত থাকিব লগীয়া হল? এই অৱস্থা দূৰ কৰাৰ কাৰণে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে। স্বাধীনতা পোৱাৰ পাছত দেশখনত কোনে চৰকাৰ চলাইছে? আমাৰ ইয়াত কোৱা হৈছে যে মিতব্যয়ীতা বা উন্নয়ণ বিমূখী খৰছ আমি বাদ দিব

লাগে। কিন্তু কাৰ্য্যক্ষেত্ৰত আজি সেইটো হৈ উঠা নাই। আমি দেখা পাইছো মন্ত্ৰীসকলে কিছুমান অনাহক ভ্ৰমণ কৰিছে আৰু ৰাজহৰ লাখ লাখ টকা খৰচ কৰিছে। কোনো কামত অহা নাই। মুখ্য মন্ত্ৰীয়ে এবাৰ কৈছিল যে এজন হাইস্কুলৰ শিক্ষকে হাইস্কুলৰ সোনালী জয়ন্তীৰ উপলক্ষে তেখেতক মাতিবলৈ আহিছিল। তেতিয়া মুখ্যমন্ত্ৰীয়ে কৈছিল যে কোনো মন্ত্ৰী নোযোৱাকৈ যাতে কাম হয় সেই ব্যৱস্থা কৰিম। তেতিয়া ৰাজধানী চিলঙত আছিল আৰু তেখেতে কৈছিল গুৱাহাটীৰ পৰা চিলঙলৈ যোৱা ৰাস্তা বন্ধ কৰি দিম—মানুহ আহিব নালাগে। মই শুনি ভাল পাইছিলো—মানুহে মন্ত্ৰীসকলৰ ওচৰলৈ গৈ ফাইলৰ পিচে পিচে ঘূৰি ফুৰিব নালাগে। ফলত ৰাইজৰ অভাব দূৰ হব আৰু ৰাজহুৱা ধনৰ অপচয় কমিব।

কিন্তু তাৰ পিচৰ পৰা দেখিছো যে আমাৰ মন্ত্ৰী সকলৰ ভ্ৰমণৰ প্ৰকোপটো আৰু বেছিহে হৈছে। একেখন ঠাইলৈ একোটা কামৰ কাৰণে কেতিয়াবা চাৰি-পাঁচজনলৈ মন্ত্ৰী যোৱা আমি দেখিবলৈ পাইছো। এই ধৰণৰ অপচয় কিমান হৈছে তাৰ তুলনা নহয়। ঠিক তেনেকৈয়ে বিষয়া সকলৰ মাজতো একেটা অৱস্থাই দেখা দিছে। মিতব্যয়ীতা যদি কৰিবলগা হয় তেন্তে ওপৰৰ পৰা কৰিব লাগিব। তলৰ কেইটামান পিয়ন নাইবা মাষ্টাৰ বোলত কামকৰা মানুহৰ চাকৰি খেদালেই মিত্য-ব্যয়িতা নহয়। আজি যদি আমি চাওঁ তেন্তে দেখা পাম যে একেটা বিভাগতে কিমান যে ডিৰেক্টৰ, ডেপুটি ডিৰেক্টৰ আৰু এচিচটেণ্ট ডিৰেক্টৰ সৃষ্টি হৈছে এই কথা আমি দেখিবলৈ পাম। পি, ডব্লিউ, ডিতেই হওক বা শিক্ষা বিভাগতেই হওক অধ্যক্ষ মহোদয়, আপুনি যদি হিচাব কৰি চাই তেন্তে দেখিব ডিৰেক্টৰ উপৰি ডিৰেক্টৰ। আনৰ কথাকে নকওঁ আমাৰ গুৱাহাটীৰ চাৰিওফালে ডিৰেক্টৰ, খালি ডিৰেক্টৰ।

অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আমাৰ আৰ্থিক অৱস্থা যে বেয়া সেই কথা স্বীকাৰ কৰিছে কিন্তু অধ্যক্ষ মহোদয়, এইটো কথা আপুনি জানে যে আমাৰ দেশত যিখিনি অতিৰিক্ত কৰ লগাবলৈ বিচ-ৰাৰ ইংগিত মন্ত্ৰী মহোদয়ে দিছে সেই কৰ বহন কৰাৰ ক্ষমতা আমাৰ

জনসাধাৰণৰ নাই। আমাৰ জনসাধাৰণৰ অৰ্থনৈতিক অৱস্থা উন্নত কৰিবলৈ হলে যিবিলাক ব্যৱস্থা প্ৰকৃততে দৰকাৰ সেই খিনি চৰকাৰে মনোযোগেৰে কৰিব লাগে। তাকে কৰিবলৈ হলে আমাৰ যিবিলাক ওপৰ গধুৰ বোজা সেইবিলাক কমাব লাগে।

অধ্যক্ষ মহোদয়, মই পুনৰ দাবী কৰিছো যে যি অতিৰিক্ত কৰ লগোৱাৰ ইংগিত চৰকাৰে দিছে সেই কৰ আমাৰ অসমৰ জনসাধাৰণৰ বহন কৰাৰ শক্তি নাই। যদি ধনী সকলৰ ওপৰত এই কৰ লগোৱাৰ ব্যৱস্থা চৰকাৰে কৰে তেন্তে আমাৰ আপত্তি নাই অন্যথাই যদি সাধাৰণ লোকে বহন কৰিব লগা হয় তেন্তে আমি তাৰ বিৰোধীতা কৰিম আৰু দৰকাৰ হলে আন্দোলনো কৰিম।

অধ্যক্ষ মহোদয়, এই খিনিতে মই এটা কথা মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো যে নতুন কৰ লগোৱাৰ আগতে যি বিলাক ৰাজহ অনাদায়ী হৈ আছে সেই বিলাক সংগ্ৰহ কৰাৰ ব্যৱস্থা চৰকাৰে কৰিব লাগে। বিক্ৰী কৰৰ ক্ষেত্ৰত আমাৰ ব্যৱসায়ী সকলে বিক্ৰীৰ লগতে কৰ আদায় কৰে অথচ চৰকাৰৰ তহবিলত সেইবিলক জমা নহয়। ব্যৱসায়ী সকলে সেই কৰৰ জড়িয়তে তেওঁলোকৰ ব্যৱসায় চলায় থাকে এই ক্ষেত্ৰত যাতে কোনো ৰকমে কৰ অনাদায় হৈ নাথাকে তাৰ ব্যৱস্থা চৰকাৰে কৰিব লাগে, আমাৰ দেশৰ আৰ্থিক অৱস্থা টনকিয়াল কৰিব লাগে।

শ্ৰীবিজয় চন্দ্ৰ শৰ্ম্মা—মাননীয় অধ্যক্ষ মহাশয়, বিত্তমন্ত্ৰী তথা মুখ্যমন্ত্ৰীয়ে ১৯৭৪-৭৫ চনৰ বাজেট উত্থাপন কৰিছে। এই বাজেট ঘাটি বাজেট, ঘাটিৰ পৰিমাণ দুই কোটিতকৈ কম। এখন ৰাজ্যৰ বাজেট, এখন ঘাটি বাজেট হলেও এই ঘাটি দুই কোটি টকাৰ ভিতৰত থকা হেতুকে বৰ ভয় খাৰ লগীয়া কথা নহয়। অৱশ্যে এই ঘাটি পূৰাবলৈ ভৱিষ্যতে কৰ-কাটল লগোৱাৰ কথাতো উল্লেখ কৰা হৈছে। তথাচ আমি ভাবো যে হয়তো এনেকুৱা এটা অৱস্থা আহিব যিটো অৱস্থাত সৰ্বসাধাৰণ ৰাইজৰ মাজত কৰ-কাটল নলগোৱাকৈয়ে এই ঘাটি পূৰণ কৰিব পৰাৰ অৱস্থা সৃষ্টি হব পাৰে।

অধ্যক্ষ মহোদয়, ১৯৭১ চনৰ লোকসভাৰ মধ্যকালীন নিৰ্বাচনৰ কালৰে পৰা ভাৰতবৰ্ষৰ দাৰিদ্ৰমোচন কৰাৰ কথাটো আমাৰ আদৰ্শ হিচাবে লোৱাহৈছে ! সেই কথাটোত আমাৰ কপটতা নাই। দাৰিদ্ৰ দূৰীকৰণৰ আদৰ্শ অসমৰ অধিক সংখ্যক লোকেই আন্তৰিকতাৰ সৈতে গ্ৰহণ কৰিছে কিন্তু এনে এটা সৎ আৰু ৰাইজৰ মঙ্গলকামী আদৰ্শ গ্ৰহণ কৰা স্বত্বেও এই ক্ষেত্ৰত আমি যি ভাবে আগবাঢ়িব লাগিছিল, যি অৱস্থাত আজি আমি উপনীত হব লাগিছিল সেই অৱস্থাত আমি কিয় উপনীত হব পৰা নাই ? কোনোবা লোকে যদি কয় যে আমি যেতিয়া এই আদৰ্শপ্ৰবন কথাবিলাক কৈছিলো, তেতিয়া যদিও আমাৰ কপটতা নাছিল তথাপি আমাৰ আচৰণ বিধি সৎ আৰু মঙ্গল কামী নাছিল। এনে কথা কলে ভুল কোৱা হব। সৰ্বভাৰতীয় কথা বিলাক বাদ দি, এতিয়া আমি আমাৰ অসমৰ উন্নতি যদি কৰিব লগীয়া হয় তেন্তে আমাৰ জীৱিকাৰ প্ৰধান সম্বল কৃষি ইয়াৰ উন্নতি সাধন কৰিব লাগিব। কৃষিৰ উন্নতি সাধন কৰিবলৈ হলে চৰকাৰে কৃষি বিষয়ক যি আঁচনি হাতত লৈছে চাব লাগিব সেই আঁচনিত চৰকাৰৰ আন্তৰিকতা আছে নে নাই ? আন্তৰিকতা নথকাৰ কথাটোতো হব নোৱাৰে, কাৰণ অজস্ৰ টকা পইচা এই ক্ষেত্ৰত খৰচ কৰা হৈছে। গতিকে আমি জানিব লাগিব যে এনেকুৱা এটা শক্তিয়ে হয়তোবা বিৰূপ কাম কৰি আছে যি আন্তৰিকতা থকা স্বত্বেও, আমি কৰিব খোজা কামত হেঙাৰ হৈ থিয় দিছেহি।

ইৰাণত তেলৰ পুঙ জাতীয়কৰণ কৰা হৈছিল। জনসাধাৰণৰ মঙ্গলৰ কাৰণে তাতকৈ আৰু ভাল কাম যথাৰ্থতে একো নাছিল। কিন্তু তত্ৰাচ, চৰকাৰে তেল শিল্প জাতীয়কৰণ কৰা স্বত্বেও মোচাদেকৰ নিচিনা এজন ঋষি তুল্য ৰাজনীতিজ্ঞ গাদিচ্যুত হব লগা হল। সেই কাৰণেই মোচা-দেকৰ কামত যুক্তি যুক্ততা নাছিল বুলি আমি ক'ম নেকি ?

অসমৰ ক্ষেত্ৰত এটা ডাঙৰ সমস্যা—কৃষি বিষয়ত আমি এটা পৰম্পৰা গত ব্যৱস্থাৰ ওপৰত চলি আছো। এই সদনত এটা কথা সদায় আলোচনা কৰি অহা হৈছে যে বানপানীৰ কাৰণেই আমাৰ খেতিও অসন্তৰ ধ্বংসেৰে

দিগদাৰী হয়। মই কিন্তু এই কথাত একমত নহয়, কাৰণ অসমৰ প্ৰায় ১৭।। লাখ হেক্টৰ মাটি বানপীড়িত নহয়, মাথোন কম-বেছি ২।। লাখ হেক্টৰ মাটি হে বানপানীৰ গ্ৰাসত পৰে। ইপিনে আমাৰ অসমত কম-বেছি পৰিমাণে খেতি হয় প্ৰায় ২৭ লাখ হেক্টৰ মাটিত, শালি ধানৰ খেতি হয় প্ৰায় ১৪ লাখ হেক্টৰ মাটিত। এই গোটেই কেইটা অংক যদি হিচাব কৰি চোৱা হয় তেন্তে দেখা যাব, আৰু এই কথাটো বুকুত হাত দি কব পৰা যাব যে অসমৰ খেতিৰ মাটিত বান পানীয়ে যি অপকাৰ কৰে, ই সামগ্ৰিক ক্ষেত্ৰত আংশিক ভাবেহে সত্য। মই ভাবো যে অসমলৈ বানপানী আৰ্শীবাদ স্বৰূপহে আহে। অসমলৈ বানপানী যদি নাহিলেহেতেন বানপানীয়ে যদি খেতি নষ্ট নকৰিলে হেতেন তেন্তে আমি বিজ্ঞান সন্মত পদ্ধতি অৱলম্বন নকৰিলোহেতেন, আগৰ পৰম্পৰা গত পদ্ধতিৰ ওপৰতে আমি নিৰ্ভৰ কৰি থাকিলোহেতেন আৰু ৰবি শস্য বুলি যি বিশেষ খেতি আজি আমাৰ অসমত প্ৰচলন হৈছে. সেই খেতি কৰাৰ পদ্ধতি হয়তো আমাৰ মনলৈ নাহিলহেতেন।

অধ্যক্ষ মহোদয়, আহুধান কম বেছি পৰিমাণে আঢ়ৈ লাখ হেক্টৰ মাটিত হয়। আকৌ শালিধান কম বেছি পৰিমাণে চৈধ্য লাখ হেক্টৰ মাটিত হয়। কিন্তু এই দুয়োটা খেতি সমানে হলে যে বৈপ্লৱিক কিবা এটা হলহেতেন, এইটো বুকুত হাত দি কোনেও কব নোৱাৰে, যদিও এইটো এটা বিশেষ আশাপ্ৰদ কথা হ'লহেতেন, সেই কথা আংশিক ভাৱে সত্য। প্ৰৱল বানপানীৰ কাৰণে যে এটা ডাঙৰ সমস্যাই দেখা দিছে সেই কথাও আংশিক ভাৱে সত্য। মই ভাবো বানপানী আমাৰ কাৰণে এটা আশীৰ্ব্বাদ স্বৰূপ হে হৈছে। কিয়নো যদি বানপানীয়ে খেতি পথাৰৰ শস্য নষ্ট নকৰিলেহেতেন তেনেহ'লে আমি কৃষি ক্ষেত্ৰলৈ বিজ্ঞানক নানি-লোহেতেন। ফলত আমি অকল শালি খেতিৰ ওপৰতেই নিৰ্ভৰ কৰি থাকিব লগীয়া হলোহেতেন। আজি আমি অকল শালি খেতিৰ ওপ-ৰতেই নিৰ্ভৰ কৰি থকা নাই। আজি ৰবিশস্য কৰাৰ দেশৰ অন্যান্য প্ৰান্তত যে ব্যৱস্থা আছে, ৰবি শস্য যে কৰিব লাগে, ইও যে লাভজনক ব্যৱস্থা, এই বিলাক কথা আমি জানিবৰ প্ৰয়োজন হৈছে।

অধ্যক্ষ মহোদয়, এই সকলো বিলাক কথাই নির্ভৰ কৰিছে কেৱল পানীৰ ওপৰত। আমাৰ কৃষিৰ ক্ষেত্ৰত যিটো পৰম্পৰা গত ব্যৱস্থা সেই কথা চালে দেখিম যে এই পৰম্পৰা গত ব্যৱস্থাৰ উন্নতি কৰিবৰ কাৰণে আমি যি খিনি চেষ্টা এই পৰ্যন্ত কৰি আহিছো সেইখিনি তেনেই নগণ্য। কিয়নো আজি কম বেছি পৰিমানে দেৰ লাখ হেক্টৰ মাটিতহে পানী যোগান ব্যৱস্থা কৰা হৈছে যদিও আশা কৰা হৈছিল দুই লাখ হেক্টৰ মাটিত এই ব্যৱস্থা কৰিম বুলি। সবিয়হ খেতি কৰিছো এক লাখ চল্লিশ হাজাৰ হেক্টৰ মাটিত, আশা কৰিছিলো এক লাখ আশী হাজাৰ হেক্টৰৰ। মাহ কৰিছো এক লাখ পোন্ধৰ হাজাৰ হেক্টৰ মাটিত, আশা কৰিছিলো এক লাখ চল্লিশ হাজাৰ হেক্টৰৰ। অধ্যক্ষ মহোদয়, মাহৰ বিষয়ে কথা ভাবোতে অসমৰ কৃষি বিভাগক এটা কথা কব খুজিছো যে অসমত মাহৰ খেতিৰ কাৰণে মাটি নাই। এই সত্যতো উপলব্ধি কৰিব লাগিব। কিয়নো আমাৰ মাহ খেতিৰ ব্যৱস্থা এক লাখ চল্লিশ হাজাৰ হেক্টৰৰ ভিতৰতে সীমাবদ্ধ আছে। আজি ধান খেতিয়ে পথাৰ সমূহ সামৰি থৈছে। মাহৰ খেতি কৰিবৰ কাৰণে কমপক্ষেও ন লাখ হেক্টৰ মাটিত যদি মাহ খেতি কৰিব পৰা হ'ল হেতেন তেন্তে নিশ্চয় মাহৰ ক্ষেত্ৰত কিছু পৰিমাণে আমি স্বাৱলম্বী হব পাৰিলোহেতেন। কিন্তু প্ৰশ্ন হল এই ন লাখ হেক্টৰ মাটি ক'ত পোৱা হব। এই ব্যৱস্থা কৃষি বিভাগে উলিয়াব লাগিব। চৰকাৰী হিচাপ মতে চৈধ্য লাখ হেক্টৰ মাটিত শালি খেতি কৰা হয় আৰু তাৰ ভিতৰৰে পৰা ন লাখ হেক্টৰ মাটিত ওপৰঞ্চি স্বৰূপে মাহ খেতি কৰাৰ ব্যৱস্থাও উলিয়াব লাগিব। আমি জানো যে এই ব্যৱস্থা গৱেষণাৰ বস্তু হৈ আছে। শালি খেতি চপোৱাৰ পিচতেই মাহ খেতিৰ বতৰ আহে। আমাৰ পিঁয়াজ নহৰুৰ আদি খেতি কৰিবৰ কাৰণেও মাটি নাই। এই মাটি নোহোৱা কথাটো সত্য। কিন্তু কৃষি বিভাগৰ ব্যৱস্থাপনাই মাটি উলিয়াব লাগিব। পিয়াঁজ নহৰুৰ খেতি ধান সবিয়হ চপোৱাৰ পিচতে পথাৰত কৰাব ব্যৱস্থা কৃষি বিভাগৰ পৰা সুচনা কৰিব পৰিলে অপৰ্য্যাপ্ত উৎপাদন হব। আৰু তেতিয়া কেৱল খাৰুপেটিয়াৰ পৰাহে

প্ৰত্যেক বছৰে দুই কোটি জলকীয়া ৰপ্তানি কৰিয়েই আমি ক্ষান্ত হব নালাগিব। এই বিলাক কৰিব পৰা কথা। সেই কাৰণে অনুৰোধ কৰো কৃষি বিভাগত গৱেষণাৰ যি ব্যৱস্থা আছে তাৰ জৰীয়তে প্ৰয়োজনীয় ক্ষীপ্ৰতৰ ব্যৱস্থা অৱলম্বন কৰিলে নিশ্চয় এই ক্ষেত্ৰত ফলৱতী হোৱাৰ বিশেষ আশা আছে। কিন্তু প্ৰশ্ন হৈছে এই দায়িত্ব কাৰ? খেতিয়কৰ নে চৰকাৰৰ? যদি খেতিয়ক জনৰেই দায়িত্ব হয় তেনেহলে ইজৰাইলত যিটো ব্যৱস্থা গ্ৰহণ কৰিছে সেই ব্যৱস্থা আমাৰ ইয়াতো লব লাগিব। চৰকাৰে কব লাগিব: এই ধৰণে খেতি কৰিব লাগিব, তাকে নকৰি পুৰণি ধৰণে খেতি কৰিলে উৎপাদন কম হব আৰু কম উৎপাদন হোৱা খেতি কৰি থাকিবৰ কাৰো অধিকাৰ নাই। আৰু আনহাতে যদি কয় যে এই বিষয়ে, চৰকাৰেহে দায়িত্ব লব লাগিব, তেনেহলে ইয়াৰ বিকল্প ব্যৱস্থা লব লাগিব। গণতান্ত্ৰিক বিধি ব্যৱস্থাৰ মৰ্ম্মে চৰকাৰ আৰু ৰাইজৰ মাজত সমন্বয়হে সাধন হব লাগিব। এনে উন্নয়ন মূলক কামৰ কাৰণে মধ্যবৰ্ত্তী কোনো এজেন্সিৰ সৃষ্টি কৰিব লাগিব। নিশ্চয় কিবা এটা অনুষ্ঠান থাকিব লাগিব, সমন্বয়সাধন কৰাৰ কাৰণে। মই ভাবো, আমাৰ পঞ্চায়ত আইন মতে, নতুনকৈ গঠিত যি পঞ্চায়ত সমূহ আৰু বিভিন্ন যি উন্নয়ন খণ্ড সমূহ আছে সেই সংস্থা সমূহেই এই ক্ষেত্ৰত একো একোটা কেন্দ্ৰ হব যি কেন্দ্ৰৰ ওপৰত ভৰষা কৰি আমি এই নতুন কৃষি ব্যৱস্থাৰ সূচনা কৰিব পাৰো। মাধৱন কমিচনৰ ৰিপোৰ্টতো এই কথা স্বীকাৰ কৰা হৈছে আৰু এইকথাকে সকিয়াইও দিছে। বৰ্ত্তমানলৈকে চিৰাচৰিত কৃষি পদ্ধতি আছে তাৰ যি খিনি দোষ ত্ৰুটি আছে, সেই খিনি ত্ৰুটি-বিচ্যুতি আতঁৰাবলৈ চেষ্টা কৰিব লাগিব।

অধ্যক্ষ মহোদয়, কৃষিৰ ক্ষেত্ৰতেই হওক বা উন্নয়নৰ ক্ষেত্ৰতেই হওক উন্নয়ন খণ্ড সমূহক কেন্দ্ৰ কৰি লৈ আঁচনি কৰিলে নিশ্চয় কামত আহিব। নতুন পঁঞ্চায়ত আইন মতে গাওঁ পঞ্চায়ত সমূহ থাকিব, মহকুমা পৰিষদ সমূহ থাকিব। মহকুমা পৰিষদৰ আচনি মতে কমিউনিটি ডেভেলাপমেণ্ট সমূহে কাম কৰিব।

অধ্যক্ষ মহোদয়, পেট্ৰলৰ নাটনি হোৱাৰ পিচত আমাৰ ঘাড়ী কিছু

কম চলিছে; ফল স্বৰূপে ষ্টেট ট্ৰেন্সপোৰ্টৰ যিবিলাক গাড়ী আছে, তাত সততে যাতায়ত কৰিব লগীয়া হওতে দেখিবলৈ পাইছো যে অনিচ্ছাকৃত ভাৱেও, অতিৰিক্ত মানুহ গাড়ীত তুলি আনিবলগীয়া হয়। এনেকি কিছুমান মানৱীয় প্ৰশ্নও সেই খিনি সময়ত আহি পৰে আৰু মনত ক্ষোভ থাকিলেও প্ৰকাশ কৰিব পৰা নাযায়। যোৱা তিনি মাহত ট্ৰেন্সপোৰ্টৰ যাতায়াতৰ ক্ষেত্ৰত দেখা যায় যে যাত্ৰীৰ সংখ্যা অপৰ্য্যান্ত পৰিমাণে বাঢ়িছে। পেট্ৰলৰ দাম বাঢ়ি যোৱাৰ পিচত যাত্ৰীৰ সংখ্যাও বাঢ়ি গৈছে এই কথাটোত চৰকাৰৰ ফালৰ পৰা অলপ ধ্যান দিব লাগে।

মোৰ বন্ধু শ্ৰীবায়প্ৰধানী ডাঙৰীয়াই এটা কথা উল্লেখ কৰিছিল, সেই কথাটো মই আকৌ দোহাৰিব খুজিছো। আভ্যন্তৰীণ জল পৰিবহন নিগমৰ সুপাৰিচ আছিল যে আমাৰ এই এলেকা বিলাকত যি ঠাইত সুবিধা আছে আভ্যন্তৰীণ জলপৰিবহনৰ ব্যৱস্থা কৰিব লাগে - অকল যাত্ৰীৰ যাতায়তৰ কথাই নহয়, বস্তু বাহানিৰ আহ-যাহৰ কাৰণেও এই ব্যৱস্থা কৰিব লাগে। এই ব্যৱস্থাৰ কাৰণে যাতে চৰকাৰৰ ফালৰ পৰা বিশেষ ভাবে দৃষ্টি দিয়া হয়। কাৰণ এই ব্যৱস্থাৰে আমাৰ যাত্ৰী আৰু মাল-বস্তু অনা নিয়া কৰাত সুবিধা হব আৰু অসুবিধাৰ পৰা সকাহ পোৱাৰ আশা হব।

অধ্যক্ষ মহোদয় আজি এই সদনত ধান চাউলৰ ব্যৱসায় অধিগ্ৰহণ কৰা সম্পৰ্কত বিৰূপ আলোচনা হৈছে। মই ভাবো, যেতিয়া আমি ৰাইজৰ দৰিদ্ৰ মোচন কৰিম বুলি অঙ্গীকাৰ কৰো তেতিয়াহলে বিজ্ঞান সন্মত ব্যৱস্থা লব লাগিব। যত ধান কুইণ্টলে প্ৰতি ৪০-৪৫-৫০ টকাত বিক্ৰী হয় সেই সময়ত সাহসিকতাৰে কুইণ্টলে প্ৰতি ৭০ টকা কৰা হৈছে। ৭০ টকা ধানৰ দাম বৰোত আচলতে চৰকাৰে ধান কিনিছিল ৬১'১৫ পইচাত। ৮'৭৫ পইচা ধানৰ মইচাৰ বা পনীয়া ৰসৰ বাবত দিয়া হৈছে। তেজপুৰত যি ধান সংগ্ৰহ হৈছে তাৰ ওপৰত হিচাপ কৰি দেখা গৈছে যে আচলতে সেই ধানত ৪ লাখ ৫৭ হেজাৰ টকাৰ ধানৰ বইচাৰ বা পনীয়া ৰস কিনা হৈছে। মই সেই সময় চোৱাৰ হিচাব কৈছো যি সময়ত আমি মইচাৰৰ দাম বাদ নিদি ধান কিনিছো। ইয়াৰ দ্বাৰা চৰকাৰে দুৰ্দান্ত

সাহসিকতাৰ কাম কৰিছে। তত্ৰাচ আজি বাইজৰ মাজত প্ৰচাৰ হৈছে, চৰকাৰে ধানৰ আচল দাম দিয়া নাই। ই অতি আচৰিত কথা। মাৰ মাহত ধানৰ দাম কেতিয়াও কুইণ্টলত ৭০ টকা হোৱা নাছিল। সেই কালৰ পৰা ৰাইজে ধানৰ দাম পাইছে। আমাৰ উদ্দেশ্য সত। এই সত উদ্দেশ্য ফলবতী কৰিবলৈ যাওতে কিছুমান শক্তি আমাৰ পিচত লাগিছে। আমাৰ সমাজৰ কাৰণে, চৰকাৰৰ কাৰণে ই ভয়াবহ কথা হৈ পৰিছে। চৰকাৰে কোতয়াও কোৱা নাই যে ধানৰ উচ্চতম দাম নিৰ্দ্ধাৰণ কৰি দিম। আজি এজন বন্ধুৱে কৈছে যে চৰকাৰে ধানৰ উচ্চতম দাম নিৰূপণ কৰিব লাগিছিল। আমাৰ গণতান্ত্ৰিক চৰকাৰক ধানৰ নিম্নতম দাম বান্ধি দিয়াৰ কথা কওক। চৰকাৰে কৈছে যে কুইণ্টলত ৭০ টকাতকৈ কমত যাতে ধান বিক্ৰি নহয়। চৰকাৰক অভি-যোগ কৰক কোন ঠাইত কুইণ্টলত ৭০ টকাতকৈ কমত ধান বিক্ৰি হৈছে? কিন্তু চৰকাৰক প্ৰশ্ন কৰিব নোৱাৰিব যে ৭০ টকাতকৈ ওপৰত ধানৰ দাম কিয় নিৰূপিত কৰিব পৰা নাই? অধ্যক্ষ মহোদয়, মই সমাজ কৰ্ম্মী হিচাপে ভয় খাইছো, হয়তো চৰকাৰে ইচ্ছা নকৰাকৈ, জোৰ জবৰদস্তি কৰাৰ কিছুমান কাম আহিব মোৰ সহযোগী বন্ধুয়ে কৈছে যে মানুহ লগাই ধান আহৰণ কৰাত আৰু লেভি আদি কৰাত চৰকাৰ আগ্ৰাহান্বিত নহয়। গণতান্ত্ৰিক চৰকাৰ কাৰণে এই ব্যৱস্থাত চৰকাৰ আগ্ৰাহান্বিত নহয়। কিন্তু অৰ্থনৈতিক ব্যৱস্থাৱলী বা প্ৰতিক্ৰিয়াশীল শক্তিৰ কাৰ্য্যাৱলী এনে হৈছে যে চৰকাৰে দুখেৰে সৈতে হলেও তেনে জবৰদস্তিৰ ব্যৱস্থা লব লগা হব পাৰে। অধ্যক্ষ মহোদয়, ধানক চাউল হিচাবে বিতৰণ কৰিবলৈ বা অন্যান্য সামগ্ৰী বিতৰণ কৰিবলৈ চৰকাৰে ৬৬৩ খন বহুমুখী সমবায় সমিতি গঠনত সহায় কৰিছে। মোৰ হাহি উঠে, নিজৰ ওপৰতে ধিক্কাৰ জন্মে, কাৰণ আমি সকলোৱেই কম বেচি পৰিমাণে ৰাজহুৱা কৰ্মী। এই প্ৰশ্ন আমি কৰিব নোৱাৰিম যে ৬৬৩ খন সমবায় সমিতি ৰেজিষ্টাৰ কৰি কি হল? আমি এইটো কথাহে কব লাগিব যে ক্ষীপ্ৰতাৰে সৈতে এই সমবায় সমিতিসমূহ আগবঢ়াৰ লাগে। সেইদিনটোৰ কাৰণে আমি অপেক্ষা কৰিছো যি দিনটোত এই বহুমুখী

সমবায়ৰ জৰিয়তে মানুহক দৈনন্দিন প্ৰয়োজনীয় সামগ্ৰীসমূহ বিতৰণ কৰাৰ এটা সুযোগ হব, সেই দিনটোলৈ আমি আশা কৰিছো, যিদিনা ধান চাউলৰ বিক্ৰী কেন্দ্ৰ এই সমবায় অনুষ্ঠানসমূহ হব। এই কথাটো নহলে ৰাজনৈতিক ভেটি লৰক-ফৰক অৱস্থাত থাকিব লগা হব, অন্য দহ জনেও কব লগা হব ধানৰ দাম বেছি হৈ গৈছে। তেতিয়া হয়তো ৰাইজে কব লাগিব যে চাউলৰ বজাৰ খুলি দিয়ক। আমি ৰাইজক সেৱা কৰিবলৈ হলে বিজ্ঞানসন্মতভাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব আৰু মই বিশ্বাস কৰো যে চৰকাৰে সেই ব্যৱস্থা গ্ৰহণ কৰিছে। এইখিনিতে মই আৰু এটা কথাৰ বিষয়ে চৰকাৰক সকিয়াই দিব খুজিছো যে সমবায় অনুষ্ঠান সমূহত চৰকাৰে যেনে ভাবে দৃষ্টি দিব লাগে তেনে ভাবে ধ্যান দিয়া হোৱা নাই। বোৱা-কটা সমবায়, শিল্প সমবায় সমূহক বিশেষ দৃষ্টিৰে চৰকাৰে চাব লাগে। কাৰ্যাতঃ দেখা গৈছে চৰকাৰে সমবায় সমিতি বিলাকক আগ্ৰহৰে ব্যৱহাৰ কৰা নাই। মৰম কৰিছে ব্যক্তিগত কিছুমান শিল্প পতিক। যি সকল লোক অজ্ঞ তেওঁলোকৰ প্ৰতি চৰকাৰে বিশেষ মনোযোগ দিব লাগে।

মই এতিয়া শিক্ষাৰ ক্ষেত্ৰত দুটামান কথা দাঙি ধৰিব খুজিছো। ধৰক শিক্ষা বিভাগে কোনোবা এখন হাইস্কুলক ৭ম ৮ম মানলৈ শ্ৰেণী খুলিবলৈ দিছে। পিচত ৯ম আৰু ১০ম শ্ৰেণী খুলিলে, স্বীকৃতি দিয়াত যদি পলম কৰা হয় তেতিয়াহলে স্কুলখন ভাঙি যোৱাৰ উপক্ৰম হয়।

এই বিষয়ে সদনত কবলগীয়া নহয় যদিও, বিধান সভাত এই কথাষাৰ মোৰ মনত পৰাৰ কাৰণে মই জনাই থলো কিয়নো এনেবিলাক কথাও আজি সমস্যা হিচাবে আমাৰ আগলৈ আহিছে। গতিকে মই আশা ৰাখিছোঁ যাতে চৰকাৰে এই দিশটোৰ প্ৰতি বিশেষ দৃষ্টি দিয়ে।

তাৰ পিচত, মই শেষ কৰিবলৈকে ওলাইছোঁ মহোদয়। কিয়নো মোৰ বেছি সময় নাই, ৫ মিনিট মানতে মই শেষ কৰিম। অধ্যক্ষ মহোদয়, যোৱা কালি আমাৰ শ্ৰদ্ধেয় শ্ৰীগৌৰীশংকৰ ভট্টাচাৰ্য্য দেৱে; উদাস দৃষ্টিভংগীৰে, এখন ভগ্ন হৃদয়ৰ, কবিগুৰুৰ এটা করুণ কবিতাৰ উদ্ধৃতিৰে আমাক আহ্বান জনালে। কিন্তু আমাৰ কাণত সদায় বাজি আছে অমৃতৰ পুত্ৰৰূপী ঋষি তনয়ৰ কালজয়ী কাতৰ আহ্বান, চৰৈয়েতি

চৰৈবেয়েতি। সেইকাৰণে মই কবিগুৰু ৰবিন্দ্ৰ নাথ ঠাকুৰৰ কবিতাৰ উল্লেখ নকৰি কবি নজৰুলৰ একোকি কবিতা স্মৰণ কৰিছো—

"আমি বিদ্রোহী রণক্লান্ত
আমি সেই দিন হব শান্ত
য'বে উৎপীড়িতের ক্রন্দন রোল
আকাশে বাতাসে ধ্বনি বেনা।
অত্যাচারীর খড়্গ কৃপাণ
ভীমরণ ভূমে রণিবেনা।
বিদ্রোহী রণক্লান্ত
আমি সেইদিন হব শান্ত।
আমি বিদ্রোহী ভৃগু ভগবান বুকে
একে দিই পদাচিহ্ন
আমি শ্রষ্টা সুদন শোকতাপ হানা
খেয়ালী বিধির বক্ষ করিব ভিন্ন।
আমি বিদ্রোহী ভৃগু ভগবান বুকে
একে দেব পদাচিহ্ন
আমি খেয়ালী বিধির বক্ষ করিব ভিন্ন।"

অধ্যক্ষ মহোদয়, এইখিনিকে সুৰৰি ৰাজ্যখনৰ প্ৰগতি কামনা কৰিলো।

শ্ৰীপিটসিং কোন্বৰ—মাননীয় অধ্যক্ষ মহোদয়, আমি এটা সুখী আৰু আনন্দৰ ভাব লৈ আহিছিলো যে পঞ্চম পাচ বছৰীয়া পৰিকল্পনাৰ প্ৰথম বছৰ আৰম্ভ হৈছে মাথোন, এইবাৰ যথেষ্ট সুবিধা পোৱা হব, ৰাইজে আশা কৰিছিল, বহু সময়ত ৰাইজক কোৱা হৈছিল যে ৰাইজক টকাৰে পুতি পেলোৱা হব, কিন্তু ১৯৭৪।৭৫ চনত বাজেটত যি দেখুৱা হৈছে সেইমতে এইখন টনা-আজোৰা বাজেট যেনহে অনুমান হয়। ইঠাইৰ পৰা টানি আজুৰি আনি আন এঠাইত জোৰ কৰি মিলাইছে, কৰ পৰা ক'ত যোগ দেখুৱাইছে। অৱশ্যে মুখ্যমন্ত্ৰী বা বিত্তমন্ত্ৰী ডাঙৰীয়াই নিৰুপায় হৈ পৰিছে। তেওঁ কেবাবাৰো দিল্লীলৈ অহা-যোৱা কৰি আছে আৰু কেৱল ষষ্ঠ বিত্তীয় আয়োগৰ কথা কৈ শেষ কৰিলে, যাতে তেওঁ এই ৫ বছৰৰ

কাৰণে সুবিধা ভোগ কৰি থকিব পাৰে তাৰ কাৰণে ষষ্ঠ বিত্তীয় আয়োগক ধৰি মেলি কিবা এটা সুবিধা কৰিব পাৰে। তাব লগতে আমাৰ জনজাতীয় মন্ত্ৰী উত্তম ব্ৰহ্ম ডাঙৰীয়াও দিল্লীলৈ গৈছে। এই টকাৰে তেওঁলোকে জনজাতিসকলৰ উন্নয়ন সাধন কৰিব।

জনজাতীয় বা অনুসূচিত সম্প্ৰদায়ৰ উন্নয়নৰ কাৰণে কেবাখনো নিগমৰ ব্যৱস্থা কৰিবলৈ বিচাৰিছে। অ', বি, চি, ট্ৰাইবেল ডেভলপমেণ্ট ক'ৰপৰেশ্যন, চিডিউলড কাষ্টডেভেলপমেণ্ট কৰপৰেশ্যন ইত্যাদি, ইমানবিলাক নিগম কৰি মানুহবিলাকক নিগমে মৰিবলৈ দিহা কৰিছে নেকি? আৰু এই ইমানবিলাক নিগমৰ কাৰণে মাত্ৰ ৮০ লাখ টকা মঞ্জুৰ হৈছে, কিন্তু আচৰিত কথা যে আজি সদৌ অসমত এই চাম লোকৰ জনসংখ্যা আটাইতকৈ বেচি, এনেক্ষেত্ৰত ইমান বৃহৎ জনসংখ্যাৰ জনসাধাৰণৰ কাৰণে এই অলপীয়া ৮০ লাখ টকাৰে কেনেকৈ আতিব? বা কেনেধৰণে এই নিগম চলিব? আচলতে এইবিলাক একোটা আৰাজ, দেখাত বিৰাট পৰিমাণ কিন্তু ইয়াৰ কাম একো নহব। পিচপৰা আৰু অনুসূচিত সম্প্ৰদায়ৰ উন্নয়নৰ হকে যি পৰিমাণৰ টকা ধৰা হৈছে সেই হিচাবমতে ই একেবাৰে নগণ্য। যিখিনি নিতান্তই আৱশ্যক সেইখিনি কৰিবলৈ এই ধনৰে নাতিব।

তাৰ পিচত মই আহিবলৈ বিচাৰিছোঁ গড়কপ্তানী বিভাগলৈ, এই বিভাগত যিখিনি টকা ধৰা হ'ল সেই টকাৰে বোলে নোহোৱা ঠাইত ৰাস্তা হ'ব, নতুন ৰাস্তাৰ কাৰণে প্ৰত্যেক জন সদস্যই মাত্ৰ দহ হাজাৰ টকা পাব, বাকী কেই লাখ গুৱাহাটী চাব-ডিভিজনত, তেজপুৰত আৰু কোকৰাঝাৰত ৰাস্তাৰ কাৰণে খৰচ হ'ব। তাৰোপৰি আৰু কিছুমান টকা আন আন ৰাস্তাৰ কাৰণে খৰচ কৰিব বুলি কৈছে। কিন্তু আচৰিত কথা যে নগাওঁৰ কাৰ্যবাহী অভিযন্তাই হেনো শিৱসাগৰৰ নিতাই পুখুৰীৰ পুলিচ আউটপোষ্টৰ বিল্ডিং নিৰ্ম্মাণ কৰিব আকৌ ঢকুৱাখানাৰো বনাব আৰু কনকলাল স্মৃতি ভৱন বনাব, এইদৰে ইঠাইৰ কাম আন ঠাইৰ ইঞ্জিনিয়াৰিং চাবডিভিজন বা বিভাগে বনাব ইত্যাদি নানা ধৰণৰ খেলি-মেলি আমাৰ চকুত পৰিছে।

Dr. Lutfur Rahman—Sir, there are some mistakes is the Budget

and corrigendum is being issued.

শ্ৰীপিটসিং কোৱৰ—আজি আমাৰ ৰাজ্যত প্ৰকৃততে ৰাস্তা পদুলী ভালধৰণে মেৰামতি বা বন্ধোৱা হোৱা নাই। কিন্তু খৰচ সেই পৰিমাণে যথেষ্ট হৈছে। ৰাস্তা পদুলীৰ কাৰণে খৰচ কৰাতো 'আনপ্ৰদাকটিভ' আৰু প্ৰদাকটিভ দুয়োটাই হয়। কিয়নো খৰচ পাতি কৰি ৰাস্তাপদুলী নিৰ্ম্মাণ কৰাৰ পাচত সেই ৰাস্তাৰ ওপৰেদি বস্তু-বাহানী অনা নিয়া কৰিব পাৰি, গতিকে তাৰ দ্বাৰা উৎপাদনত সহায় হব। আমি সকলো এক মত যে যোগাযোগ আৰু পৰিবহনৰ ক্ষেত্ৰত বিশেষ নজৰ দিব লাগে। কিন্তু প্ৰকৃততে ৰাস্তা পদুলী উন্নয়নৰ ক্ষেত্ৰত যথেষ্ট পিচপৰি থকা দেখা গৈছে। মুখ্যমন্ত্ৰীয়ে বাজেটত ৫৩ কোটি ৪২ লাখ টকা ৰিভাইজদ হিচাবে দেখুৱাইছে, গতিকে দেখা যায় প্ৰকৃততে 'দেফিচিট' আঢ়ৈ কোটি মানহে হৈছে। তাৰোপৰি ১৯৭৩/৭৪ চনত প্ৰায় ৫ কোটি মান টকা ঘূৰি গৈছে। আচলতে ঘাটি বাজেট দেখুৱালেও বছৰৰ শেষত টকাবোৰ ঘূৰাই দিয়াৰ ফলত ঘাটি নহয় গৈ।

মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ দিছপুৰত কেপিটেল কেম্পাচ হ'ল। কিন্তু আমাৰ মন্ত্ৰী সকল হ'লে তাত নেথাকে। ৮০০।৯০০ টকা ভাৰা দি দি বাহিৰত থাকেগৈ। তেখেত সকলে দৰ্ম্মহা প্ৰায় ঘৰ ভাৰাৰ সমানেই আৰু ইমান ভাৰা দি বাহিৰত থাকি ৰাইজৰ ধনৰ অপচয় কিয় কৰিব লাগে? যদি মন্ত্ৰী সকলেই ইমানকৈ খৰচ কৰি থাকে তেতিয়াহলে, ৰাইজৰ কামত খৰচ কৰিব কেনেকৈ? আজি বিভিন্ন আঁচনি আদিত যিমান বিলাক টকা পইছা আদি ধৰা হৈছে সেইবিলাক যদি ঠিকমতে খৰচ কৰিলেহেঁতেন তেতিয়াহলে, হয়তো বহুত কামেই হ'লহেঁতেন। কিন্তু সেইমতে টকা পইচা বিলাক খৰচ নকৰে। কিবা এটা কাম কৰিব লগা হলে প্ৰায় ছমাহ বছেৰেক এম, এল, এ সকল ইঠাইৰ পৰা সিঠাইলৈ অহা যোৱা কৰি ফুৰিব লাগে। ট্ৰাইবেল বেষ্ট হাউছ এটা কৰিবৰ হলেও তাৰ প্লেন এষ্টিমেট আদি কৰিবৰ কাৰণে প্ৰায় ছমাহ বছেৰেক লাগে। এবাৰ ফাইল দিছপুৰলৈ আহিব, এবাৰ আকৌ মৰিগাওঁলৈ যাবলগা হয় আকৌ তাৰ পিছত নগাওঁলৈ যাব লাগিব। এইদৰে সাধাৰণ কথা এটাৰ কাৰণেই অহা যোৱা কৰি থাকোতেই সময়

পাৰ হৈ যায়। এইদৰেই যদি গড়কাপ্তানী বিভাগে এটা বেষ্ট হাউছৰ কাৰণে প্লেন এষ্টিমেট আদি কৰোতেই ইমান সময় লয় তেতিয়াহলে, ৰাইজৰ কাম কেনেকৈ হ'ব? ইবাৰ বোলে ইটো নাই, সিবাৰ বোলে সিটো নাই। এইদৰে নানান টা লেঠা উলিয়াই যদি সময়ৰ কাম সময়ত কৰা নহয় তেতিয়াহলে, ৰাইজৰ কাম কেনেকৈ হ'ব? শেষত কাম নো'হাৰাৰ কাৰণে টকা ফিৰাই দিবলগা অৱস্থা হয়গৈ। এই বছৰো আমি যিটো গম পাইছো আমাৰ মুখ্য মন্ত্ৰীয়ে কিমান টকা ঘূৰাই পঠিয়াব লাগিব তাৰ হিচাব বাজেটত দিয়া নাই যদিও গম পোৱা মতে প্ৰায় চাৰি কোটি টকা খৰচ কৰিব নোৱৰি ওভতাই পঠিয়াব লগা অৱস্থা এটা হৈছেই।

ইয়াৰ পিছত মই আমাৰ মেডিকেল বিভাগটোৰ কথা নকৈ নোৱাৰিলোঁ। এই বিভাগত যি টকা ধৰা হৈছে সি অতি কম হৈছে আৰু তাৰ দ্বাৰা ৰাইজৰ উপকাৰত আহিব বুলি আমি ভাবিব নোৱাৰোঁ। মেডিকেল কলেজ হস্পিতালতেই হওঁক বা চিভিল হস্পিতাল বিলাকতেই হওঁক তাত যদি ৰোগীয়ে নিজৰ পকেটৰ পইচা খৰচ কৰি চিকিৎসা নকৰে তেতিয়াহলে তেওঁ ৰোগমুক্তিৰ কথা চিন্তা কৰিব নোৱাৰে। খালি বিছনা, ডাক্তৰ আৰু নাৰ্চ জনীহে পাব পাৰে কিন্তু বিনামূলীয়াকৈ ঔষধ খাই ৰোগমুক্ত হোৱাৰ ব্যৱস্থা কৰিব নোৱাৰে। কেতিয়াবা কিবা দুই এটা ঔষধ দিয়ে যদিও তাৰ বান্ধি দিয়া সীমা পাৰহৈ যোৱাৰ পিছতহে ৰোগীক সেই ঔষধ খাবলৈ দিয়া হয়, যেতিয়া সেই ঔষধে কোনো কামকেই কৰিব নোৱাৰে। সেইকাৰণে মই কৈছোঁ যে, দুখীয়া মানুহবিলাকে যাতে বিনামূলীয়াকৈ চিকিৎসা পাতি আদি কৰাব পাৰে তাৰ কাৰণে এই বিভাগত যথেষ্ট টকা পইচা ধৰিব লাগে। চৰকাৰে কথা কয় কিন্তু সেই মতে হলে কোনো কাম নকৰে। প্ৰত্যেক গাওঁ পঞ্চায়ত এলেকাতে সমবায় গঠন কৰিব লাগে বুলি চৰকাৰে ঘোষণা কৰিলে আৰু এইটোৰ পিছত ধান চাউলৰ পৰা গৰুমহ কিনা আদি সকলোবিলাক কামৰ কাৰণেই সমবায় গঠন কৰা হ'ব। তাৰ যোগেদি পাবলগা সকলো বিলাক সুবিধা পাব বুলিও কোৱা হৈছিল। কিন্তু আমাৰ মৰিগাৱঁৰ অভিজ্ঞতাৰ পৰাই যিটো দেখিছোঁ তাৰ পৰা এইটো কব পাৰি যে কৰবাত হয়তো ১০০ জন মেম্বাৰ হৈছে, কৰবাত ২০০ জন মেম্বাৰ হৈছে,

আৰু হয়তো ৰববাত ১৫০ জনমানহে অংশীদাৰ গোট খাইছে। এইদৰে যিমান মেম্বাৰ হলে এখন সমবায় হব পাৰে সিমান মেম্বাৰ গোট খোৱা নাই। সেইকাৰণেই মই এতিয়া কৈছো যে, যি দহ হেজাৰ টকা দিবলৈ বিচাৰিছে সেই টকাটো কাক দিব? এক হেজাৰ মানুহ নহলে সমবায় হব নোৱাৰে। গতিকে এই টকা বিলাকেৰে এতিয়া কি কৰিব? অৱশ্যে আগত যি পঞ্চায়ত ইলেকশ্বন, কাউন্সিলৰ ইলেকশ্বন আদি আহিছে তাত প্ৰাৰ্থী হবৰ কাৰণে খৰচ কৰিব পাৰিব। তাৰ বাহিৰে আৰু একো কাম কৰিব নোৱাৰিব। আজি সমবায়ৰ প্ৰতি মানুহৰ আস্থা নাইকীয়া হৈ পৰিছে। সেই আস্থা ঘূৰাই আনিবৰ কাৰণে আমাৰ ডেকা মন্ত্ৰীয়ে কিছু চেষ্টা কৰিছিল কিন্তু সিমান ফলপ্ৰসু হব নোৱাৰিলে। সমবায়ৰ প্ৰতি আমাৰ বেয়া ভাব নাই। এই সমবায় হলে আমিও ভালেই পাওঁ কিন্তু সমবায়টো কি বস্তু, ইয়াক কি কৰিলে ইয়াত কৃতকাৰ্য্যতা লাভ কৰিব পাৰিম এই সকলো বিলাক কথা আমাৰ ৰাইজক বুজাব লাগিব। আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এম, এল, এ সকলৈ একোখন চিঠি লিখিছিল হে, এই সমবায় গঠন কৰাৰ ক্ষেত্ৰত আমিও অলপ অচৰপ সহায় আদি কৰি দিব লাগে। কিন্তু আমি কেনেকৈ মৰো? ৰাইজে আমাক দোষাৰোপ কৰিব যে আমি তেওঁবিলাকৰ চেয়াৰৰ টকা বিলাক কি কৰিলো। তেওঁলোকে আমাৰ টকা বিলাক খাই পেলালে বুলি দোষাৰোপ কৰিব আৰু আমি তেতিয়া মৰাৰহে ব্যৱস্থা হব। আমাৰ ওপৰত ক্ষতিপূৰণৰ কেছ দিব। গতিকে চৰকাৰে যদি সমবায় কৰিব খুজিছে তেনেহলে, আমাৰ বিভাগীয় চেক্ৰেটেৰী আছে। তেখেতকে পঠিয়াই দিয়ক আৰু তেখেতসকলেই পইচা লৈ চহী কৰিব আৰু তাৰ কাৰণে দিবলগীয়া ৰচিদ আদিও দিব। কিন্তু ইয়াৰ কাৰণে আমাৰ চেক্ৰেটৰী সকল নেযায় আৰু তেওঁলোকে গৈ ইয়াৰ তাৎপৰ্য্য বিলাকো আমাৰ ৰাইজক বুজাই নিদিয়ে ফলত আমাৰ ৰাইজে এইবিলাক কথা সহজে লব পৰা নাই। আৰু সমবায়ো গঠন কৰিব পৰা নাই। তাৰ পিছত আমাৰ কৃষিৰ বিষয়ে কওঁ। আমাৰ নগাঁৱৰ মানুহে বৰ আশা কৰি আছিল যে; আমাৰ ডেকা মন্ত্ৰী বিষ্ণুপ্ৰসাদ ডাঙৰীয়া আহিছে যেতিয়া আমাৰ কিছু নহয় কিছু হব কিন্তু যোৱা দুবছৰৰ অভিজ্ঞতাই আমাক

হতাশ কৰি পেলাইছে। আৰু আমি ছমাহ সময় অপেক্ষা কৰিম। প্ৰথমতে যেতিয়া আমাৰ এই দুজন ডেকা মন্ত্ৰী হৈছিল তেতিয়া তেওঁবিলাকে লিখা চিঠি পত্ৰ আদি আমাৰ হাতত আছে। তেখেত সকলে লিখিছিল যে, আমি মন্ত্ৰী হৈছোঁ। কিবা কৰিব লগীয়া থাকিলে লিখিব আমি তাক কৰিম। এইবুলি বহুত আশ্বাস তেওঁলোকৰ পৰা আমি পাইছিলোঁ। কিন্তু সেই আশ্বাস আজি আশ্বাসতে আছে তাৰ কোনো কাম হোৱা নাই। যেতিয়া ধান আদি মানুহে চপাইছিল তেতিয়া চৰকাৰে সকলো বিলাক ধান আদি লৈ আহিল কিন্তু এতিয়া ৰাইজৰ মাজত ধান চাউলৰ অভাৱ, কতো পাবলৈ নোহোৱা অৱস্থা। আনৰ কথা বাদেই আমাৰ মায়ঙতে ধান চাউল আজি পাবলৈ নাই। ধান চাউল কিনিবলৈ গলেও তাত কিছুমান ডেকা ল'ৰাই নিজকে চাপ্লাই ইন্সপেক্টৰ বুলি চিনাকি দি টকা পইচা আদি সকলো কাঢ়ি কৰি লৈ যায়। সিদিনা এইদৰে এটা ঘটনা ধৰি এজন মানুহৰ পৰা কেইজনমান ডেকা ল'ৰাই গোট খাই ৫০০ টকা লৈ গ'ল। আমাৰ মাননীয় সদস্য শ্ৰীজগদীশ দাসৰ সমষ্টিত ঘনশিমলুৰ পৰা হিলৈখুন্দা পাহাৰলৈ ২৬ কিলো মিটাৰ বহ্মপুত্ৰ নদীৰ মথাউৰি আজিলৈকে নিৰ্ম্মাণ কৰিব নোৱাৰিলে। বানপানীয়ে তাত মানুহক জলাকলা কৰি ৰাখিছে। উপায়ন্তৰ হৈ মানুহে শেষত আমাৰ ৰাজ্য বিভাগৰ মন্ত্ৰীৰ বন জংঘল লুটমাৰি, কাকী আদি জেগাত সোমাইছেগৈ কিন্তু তাতো আমাৰ চৰকাৰে গুলিয়াবৰ ব্যৱস্থা কৰিছে আৰু ইতিমধ্যে বহুতকে গুলিবিদ্ধ কৰিলেই। এইবিলাক কথা চাবলৈ আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে কিয় অৱহেলা কৰি আছে সেইবিলাক কথা আমি বুজিব পৰা নাই।

মুখ্যমন্ত্ৰীয়ে এই কথা বিলাক চাব লাগে এই মানুহ বিলাক কিয় অৱহেলিত হৈছে। ডেকা মন্ত্ৰীৰ বৰ ইচ্ছা আছিল কিন্তু টকা নাই। এই বছৰ ৭ কোটি ৪১ লাখ টকা দিছিল কিন্তু একেখন চিঠিৰে কলে যে ৪ কোটিহে পাব। একেখন চিঠিতে ৩ কোটি ৪১ লাখ টকা কাটি দিলে। আৰু এখন চিঠি দি একেবাৰে শূণ্য কৰি পেলাব নেকি? অৱশ্যে মুখ্যমন্ত্ৰী ডাঙৰীয়াই আশ্বাস দিছিল যে ৭ কোটি ৪১ লাখ টকা দিব লাগিব। কিন্তু এই বছৰ মথাউৰি কৰাৰ সময় আছে নেকি? আজি

৬ তাৰিখ হ'লহি। এডমিনিষ্ট্ৰেটেটিভ এপ্ৰভেল আদি পাওতে ফাইলে ফাইলে ঘূৰোতে ভেকুলীয়ে টোৰ টোবাব। এতিয়া মায়ঙত বানপানী আহিব গতিকে কাম আৰম্ভ কৰিলেও টকাখিনিৰ অপচয় কৰা হ'ব। কিছুমান মানুহে মাছৰ বিল লৈ ব্যস্ত থাকে। গোটেই বিলাকে মাছৰ বিলৰ কাৰণে হেচা মাৰি ধৰি সমষ্টিটোৰ সৰ্বনাশ কৰিছে। শ্ৰীজগদীশ দাসৰ কথা শুনি বৰ দুখ লাগে। যোৱাবাৰ বানপানীৰ সময়ত তেওঁক পানীত পেলাই দিবলৈ ধৰিছিল মথাউৰি কৰিব নোৱাবাৰ কাৰণে? মন্ত্ৰীয়ে নিজে জানে চাৰে পাচ কি: মি: মথাউৰি কৰিলেই ৰাইজ ৰক্ষা পৰে। অহা বানপানীৰ সময়ত মন্ত্ৰীয়ে তালৈ যাবনে নেযাব কব নোৱাৰো। মোৰ ভয় লাগিছে কিজানি মন্ত্ৰীকো পানীত পেলাই দিয়ে। যোৱাবাৰ মই কোনোমতে বুজাই বঢ়াই ৰাখিছো। মায়াঙত কৈ আহিছিল যে চাৰে পাচ কি: মি: মথাউৰি কৰা হব। তাৰ পিছত দন্দুৱালৈ আহি কৈছে যে ১০ কি: মি: মথাউৰি কৰিম। এইটো বৰ ভাল কথা। আজি ১০ বজাত সুধিলো কিবা হব নেকি? তেখেতে কলে মুখ্যমন্ত্ৰীক ধৰক। গতিকে মই মুখ্যমন্ত্ৰীক ধৰিছো মায়াঙত চাৰে পাচ কি: মি: ৰাস্তা কৰি দিয়ক যাতে মানুহ খিনি বানপানীৰ কড়াল গ্ৰাসৰ পৰা ৰক্ষা পৰে। এই সকল অসমৰে মানুহ ভাৰতৰ নাগৰিক। শ্ৰীজগদীশ দাসৰ সমষ্টিটো ফিচাৰি সমষ্টি কৰিব নোৱাৰি নেকি? মুখ্যমন্ত্ৰীয়ে কালিৰ ভিতৰত ততাতৈয়াকৈ নিশ্চয় এটা প্ৰচেষ্টা চলাব বুলি আশা ৰাখিলো। তেখেতে তালৈ যাব নালাগে সকলো কথা নিজে জানে। চকু সকলো ফালে দিছে অৰ্থাৎ সৰ্ব্বব্যাপী। তেখেতে মায়াঙৰ কথাটো বিশেষ ভাবে চিন্তা কৰি চাবলৈ মই অনুৰোধ জনালো। জনজাতীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াই যদি দিল্লীৰ পৰা কিবা অলপ আনি নিদিয়ে তেন্তে নিগম অথলে যাব। তাৰ কোনো ব্যৱস্থা হোৱা নাই। শিক্ষামন্ত্ৰী ডাঙৰীয়াক অলপ ভাল পাইছো। তেওঁ কেইজনমান এশ টকীয়া শিক্ষক দিছে। বানপানী পীড়িত স্কুলৰ বাবে প্ৰত্যেক সমষ্টিত ১০ হেজাৰকৈ দিব। তাৰ পিচত প্ৰি-প্ৰাইমাৰী শিক্ষয়িত্ৰী দিছে। শ্ৰীতালুকদাৰ ডাঙৰীয়াই বেয়া কাম কৰা নাই আৰু ভাল পাম যদি মৰিগাওঁ কলেজক দেফিচিট গ্ৰাণ্ট দিয়ে। অৱশ্যে মহকুমা হোৱাৰ কাৰণে ছোৱালী হাইস্কুল

খনকে চৰকাৰী কৰিলে বৰ ভাল হয়। মৰিগাওঁৰ পৰা কাচাৰি, অফিচ, কোৰ্ট অফিচ আদি কৰিবৰ কাৰণে সজাতি দল কেইবাটাও মুখমন্ত্ৰীৰ ওচৰলৈ আহিছিল। কি কাৰণত কৰা নাই কব নোৱাৰো। নে চিমেণ্ট নাই নে লোহা লংকৰ নাই? মহকুমা হিচাবে ঘোষণা কৰাৰ পিচত কিছু ইমপ্ৰোভমেণ্ট দেখুৱাওক। তালুকদাৰ মহোদয়ে বেচিক ট্ৰেইনিং অনুষ্ঠানটো সোনকালে এৰি দিয়ক, কাৰণ এইটো চেণ্ট্ৰেল গৱৰ্ণমেণ্টৰ। শিক্ষক সকলক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব লাগে। স্কুল ঘৰটো এৰি দিলে কাচাৰি অফিচ ক'ত বহিব। ৫ম পাচবছৰীয়া পৰিকল্পনাৰ বাবে ৪৬৩ কোটি টকা দিছে। মৰম থকাৰ কাৰণে মুখ্যমন্ত্ৰী ডাঙৰীয়াই নিৰ্বাচন নকৰাকৈ মুখ্যমন্ত্ৰী হব পাৰিছে। গতিকে তেখেতৰ প্ৰতি দিল্লীৰ মৰম আছে। আন বিলাকে দিল্লীৰ মৰম পাইছে নে নাই কব নোৱাৰো। এতিয়া মুখ্যমন্ত্ৰী ডাঙৰীয়াই সকলো বিভাগৰে ফাইল খুজিব লাগে। আমি এজনেই মানুহ পাও যি ঘনাই টুৰ কৰি ফুৰে আৰু তেখেতক দেখা কৰিবলৈ অনেক মানুহ আহে। মানুহবিলাকে বাহিৰত গৈ কয় মুখ্য-মন্ত্ৰী শ্ৰীসিংহ ষ্টেট ফৰৱাৰ্ড, চিমপুল কিন্তু কাম হলে একো নকৰে। মই কৈছো আৰু ৬ মাহমান চাওক কি ফল ধৰে। মই কথা বিলাক হাঁহিৰ সুৰেৰে কৈছো। কিন্তু কথা বিলাক চিৰিয়াচলি কৈছো। ৰাজ্যিক চৰকাৰে কেন্দ্ৰীয় চৰকাৰক আৱশ্যকীয় বৰঙণি যোগাব নোৱাৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা নেপায়। ধনীসকলৰ পৰা ৰাজহ আদি আনি বা চুক্তি পত্ৰ কৰি ৰেপচিদ আদি দিয়াৰ বন্দবস্ত কৰি টকা উলিওৱাৰ ব্যৱস্থা কৰক। গড়কাপ্তানি বিভাগৰ কথাটো কিন্তু বৰ গুৰুত্বপূৰ্ণ। গতিকে এই বিষয়ত ভালকৈ চাব লাগে। ভালকৈ কৰিবলৈ চেষ্টা কৰক। বহবাৰম্ভে লঘু ক্ৰিয়া। এইখিনিকে কৈ মই মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰীতুলাস চন্দ্ৰ বৰুৱা—মাননীয় মহোদয়, আমাৰ বিধান সভাৰ বিধি ৪৯ দফাৰ নিয়মমতে আমি এটা বিশেষ বিষয়ত আলোচনা ডাঙি ধৰিব বিচাৰিছো। এই আলোচনাটো উদ্ভৱ হৈছে ১৩ ফেব্ৰুৱাৰী তাৰিখে মাননীয় সদস্য শ্ৰীলক্ষী কান্ত শইকীয়াই উল্লেখ কৰা এটা প্ৰশ্নৰ উত্তৰত। অন্যান্য পিচ পৰা জাতিৰ সম্পৰ্কত। যিখিনি কথা মন্ত্ৰী মহোদয়ে বিধান সভাত ডাঙি

ধৰিলে এই ডাঙি ধৰা তথ্যখিনিত আমি সম্পূৰ্ণভাৱে সন্তুষ্ট হ'ব নোৱাৰি এই আলোচনা ড ঙিং ধৰিছো। এই প্ৰশ্নটোৰ উত্তৰত মন্ত্ৰী মহোদয়ে কৈছিল—

(ক) অসমত বসবাস কৰা অন্যান্য পিছপৰা শ্ৰেণীৰ চৰকাৰৰ অনুমোদিত সাময়িক তালিকা সদনৰ মেজত ৰখা হ'ল।

(খ) ব উত্তৰত কৈছে—অন্যান্য পিছপৰা শ্ৰেণীৰ জাতি সমূহক শিক্ষাৰ সা-সুবিধা, বন বিভাগৰ মহল লোৱা, আৱকাৰী দোকান আৰু ঠিকা-ঠুকলি লোৱা আদিত অগ্ৰাধিকাৰ চৰকাৰৰ অফিচ মেমৰেডাম নং ইমান ইমান—

(গ) সামাজিক আৰু শিক্ষাৰ ক্ষেত্ৰত পিছপৰা শ্ৰেণীবিলাকক "অন্যান্য পিছপৰা শ্ৰেণী" বুলি ঘোষণা কৰা হ'ল।

(ঘ) অন্যান্য পিছপৰা শ্ৰেণীৰ জাতিসমূহক শিক্ষাৰ সা-সুবিধা অবৈতনিক শিক্ষা, আৰু বৃত্তি, বন বিভাগৰ মহল লোৱা, আবকাৰী দোকান আৰু ঠিকা-ঠুকলি লোৱা আদিত অগ্ৰাধিকাৰ দিয়া হ'ব। অন্যান্য পিছপৰা শ্ৰেণীৰ মাজত 'অধিক পিছপৰা শ্ৰেণী' সমূহৰ শিক্ষাৰ্থীৰ বাবে অসমৰ মেডিকেল প্ৰতিষ্ঠানত আসন সংৰক্ষিত আছে।

কিন্তু উপাধ্যক্ষ মহোদয় আপুনি জানে, আপুনি নিজেই এজন পিছপৰা সম্প্ৰদায়ৰ নেতা, এই সম্পৰ্কত যি বিলাক আলোচনা ইতিমধ্যে কৰা হৈছে, যিবিলাক প্ৰতিশ্ৰুতি চৰকাৰে বিভিন্ন সময়ত দি আহিছে সেইমতে চৰকাৰে কাম কৰিছেনে? আজি ঠিকাৰ ক্ষেত্ৰত যদিও পিছপৰা সম্প্ৰদায়ক অগ্ৰাধিকাৰ দিয়াৰ সুবিধা আছে, মহল আদি পিছপৰা সম্প্ৰদায়ক দিয়াৰ সুবিধাৰ কথা উল্লেখ কৰিছে, চাকৰি দিয়াৰ ক্ষেত্ৰত উল্লেখ কৰিছে সামাজিক শিক্ষাত সুবিধা দিয়াৰ কথা উল্লেখ কৰিছে কিন্তু প্ৰকৃত পক্ষে আজি ২৫ বছৰে এই পিছপৰা সম্প্ৰদায়ৰ কাৰণে কি কৰিছে আমি দেখি আহিছো। পিছপৰা সম্প্ৰদায়ৰ নামত এক শ্ৰেণীৰ ধনী মানুহক সুবিধা দি অহা হৈছে। অসমত যিমান বিলাক মহল আছে তাৰ প্ৰায় ১৮ খনৰ বাহিৰে বাকী বিলাক বেনামদাৰ হিচাবে চিদিউল কাচটৰ নামত দি আহিছে। এই বিলাক মহল চৰকাৰে তোষামোদ কৰি এক শ্ৰেণীৰ মানুহক দি আহিছে। উজনি অসমৰ প্ৰায়বিলাক ঘাট, মিনমহল, বন মহল, বাচ লাইন আদি পিছপৰা সম্প্ৰদায়ৰ নামত দিছে যদিও এইবিলাক কিছুমান ধনী মানুহে চলাই তাৰ পৰা লাভাংশ খাই আহিছে। সেইদৰে শিৱসাগৰ লক্ষীমপুৰৰ ক্ষেত্ৰটো এটা বিশেষ শ্ৰেণীৰ মানুহে অনুসূচীত সম্প্ৰদায়ৰ নামত খাই

আহিছে। আজি এখন আইন কৰি পিছপৰা সম্প্ৰদায়ক অগ্ৰাধিকাৰ দিব লাগে বুলি কোৱা হৈছে যদিও প্ৰকৃততে সেইটো কতো হোৱা নাই। মন্ত্ৰী মহোদয়ে কৈছে যে শিক্ষাৰ ক্ষেত্ৰত বিশেষ সুবিধা দিয়া হৈছে। মই সুধিব খুজিছো যে কি সুবিধা দিয়া হৈছে? আজি অন্যান্য পিছপৰা ল'ৰাৰ কাৰণে বৃত্তিৰ ব্যৱস্থা কৰা হৈছে যদিও সেইটো সময়মতে পোৱা নাই। আৰু এই বৃত্তিৰ সুবিধা বিলাক কোন কোন মানুহে পাইছে সেইটো কথাও চাবলগীয়া। আৰু অন্যান্য ক্ষেত্ৰত যিবিলাক নিয়ম বান্ধি দিছে সেইবিলাকৰ ফল পাবলগীয়া মানুহে পোৱা নাই নাপাবলগীয়া মানুহে পাইছে। আমি এই ক্ষেত্ৰত স্পষ্টভাৱে কৈছো—এসময়ত বিশ্ববিদ্যালয়ত পঢ়োতে মোৰ ৰোমমেট জন এজন পিছপৰা সম্প্ৰদায়ৰ লোক আছিল। তেখেতৰ বাপেক বৰ ধনী মানুহ আৰু চৰকাৰৰ এজন বিশেষ বিষয়া। তেখেত এতিয় বিটায়াৰ হ'ল। তেখেতৰ বাপেকে টকা পইচা যিমান লাগে দিয়েই তাৰোপৰি বৃত্তি পায় আৰু সেই টকাৰে আমাৰ আগতে নতুন নতুন কাপোৰ-কানি লয়, ভাল ভাল খানা খায় আৰু অন্যান্য ধৰণৰ ভাল লগা সকলো বিলাক কাম কৰে। মোৰ চকুৰ আগতে যেতিয়া তেনেকৈ কৰি থাকে আৰু মই দুখীয়া ল'ৰা হোৱা কাৰণে, তেওঁৰ দৰে খৰচ কৰিব নোৱাৰাৰ কাৰণে সেই সময়ত বাৰু মোৰ অৱস্থা কেনে হব পাৰে? মই এজন দুখীয়া মানুহ, পিছপৰা সম্প্ৰদায়ৰ মানুহ নোহোৱাৰ বাবেই সেই সুবিধা বিলাক নাপায় সেই পিছপৰা সম্প্ৰদায়ৰ মানুহ জনৰ লগত কেনেকৈ পঢ়া শুনা কৰিব পাৰো বাৰু? এই ক্ষেত্ৰত চৰকাৰে চাব লাগে প্ৰকৃততে কোনবিলাক মানুহৰ সহায় কৰিব লাগে? য'ত য'ত সামাজিক শিক্ষাৰ ব্যৱস্থা নাই, য'ত য'ত মানুহ একেবাৰেই পিছপৰি আছে সেই বিলাক ক্ষেত্ৰত সা-সুবিধা দিয়াৰ কাৰণে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। মই অলপতে এটা খবৰ পাইছো—মই উদাহৰণস্বৰূপে কব বিচাৰিছো যে মন্ত্ৰী মহোদয়ে চাকৰিৰ ক্ষেত্ৰত বিশেষ সুবিধা দিয়া হৈছে বুলি কৈছে। অলপতে ইন্সপেক্টৰ এৱেজ এণ্ড মিজাৰৰ কিছুমান পষ্টৰ কাৰণে এডভাৰটাইজ কৰা হ'ল তাত কিন্তু অ বি চি বা চিদিউল ট্ৰাইবচৰ কাৰণে কোনো ৰিজাৰভেচন নাৰাখিলে। এইদৰে ৰিজাৰভেচন নৰখাৰ কাৰণে সেই বিলাক চাকৰি অন্যান্য সম্প্ৰদায়ৰ মানুহে পাব আৰু তাৰ

পৰা এই পিছপৰা সম্প্ৰদায়ৰ ল'ৰাবিলাক বঞ্চিত হৈ থাকিব। মই এই সংক্ৰান্ততে আৰু এটা কথা কব বিচাৰিছো যে চাউদাং, ৰাজবংশীয় আৰু মৰিয়া সম্প্ৰদায়ক পিছপৰা সম্প্ৰদায় বুলি ১৯৬৭ চনৰ ২ ফেব্ৰুৱাৰী তাৰিখেই বিশেষ ধৰণৰ সুবিধা দিবলৈ বিচৰা হৈছিল। কিন্তু দুৰ্ভাগ্য আজিলৈকে তেওঁলোকে শিক্ষানুস্থান বিলাকত সেই বিষয়ে চৰকাৰলৈ আবেদন নিবেদন কৰি অহা স্বত্বেও চৰকাৰে মন নিদিলে, চাকৰিৰ ক্ষেত্ৰত মন নিদিলেও অন্যান্য ঠিকা আদিৰ ক্ষেত্ৰত যি বিলাক সা-সুবিধা দিব লাগে সেইবিলাক দিয়া হোৱা নাই।

উদাহৰণ স্বৰূপে মই এটা কথা কওঁ যে, আমাৰ বৃত্তিধাৰী শিক্ষক নিয়োগৰ ক্ষেত্ৰত আমাৰ মৰীয়া, চাওদাং আৰু অন্যান্য পিছপৰা সম্প্ৰদায়ৰ ক্ষেত্ৰত যিখিনি ব্যৱস্থা কৰিব লাগিছিল সেইটো কৰা নহল। মোৰ কথা অধ্যক্ষ মহোদয়, যিবিলাক সাধাৰণ মানুহে আজিও সমাজৰ পোহৰ দেখা নাই সেইসকলক উদ্ধাৰ কৰিবলৈ চৰকাৰে বিশেষ ব্যৱস্থা লব লাগে। তেলিৰ মূৰত তেল দিয়াৰ নিচিনাকৈ গুৱাহাটী বা অন্যান্য নগৰ অঞ্চলতে অকল সকলো ধৰণৰ সুবিধা নিদি গাওঁ অঞ্চলবোৰলৈকো ইয়াৰ সম্প্ৰসাৰণ ঘটোৱাৰ ব্যৱস্থা কৰিব লাগে।

অধ্যক্ষ মহোদয়, মই ৰাজ্যপালৰ ভাষণত এটা কথা কৈছিলো যে আমি অসমৰ মানুহ, আমি অসমবাসী একেলগে থাকিব লাগে। মুষ্টিমেয় আমি অসমৰ মানুহখিনি যদি সদায় ভাগ ভাগ হৈ যোৱাৰ চেষ্টাই কৰি থাকো তেন্তে আমি অসমীয়া জাতি হিচাবে জীয়াই থাকিব নোৱাৰিম। আজি আমাৰ মানুহে এমুঠি পেটৰ ভাতৰ কাৰণে হাহাকাৰ কৰিবলগীয়া হৈছে, ল'ৰা-ছোৱালী পঢ়োৱাৰ ব্যৱস্থা আমাৰ নাই। আমি ভাল কৰি-বলৈ গৈছো নে ভুল কৰিবলৈ গৈছো এই কথা হয়তো মন্ত্ৰী মহোদয়ে নিজেই নেজানে।

অধ্যক্ষ মহোদয়, মই যিখন ঠাইত বাস কৰো সেই ঠাইৰ ওচৰতে গায়ন গাওঁ বুলি এখন গাওঁ আছে। তাত চিলাৰায় উৎসৱ আৰু অ' বি চি অনুষ্ঠান পতাৰ কাৰণে যো-যা কৰি নিমন্ত্ৰণী চপাই কাগজে-পত্ৰই প্ৰচাৰ কৰা হ'ল। মোৰ নামটোও তাত আছিল কিন্তু পিচত মই তেওঁলোকৰ মানুহ নহয় বুলি জানি মোৰ নামটো তাৰ পৰা কাটি দিয়া হ'ল।

মোৰ নামটো কাটি দিয়াত মই বেয়া পোৱা নাই। কিন্তু কথা হল আমাৰ মানুহ কেনেকৈ ভাগ ভাগ হবলৈ বিচাৰিছে সংবিধানত যি সুবিধা আছে সেই সুবিধা সকলো ৰকমে দি আমাৰ পিচপৰা সম্প্ৰদায়ক উন্নত কৰাৰ উচিত ব্যৱস্থা চৰকাৰে লব লাগে। আজিৰ দৰে যদি আমাৰ অসমৰ অৱস্থা হয় তেন্তে মই ভাবো আমাৰ অসমীয়াৰ নামত আৰু অসমীয়াৰ ভেটিত তিতা লাও গজিব। এসময়ৰ পৰাক্ৰমী আহোম ৰজাই ১৭ বাৰ মোগলক খেদিছিল. কিন্তু আজি সেই আহোমৰ ভেটিত তিতা লাও গজাৰ অৱস্থা হৈছে। যিসকল ৰাজকুমাৰ গুহেন চাং, চৌহান চাং, কন্দৰ্পেশ্বৰ আদি আছিল আজি তেওঁলোকৰ বংশৰ নাম নোহোৱাৰ দৰে হৈ পৰিছে। গতিকে আজি আমি অসমীয়া মানুহ খিনি ভাগ ভাগ নহৈ একেলগে থকাৰ চেষ্টাহে কৰা উচিত। তাকে কৰিবলৈ হলে আমাৰ পিচপৰা সম্প্ৰদায়ৰ লোক সকলক অৰ্থিক ভাবে, নৈতিক ভাবে সামাজিক ভাবে আগুৱাই নিয়াৰ চেষ্টা কৰিব বুলি আশা ৰাখি মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

শ্ৰীলক্ষ্মী কান্ত শইকীয়া—উপাধ্যক্ষ মহোদয়. মোৰ এটা প্ৰশ্নৰ উত্তৰ উত্থাপিত হোৱাত আলোচনা প্ৰসঙ্গত মাননীয় সদস্য শ্ৰীবৰা ডাঙৰীয়াই তাৰ পাতনি মেলিছে. তাৰ বাবে মই তেখেতক ধন্যবাদ দিছো। মাননীয় মন্ত্ৰী মহোদয়ে যি উত্তৰ দিলে সেইটোত তেখেত সন্তুষ্ট হোৱা নাই বুলি কোৱা কথাটোতো মই সুখী হৈছো। পিচপৰা শ্ৰেণীৰ লোকসকলক উন্নত কৰিবৰ কাৰণে মন্ত্ৰী মহোদয়ে যি কেইটা কথাৰে মোৰ প্ৰশ্নটোৰ সমিধান দিছে সেই কেইটাই পিচপৰা শ্ৰেণীৰ লোকৰ কাৰণে যথেষ্ঠ নহয়।

কিয়নো উপাধ্যক্ষ মহোদয়, আজি যিসকল লোকক পিচপৰা শ্ৰেণীৰ লোক বুলি ধৰা হৈছে মই কওঁ সেই সকল লোক আগতে কেতিয়াও পিচপৰা নাছিল। আৰু সেই সকল লোকে পিচপৰা শ্ৰেণী হিচাবে কেতিয়াও নিজকে ঘোষণা কৰা নাছিল বা চৰকাৰৰ পৰা সুবিধা আদায় কৰিবলৈকো কেতিয়াও বিচৰা নাছিল। সংবিধানত যেতিয়া এই ব্যৱস্থা কৰা হল যে যি সকললোক পিচপৰি আছে তেওঁলোকক সামাজিক, অৰ্থ নৈতিক আৰু শিক্ষাৰ ফালৰ পৰা আগবঢ়াই নিবলৈ বিচৰা হ'ল।

তাৰ বিহিত ব্যৱস্থা কৰিবৰ কাৰণে অফিচাৰ নিয়োগ কৰা হল আৰু চুপাৰিশ কৰি পিচপৰা শ্ৰেণী হিচাবে এই সকল লোকক সাংবিধানিক ভাবে পিচপৰা বুলি ঘোষণা কৰা হল। কিন্তু দুখৰ বিষয় উপাধ্যক্ষ মহোদয়, এই সকল লোকক অৰ্থনৈতিক দিশতেই হওক বা সামাজিক দিশতেই হওক বা শিক্ষাৰ ফালৰ পৰাই হওক সাংবিধানিক ভাবে যি সুবিধা দিব লাগিছিল সেই সুবিধা খিনি আজি অত বছৰেও দিব পৰা নহল।

যাৰ ফলত আজি ইমান বছৰে এই সম্প্ৰদায়টো সকলোৰে অৱহেলিত হৈ আহিব লগা হৈছে। যেনে ধৰণেৰে সমাজৰ মাজলৈ আগবাঢ়ি আহিব নোৱাৰিলে বৰঞ্চ সেইটো হোৱাৰ ফলত এই সম্প্ৰদায়বোৰৰ দুৰাৱস্থাহে হল এই সম্প্ৰদায় কেইটাক পিচপৰা জাতি বুলি ধৰি লৈ অসম বাসীৰ বুকুৰ পৰাই যেন নাইকীয়া কৰি দিয়াৰ এটা আৱহাওৱাৰ সৃষ্টিহে কৰিব ধৰা হৈছে। এই লোক সকলক পিচপৰা শ্ৰেণীৰ লোক সকলক সংবিধানিক ভাৱে পিচপৰা শ্ৰেণী বুলি ঘোষিত কৰি সকলোৰে হাহিঁয়তাৰ পাত্ৰ কৰাৰ অধিকাৰ চৰকাৰৰ নাই।

সেইকাৰণে উপাধ্যক্ষ মহোদয়, মই উত্তেজিত হৈ কৈছিলো যে কিছুমান লোকক সমাজৰ মাজৰ পৰা আতঁৰাই আনি কোনো প্ৰকাৰ সা-সুবিধা নিদি সদায় অৱহেলিত কৰি ৰখাৰ কোনো নৈতিক অধিকাৰ এই কংগ্ৰেছ চৰকাৰৰ নাই, আজিও মই চৰকাৰক এই কথাই দাবী কৰো পিচপৰা সম্প্ৰদায়ৰ কাৰণে সংবিধান সন্মত যিখিনি সা-সুবিধা চৰকাৰে দিব পাৰে সেইখিনি সম্পূৰ্ণকৈ দিয়ক আৰু এই সম্প্ৰদায়টোক সমাজৰ মাজলৈ উলিয়াই আনক। যদি তাকে কৰাৰ শক্তি এই চৰকাৰৰ নাই তেন্তে সংবিধানৰ পৰা পিচপৰা সম্প্ৰদায় বুলি যি এটা বিভাগ আছে সেইটো উঠাই দিয়ক। আমাৰো আন আন জাতিৰ মানুহৰ দৰেই বাহুত বল আছে, মগজুত শক্তি আছে, আমিও আনৰ দৰেই প্ৰতিযোগিতা চলাই আগবাঢ়ি যাওঁ। এইখন আজিৰ প্ৰতিযোগিতাৰ দেশ। প্ৰতিযোগিতাত যেয়ে জয়ী হব সেয়ে বৃত্তি পাব। পিচপৰা সম্প্ৰদায়ৰ কাৰণে চৰকাৰে যি বিত্তি দিয়াৰ সামান্য ব্যৱস্থা এটা কৰিছে সেই ব্যৱস্থাৰে

এই জাতিটো আগুৱাই নিয়াৰ ব্যৱস্থা কৰা হৈছে তাৰে মাথোন চৰকাৰে নিজে নিজৰ অপযশ মাতি অনাহে হৈছে। আৰু সেই কেইটা বৃত্তিৰ টকাও সময়ত ছাত্ৰই ভোগ কৰিবলৈ নাপায়। কেতিয়াবা আকৌ ঘূৰিহে গৈছে। বহুত ক্ষেত্ৰত এনে হৈছে যে ভালেমান উচ্চ সম্প্ৰদায়ৰ লৰাই পিচপৰা শ্ৰেণীৰ লৰা বুলি চাৰ্টিফিকেট লৈ এই বৃত্তি ভোগ কৰিছে। উপাধ্যক্ষ মহোদয়, এইটো অতি লাজৰ কথা। ইয়াৰ এটা ভাল তদন্ত হব লাগে। ঠিকা-ঠুকলিৰ ক্ষেত্ৰতো উপাধ্যক্ষ মহোদয়, আপুনি দেখিব কেইটামান বিশেষ শ্ৰেণীৰ বিশেষ ব্যক্তিক হে দিয়া হয়, আমাৰ পিচ-পৰা শ্ৰেণীৰ জনসংখ্যা কিমান আৰু সেই অনুপাতে কিমানে ঠিকা-ঠুকলি পাইছে তাৰ এটা হিচাব কৰি এটা হিচাব মন্ত্ৰী মহোদয়ে এই সদনত দাখিল কৰিব পাৰিবনে ?

কেইজন মান পিচপৰা মানুহক ঠিকা ঠুকলি দিয়াই ইয়াৰ ভিত্তি হব নোৱাৰে, জনসংখ্যা ভিত্তিত কিমানে পালে তাৰ হিচাব দিব লাগিব। অসমৰ জনসংখ্যা কিমান আৰু তাৰে অনুসূচীত সম্প্ৰদায়ৰ কিমান তাৰ সম্পূৰ্ণ হিচাব উলিয়াব লাগিব। মন্ত্ৰী ডাঙৰীয়াই এটা সঁচা কৈছিল যে যি জাতিৰে নহওক কিয় এটা চেনচ্ অব ৰিলিজিংনেচ জগাব লাগিব। ইয়াৰ কাৰণে আমাৰ দেশৰ জনসংখ্যাৰ সামাজিক, অৰ্থনৈতিক আৰু শিক্ষা-দীক্ষাৰ ফালৰ পৰাও আচল পৰিসংখ্যা উলিয়াব লাগিব। কিন্তু দুৰ্ভাগ্যৰ বিষয় সেইটো হোৱা নাই।

উপাধ্যক্ষ—চমু কৰক।

শ্ৰীলক্ষীকান্ত শইকীয়া—চমু কৰিছো। যিমান বিলাক সুবিধা দিব লাগিছিল সেই সুবিধাবিলাক নিদিয়াৰ কাৰণেই আজি অসম ভাগ ভাগ হৈ গৈছে। এই কথা পাহৰিলে ভুল কৰা হব। ভুল কৰি তাৰ পিচত ঘৰিয়ালৰ চকুপানী টুকি কি লাভ হব ? চৰকাৰী ভাৱে, সাংবিধানিক ভাৱে যি প্ৰতিশ্ৰুতি দিছিল যিবিলাক সুবিধা দিব খুজিছিল অনুসূচীত আৰু পিচপৰা জাতি হিচাবে সেই বিলাকৰ প্ৰায় বিলাকেই অন্য মানুহে ভোগ কৰি আছে। একো সুবিধা নিদিয়াকৈয়ে অপযশৰ বোজা জাপি দিবলৈ এই চৰকাৰৰ কোনো অধিকাৰ নাই। এতিয়া সকলোবোৰ

যোৱাৰ পিচত আকৌ ডাঙৰ ডাঙৰ চকুৰে চাই এই বোৰ কি কৰিব খুজিছে ? যাবৰ সময়ত কান্দিলে কি হব ? যিখিনি প্ৰাপ্য সেই প্ৰাপ্যৰ পৰা পিচপৰা লোকসকলক বঞ্চিত কৰিব কিয় ? জনসংখ্যা অনুপাতে হব লাগে। উপাধ্যক্ষ মহোদয়, আৰু এটা কথা জনসংখ্যাৰ হিচাব হব লাগে। কিয়নো ইয়াৰ কাৰণে মুঠ জনসংখ্যা আৰু কিমান অনুপাত পিচপৰা লোক এইটো জনা নিতান্ত আৱশ্যক। ইয়েই আটাইতকৈ ডাঙৰ কথা। কিন্তু দুৰ্ভাগ্যৰ কথা সংবিধানত বিশেষ ব্যৱস্থা দিয়া স্বত্বেও অন্যান্য পিচপৰা লোকৰ সংখ্যা কিমান এইটো নিৰ্ণয় কৰিবলৈ চৰকাৰ আগবাঢ়ি অহা নাই। গতিকে ইয়াতকৈ দুৰ্ভাগ্যৰ কথা আন একোৱেই হব নোৱাৰে। মই আপোনাৰ জৰিয়তে দাবী জনাও যে বৃত্তিৰ টকা কেইটামান দিয়াই নহয়, কেইটামান ঠিকা ঠুকলি দিয়াই নহয়, কিমান জনসংখ্যা আছে কি কি সুবিধা দিয়া হব, কি কি দিব পৰা হব সেই আটাইবিলাক তন্ন তন্নকৈ জনসংখ্যা অনুপাতত উলিয়াই লৈ আগবাঢ়ি আহিব লাগিব। মই পুনৰ বাৰ অনুৰোধ জনাইছো জনসংখ্যাৰ অনুপাত ভিত্তিত সংবিধান প্ৰদত্ত আৰু চৰকাৰী ঘোষিত নীতি অনুসৰি প্ৰাপ্য খিনি ঠিক মতে দিবলৈ আগবাঢ়ি আহিব লাগে আৰু প্ৰথম পদক্ষেপ হব লাগিব জনসংখ্যাৰ নিৰ্ভুল সমীক্ষা।

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম—উপাধ্যক্ষ মহোদয়, ৭৫ নং প্ৰশ্নৰ উত্তৰৰ সন্দৰ্ভত অন্যান্য পিচপৰা সম্প্ৰদায়ৰ বিষয়ে আলোচনাৰ মোখনি মাৰি আমাৰ দুজন মাননীয় সদস্যই কিছুমান ভাল পৰামৰ্শ আগবঢ়াইছে আৰু পিচপৰা সম্প্ৰদায়ক সামাজিক আৰু শিক্ষাৰ ক্ষেত্ৰত আগবঢ়াই নিয়াৰ কাৰণে সাংবিধানে যি সুবিধা দিছিল সেই সুবিধাবোৰ যাতে আমাৰ ইয়াতো দিয়া হয় সেই সম্পৰ্কেও তেখেতসকলে দিহা পৰামৰ্শ দিছে। তেওঁলোকৰ কোনোৱে এটা সন্দেহ প্ৰকাশ কৰিছে যে এই সুবিধা বোৰ দিয়াৰ ফলত আমাৰ অসমৰ কিবা অনিষ্ট হব পাৰে নেকি ?

( ভইচ: সুবিধা দিয়া ভাল নহয় )

আমাৰ মাননীয় সদস্য শ্ৰীশইকীয়া ডাঙৰীয়াই এই সুবিধা বিলাক দিয়াৰ কাৰণে যে এটা পৰিস্থিতিৰ উদ্ভৱ হৈছে সেই সম্পৰ্কে কৈছে

আৰু তেখেতে এটা কথা কৈছে যে সুবিধা বোৰ ঠিক ঠিক মতে দিয়া হোৱা নাই। মই এই সদনক জনাব খুজিছো যে ১৯৫০ চনত ষেতিয়া সংবিধান ৰচনা কৰা হৈছিল সেই সময়ত আমাৰ দেশত যি বিলাক বিভিন্ন জাতি উপজাতি বা সম্প্ৰদায় আছিল সেই জাতি উপজাতি সম্প্ৰদায় বিলাকৰ মাজত এনে কিছুমান সম্প্ৰদায় আছিল যি সকল সামাজিক আৰ্থিক আৰু শিক্ষাৰ ফালৰ পৰা পিচপৰা আছিল। আৰু সেই সম্প্ৰদায় বিলাকৰ ভিতৰত বিশেষকৈ তিনিটা শ্ৰেণী ধৰা হৈছিল, এচ-চি, এচ-টি আৰু আন যিবিলাক শিক্ষাগত আৰু সামাজিক ফালৰ পৰা পিচপৰি আছিল। তেওঁলোকেও যাতে আন আন সম্প্ৰদায়ৰ লগতে আগবাঢ়ি আহিব পা'ৰ তাৰ কাৰণে সুবিধা দিয়াৰ অৰ্থে সংবিধানত ১৫-৪ ধাৰা মতে বিশেষ ভাৱে সুবিধা দিয়াৰ কাৰণে এটা ধাৰা সন্নিবিষ্ট কৰা হৈছিল। এই ধাৰা অনুযায়ী ১৯৫০ চনত ১৮ টা সম্প্ৰদায় এই শ্ৰেণীভুক্ত কৰা হৈছিল। আমাৰ অসমৰ পৰাও সেই ওঠৰটা সম্প্ৰদায়ক লিষ্ট ভূক্ত কৰিবলৈ আমাৰ শিক্ষা বিভাগৰ পৰা কেন্দ্ৰীয় শিক্ষা বিভাগলৈ পঠিওৱা হৈছিল অনুদানৰ কাৰণে। ১৯৫২ চনত এই লিষ্ট পঠিওৱা হয় আৰু তাৰ বাহিৰেও কেইটামান আন আন সম্প্ৰদায় ইয়াত সন্নিবিষ্ট কৰা হৈছিল। ইয়াৰ পিচত সংবিধানৰ ৩৪০ ধাৰা মতে ভাৰত চৰকাৰে এটা অন্যান্য পিচপৰা সম্প্ৰদায়ৰ কাৰণে এটা কমিচন বহুৱালে আৰু তাৰ চেয়াৰম্যান হ'ল কাকা চাহেব কালেলকাৰ। ১৯৫৩ চনত ৰিপোৰ্ট দাখিল কৰিছিল আৰু ৰিপোৰ্ট লক্ষ্য কৰিয়েই অসমতো যি কেইটা পিচপৰা সম্প্ৰদায় বুলি লিষ্টভূক্ত কৰা হৈছিল সেই কেইটাও সামাজিক আৰু আৰ্থিক ফালৰ পৰা পিচপৰা আছিল। কৃষক হিচাবে অন্যান্য পিচপৰা ধৰা হৈছিল, চাউদাং হিচাবে পিচপৰা ধৰা হৈছিল। তাৰ উপৰিও শিক্ষা আদিৰ ক্ষেত্ৰত পিচপৰা আন আন শ্ৰেণীকো অন্যান্য পিচপৰা বুলি ধৰা হৈছিল আৰু ১৯৫৩ চনত বিভিন্ন ৰকমৰ বিভিন্ন পিচপৰা সম্প্ৰদায়ৰ এডভাইচৰী কাউন্সিল পাতি কোনো কোনো সম্প্ৰদায়ক ৰিকমেণ্ড কৰা আৰু বাদ দিবলগীয়া বিলাকক বাদ দিয়াৰ ব্যৱস্থা কৰা হয়।

এই কেইটা সম্প্ৰদায়ৰ কাৰণে ৰাজ্যিক চৰকাৰৰ তৰফৰ পৰা বৃত্তি

দিয়াৰ কাৰণে আৰু অন্যান্য ফ্ৰি কমপেনচেচন দিয়াৰ ব্যৱস্থা কৰা হৈছে। ঠিক সেই ধৰণে ঠিকা আদিৰ ক্ষেত্ৰত শতকৰা ৫০ ভাগ দিয়াৰ কাৰণে ব্যৱস্থা কৰা হৈছে। চাকৰিৰ ক্ষেত্ৰত অন্যান্য পিচপৰা সম্প্ৰদায়ৰ এডভাইজৰি কাউন্সিলৰ দ্বাৰা ১৯৬৯ চনত চাকৰিৰ ৰিজাৰভেচন কৰাৰ পৰামৰ্শ দিয়া হৈছিল। কিন্তু চৰকাৰে সেই পৰামৰ্শ গ্ৰহণ কৰা নাই। অন্যান্য পিচপৰা সম্প্ৰদায়ৰ লোক সকলক চিডুল কাষ্ট আৰু চিডুল ট্ৰাইবচৰ লোক সকলে যি ধৰণে সুবিধা পায় সেই ধৰণে সুবিধা দিয়াৰ ব্যৱস্থা আছে। আমাৰ শইকীয়া ডাঙৰীয়াই অভিযোগ তুলিছে যে এই সুবিধা বিলাক দিয়া হৈছে কিন্তু কাৰ্য্যকৰী কৰা হোৱা নাই। মই মন্ত্ৰী হিচাবেও এই কথাটো অনুভৱ কৰিছো। আমাক যি বিলাক সুবিধা দিয়া হৈছিল সেই বিলাক কাৰ্য্যকৰী কৰা হোৱা নাই। আমাৰ চৰকাৰৰ প্ৰধান উদ্দেশ্য আছিল যি কেইটা সম্প্ৰদায় শিক্ষা দিক্ষাই পিচপৰা তেওঁলোকক আগুৱাই আনি সামাজিক ভাবে আগুৱাই আনিব লাগে। যদি কোনোবা ৰাজনৈতিক দলে সেই সুবিধা বিলাক গ্ৰহণ কৰে তেন্তে চৰকাৰৰ কব লগা একো নাই। আমাৰ শইকীয়া ডাঙৰীয়াই অভিযোগ কৰিছে যে যদি এই সুবিধা খিনি কাৰ্য্যকৰী কৰিব নোৱাৰে তেন্তে এই সুবিধা বিলাক উঠাই দিব লাগে। এই কথাটো মই পিচপৰা সম্প্ৰদায়ৰ কাউন্সিলক প্লেচ কৰিম। তেওঁলোকে যদি উঠাই দিবলৈ কয় তেন্তে উঠাই লোৱা হব। এইখিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীসোনেশ্বৰ বৰা—সংবিধান সংশোধন নোহোৱাকৈ কাউন্সিল খনে প্ৰস্তাব উঠাই দিব পাৰে নেকি ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম—পৰামৰ্শ খিনি ৰাজ্যিক চৰকাৰে লৈ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত মোভ কৰিব লাগিব।

শ্ৰীলক্ষ্মী কান্ত শইকীয়া—মই স্পষ্টিকৰণ বিচাৰিছো যে যিখিনি প্ৰতিশ্ৰুতি দিছিল সেই খিনিৰ কোনো কাম ঠিক মতে দিব পৰা নাই। এতিয়া প্ৰশ্ন হ'ল এই সুবিধা বোৰ উঠাই দিয়াৰ আগতে প্ৰতিশ্ৰুতি পালন কৰাৰ সম্পৰ্কত চৰকাৰে কোনো জবাব নিদিব নেকি ? চৰকাৰে কাৰ্যকৰী কৰিব নে নকৰে ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম—কাৰ্য্যকৰী কৰাৰ কাৰণে চেষ্টা কৰি আছে। তাৰ কাৰণে চৰকাৰৰ ফালৰ পৰা চাৰ্কোলাৰ আদি দিয়া হৈছে।

শ্ৰীহুলাল বৰুৱা—১৯৬৭ চনৰ ২ ফেব্ৰুৱাৰীৰ চাৰ্কোলাৰ মতে ৰাজবংশী, মটক, মৰান, চাউদাং আদি সম্প্ৰদায়ক বিশেষ ধৰণৰ পিচপৰা সম্প্ৰদায় বুলি ধৰা হৈছে।

That they will be treated in respect of getting educational and other facilities, appointments etc. at per with the Scheduled Caste and Scheduled Tribes.

এই ক্ষেত্ৰত অন্যান্য পিচপৰা জাতি আৰু বিশেষ ধৰণৰ পিচ পৰা জাতিৰ পাৰ্থক্য কি ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম—অন্যান্য পিচপৰা জাতিক মেডিকেল কলেজত চিট আদিৰ ব্যৱস্থা কৰা হৈছে আৰু তৃতীয় ডিভিজন মতেও বৃত্তি দিয়াৰ ব্যৱস্থা কৰা হৈছে।

শ্ৰীহুলাল বৰুৱা—অন্যান্য পিচপৰা জাতিক সুবিধা দিয়াৰ কথা কৈছে। কিন্তু বিশেষ ধৰণৰ পিচপৰা জাতিক বিশেষ ধৰণৰ সুবিধা দিয়াৰ ব্যৱস্থা কৰিছে নে নাই ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম—যি কেইটা সম্প্ৰদায়ে পাব পাৰে, একে সুবিধা পাব।

শ্ৰীসোনেশ্বৰ বৰা—শইকীয়া ডাঙৰীয়াই প্ৰশ্ন কৰিছিল চৰকাৰে যি বিলাক প্ৰতিশ্ৰুতি দিছিল সেই বিলাক কাৰ্য্যকৰী কৰিছে নে নাই ? এই সুবিধা বিলাক আবহমান কালৰ পৰা অনন্ত কাললৈ চলি নাথাকে। চিডুল কাষ্ট আৰু চিডুল ট্ৰাইবচৰ সুবিধা বিলাক আৰু ১০ বছৰলৈ বঢ়াই লোৱা হৈছে অৰ্থাৎ ১৯৮০ চনলৈ থাকিব। এই খিনি উঠাই দিয়াৰ পিচত অ, বি, চি আদিয়ে সুবিধা নাপায়। গতিকে এই সময় চোৱাৰ ভিতৰত বিশেষ কাৰ্য্যসূচী লৈ প্ৰতিশ্ৰুতি বিলাক পূৰণ কৰাৰ কথা চৰকাৰে বিবেচনা কৰিছে নে নাই ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম—যি খিনি প্ৰভিজন আছে সেই খিনি দিবৰ কাৰণে চৰকাৰে নিশ্চয় চেষ্টা কৰিব।

## Adjournment

Mr. Deputy Speaker—The House stood adjourned till 10 A. M. tomorrow.

The House stood adjourned at 5.30 P. M. till 10 A. M. on Thursday the 7th March, 1974.

P. D, Barua
Secretary, Legislative Assembly
Assam

Dispur
6-3-74